# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

TWELFTH SESSION OF THE ASSAM LEGISLATIVE
ASSEMBLY ASSEMBLED AFTER THE TENTH
GENERAL ELECTIONS UNDER SOVERIGN
DEMOCRATIC REPUBLICAN
CONSTITUTION OF INDIA

## SEPTEMBER SESSION

No. 5

6th September, 2000

Price : Rs. 52.00

# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

**TWELFTH SESSION OF THE ASSAM LEGSLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVERIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

## SEPTEMBER SESSION

**No. 5**

**6th September, 2000**

**Price : Rs. 52.00**

# C O N T E N T S

**September Session**
**No. 5**
**Dated the 6th September, 2000**


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1-79 |
| 2. | Discussion During Zero Hour | 80-88 |
| 3. | Notice of Censure Motion | 89-91 |
| 4. | Call Attention Notice | 92-94 |
| 5. | Matter under Rule 301 | 95 |
| 6. | Consideration and Passing of Govt. Bill | 96 |
| 7. | Motion for Election to University Court | 107 |
| 8. | Laying of Reports | 108 |
| 9. | Discussion on censure motion | 109-151 |
| 10. | Adjournment | 152 |
| 11. | Annexure I-VI | 153 |

# Debates of the Assam Legislative Assembly

**Wednesday, the 6th September, 2000**

**The houre met at 4 PM of the clock in the Assembly Chamber at Dispur with Mr. Ganesh Kutum, Speaker in the Chair.**

## Starred Questions and Answers (To which oral replies were given)

**Mr. Speaker :** Now starred Question No. 61.

**Shri Sukhendu Shekhar Dutta asked**

**Re : Preventive measure of flood**

*** 61.** Will the Minister of Flood Control be pleased to state?

(a) Whether the Govt. is aware of the fact that four consecutive rounds of floods have caused unprecendented sufferings for the people of Patharkandi?

(b) If yes, what measures have been taken to prevent the occurrence of such floods in future?

**Shri Promode Gogoi (Flood Control Minister)** will replied -

(a) Yes, the Govt. is aware of the fact that the people of Patharkandi and its surrounding areas have been suffering as a result of five waves of floods in 2000.

(b) The work for closing of breaches/cuts shall

be taken up during the coming Winter season subject to sanction and necessary placement of fund by the Revenue Deptt. However, as immediate measure the D.R.D.A., Karimganj has taken up temporary nature of works for construction of low-height dowel bund in closing the breaches/cuts to prevent entry of flood water of low magnitude.

**Shri Bimolangshu Roy :** Mr. Speaker, Sir, in reply to Qn. 61 (a) the Hon. Minister, Flood Control has admitted that there were four consequtive rounds of floods which have caused unprecedentd sufferings to the people of Patharkandi. He has not only admitted this but also added that on the date of question, another round of floods had occured. So, in total 5 rounds of floods had taken place. The immense sufferings that have been caused to the people of Patharkandi is due to sheer negligence of the Govt. Breaches caused in the E & D bunds were not repaired. My question is whether and what measures have been taken to prevent recurence of such floods in future? The Hon. Minister had said in reply to Question (B) work for closing of breaches and cuts will be taken up during the coming winter season subject to sanction and necessary placement of funds by the Revenue Department, Our Hon. Minister, Revenue is also present in the house. He is definitely aware of the situation. It is most unfortunate that no funds have yet been made

available till today. Our Hon. Minister, Flood Control has replied that D. R. D. A., Karimganj has taken up temporary nature of works for construction of low-height dowel bund for closing the breaches and cuts to prevent flood of low magniture. My question what kind of temporary nature of works were taken up because temporary nature of work has failed to prevent the 5th round floods? May I, therefore, know from the Hon. Minister what immediate measures were taken up by the D. R. D. A.?

* **Shri Pramode Gogoi (Minister) :** Hon. Speaker, Sir, river longai attained the highest level of 25.08 meters on 2.5.2000 at Chandkhri P. W. D. broad gauge site against the danger level of 22.00 meters. During this current year, there were five waves of flood and there were five waves of flood and there were nine breaches and cuts in total. As an imediate measure, D. R. D. A. Karimganj had taken up temporary nature of works for construction of low-height dowel build to elese 7 (Seven) breaches / outs to prevent flood water of lower magniture. These are purely temporary measures in order prevent recurrence of flood immediately. At the same time, the department has proposed eight (8) schemes for elesing of 7 (seven) breaches/cuts occured in empankments under Lengai river basis. Flood control Department will take all possible measures to close these breaches/cuts as early as possible.

---

* **Speech not corrected**

**Shri Bimolangshu Roy :** Sir, question was what measures were taken by D.R.D.A.? D.R.D.A. is not the appropriate agency to execute the work. If the work was executed by them then definitely it ought to have carried out in consultation with Flood Control Department. Sir, unfortunately, the reply of the Hon. Minister is not accure. I request the Hon. Minister to come up with correct answer. I also want know from him what amount of fund was spent for the purpose?

***Shri Pramode Gogoi (Minister) :** Sir, The work was of temporary nature. D. R. D. A. Karimganj had taken up 7 (Seven) schemes for construction of low-height dowel bund to elese breaches/cuts at a total estimate of Rs. 9,19,000. Flood Control Department will take up all schemes in future.

***Shri Bimolangshu Roy :** Sir, will the Hon. Minister, Flood Control, assure the House that during the coming winter season all breaches/cuts will be repaired so that during the coming year this type of flood does not recur?

***Shri Pramode Gogoi (Minister) :** I have mentioned that schemes have been prepared and submitted to Revenue Deptt. for approval and sanction.

***Shri Abdul Muqtadir Choudhury :** Sir, during the last wave of flood there were extensive damages of crops. There were breaches in Kachanghat and Burunga Chilamar under

* Speech not corrected

patharkandi circle and Patharkandi Cirle. 280 meters length of breaches took place and damages worth Rs. 1.00 crores to standing crops took place. This Rs. 9.00 lakh is not sufficient to meet the damages. Whether the Hon. Minister is aware of this and will be take measures to plug this 280 mtrs.

***Shri Promode Gogoi (Minister) :** I have already mentioned that there were five waves of floods and the last one had ocurred between 19.8.2000 and 24.8.2000. Therefore, all these schemes prepared by the DRDA have taken care of all these projects and breaches and cuts. I have already stated that these are all temporary measures only to prevent recurrence of flood but for the permanent nature of work the schemes have been prepared by the Flood Control Department and these will be referred to the Revenue Department for approval.

*শ্ৰী গৌতম ৰয় ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কব নেকি ? টেম্পোৰাৰী ৰেষ্টোৰেচন ডি. আৰ. ডি. এ. কৰিছে। হাইলাকান্দি জিলাত ২ বছৰ হৈছে। এটা স্কীমৰ টেণ্ডাৰ কল হৈ আছে কিন্তু কোনো কাম হোৱা নাই। মন্ত্ৰী মহোদয়ে আশ্বাস দিব নেকি কেতিয়া কাম আৰম্ভ হব।

* **Shri Promode Gogoi (Minister) :** Sir, this matter relates to Longai. So, for this a separate question will be necessary.

---

* Speech not corrected

বিষয় ঃ বৰপেটা জিলাৰ বানত ঘৰ বাৰীৰ ক্ষয়ক্ষতি।

**শ্ৰীইছমাইল হুছেইনে সুধিছেঃ**

*৬২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰপেটা জিলাৰ কিমান মানুহৰ এইবাৰ বানত ঘৰবাৰী নষ্ট হৈছে?

(খ) কিমান মানুহৰ খেতি পথাৰৰ শষ্য নষ্ট হৈছে। ক্ষয়ক্ষতিৰ পৰিমাণ কিমান হ'ব?

(গ) বানত ক্ষতিগ্ৰস্থ লোকসকলৰ পুনৰ সংস্থাপন আৰু সাহায্যৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে?

**ডঃ জয়নাথ শৰ্মা (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) উপায়ুক্তৰ পৰা পোৱা তথ্য মতে ১০৯৪ টা ঘৰ সম্পূৰ্ণৰূপে নষ্ট হৈছে আৰু ১৬৩৩ টা ঘৰ আংশিক ভাৱে নষ্ট হৈছে।

(খ) ৮০,০১২ জন মানুহৰ খেতি পথাৰৰ শস্য নষ্ট হৈছে আৰু ক্ষতিৰ পৰিমাণ ৮,৬৯,৯৯,০০০ টকা হ'ব।

(গ) তৎকালীন সাহায্য দিয়া হৈছিল। আৱশ্যক মতে পুনৰ সংস্থাপনৰ ব্যৱস্থা লোৱা হ'ব।

* **শ্ৰীইছমাইল হুছেইন** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে ১০৯৪ টা ঘৰ সম্পূৰ্ণৰূপে নষ্ট হৈছে আৰু ১৬৩৩ টা ঘৰ আশিংকভাৱে নষ্ট হৈছে। কিন্তু যদি চৰজমিন জৰিপ কৰা হয় তেতিয়া হলে ইয়াৰ সংখ্যা আৰু বাঢ়িব। যিকেইটা ঘৰ সম্পূৰ্ণ ৰূপে নষ্ট হৈছে আৰু আংশিকভাৱে নষ্ট হৈছে চৰজিন তদন্তৰ পিচত কি ক্ষতিপূৰণ আৰু কি অনুদান দিব? ৮০,০১২ গৈছে। ইয়াৰ কাৰণে কিবা চিন্তা কৰিবনে?

***ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উপায়ুক্তৰ পৰা প্ৰস্তাৱ পোৱাৰ পিছত পৰীক্ষা নিৰীক্ষা কৰা ঘৰ, উপযুক্ত হলে তাৰ ওপৰত ভিত্তি কৰি সাহায্য দিয়া হ'ব। খেতি-বাতি যি নষ্ট হৈছে তাৰ কাৰণে ব্যৱস্থা লোৱা হ'ব আৰু ৰাস্তা-ঘাটো সকলোকে দিব পৰা হ'ব।

---

* Speech not corrected

*শ্রীনিজামুদ্দিন খান ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে কৈছে যে উপায়ুক্তৰ পৰা ৰিপোৰ্ট যোৱাৰ পিচত পৰীক্ষা-নিৰীক্ষা কৰি চাই ব্যৱস্থা লোৱা হব। ১৯৯৪ টা ঘৰ সম্পূৰ্ণ নষ্ট হৈছে, ডি. চি. য়ে জৰিপ কৰি ৰিপোৰ্ট দিছে। মাননীয় মন্ত্ৰী মহোদয়ে জনাব নে যিখিনি সম্পূৰ্ণ নষ্ট হৈছে আৰু যিখিনি আংশিকভাৱে নষ্ট হৈছে কি পৰিমাণৰ সাহায্য দিয়া হব?

*ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আমি উপায়ুক্তৰ পৰা নিশ্চিতভাৱে যি পাইছো সদনক দিছো। মাননীয় সদস্য গৰাকীয়ে ইয়াতকৈ বেছি হব বুলি কৈছে। যদি কোনোবা নোপোৱা মানুহ থাকে তেতিয়া হুলস্থুল হব। তেখেতে যিটো পৰিপূৰক প্ৰশ্ন কৰিছে সেইটো চাব লাগিব। ম্যাদী পট্টাৰ মাটি হলে পাব, চৰকাৰী মাটি হলে নাপায়।

*ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰ যিবিলাক ঘৰ ধ্বংস হৈছিল, মন্ত্ৰী মহোদয়ে এই বিষয়ে ব্যৱস্থা লৈছিল নেকি?

*ডাঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো মোৰ হাতত নাই।

*ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ অধ্যক্ষ মহোদয়, মই জানো, মইয়ে কৈছো, যোৱা বছৰো দিয়া হোৱা নাই, এই বছৰো দিয়া নাই।

## বিষয় ঃ বানত ক্ষতিগ্ৰস্ত পৰিয়ালক সাহায্য

শ্ৰীওৱাজেদ আলী চৌধুৰীয়ে সুধিছে ঃ

*৬৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বৰ্ত্তমান চলি থকা প্ৰলয়ংকাৰী বানপানীৰ ফলত ক্ষতিগ্ৰস্ত হোৱা মানুহ আৰু জীৱ জন্তুৰ কাৰণে খাদ্য সামগ্ৰী যোগান ধৰা হৈছে নেকি? যদি হৈছে কি কি সামগ্ৰী যোগান ধৰা হৈছে মহকুমা ভিত্তিত সামগ্ৰীৰ মূল্য সহ সদনৰ মেজত দাখিল কৰিব লাগে আৰু যদি যোগান ধৰা হোৱা নাই কিয়?

* Speech not corrected

(খ) দঃ শালমাৰা মহকুমাত বান সাহায্য আৰু পুনঃ সংস্থাপনৰ কাৰণে কি কি খাদ্য সামগ্ৰী বিতৰণ কৰা হৈছে আৰু উক্ত খাদ্য সামগ্ৰী বানপানীত ক্ষতিগ্ৰস্ত পৰিয়ালৰ কাৰণে কৰা হৈছেনে গৰাখহনীয়াৰ ফলত গৃহহীন হোৱা পৰিয়ালৰ কাৰণে কৰা হৈছে। যদি অকল গৰা খহনীয়াৰ কাৰণে কৰা হৈছে আৰু বানপানীত ক্ষতিগ্ৰস্ত পৰিয়ালৰ কাৰণে কৰা হোৱা নাই কিয়?

(গ) দঃ শালমৰাত বানপানীৰ ফলত কিমান পৰিয়াল বা জনসংখ্যা ক্ষতিগ্ৰস্ত হৈছে আৰু গৰাখহনীয়াৰ ফলত ক্ষতিগ্ৰস্ত পৰিয়ালৰ তালিকা প্ৰস্তুত কৰি সদনত দাখিল কৰিবলৈ অনুৰোধ কৰা হ'ল?

**ডঃ জয়নাথ শৰ্মা (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, হৈছে। এতিয়ালৈকে পোৱা তথ্যৰ তালিকা সংলগ্ন কৰা হ'ল। খাদ্য সামগ্ৰী যোগান নিদিয়াৰ প্ৰশ্ন নুঠে। (See the annexure-I)

(খ) দক্ষিণ শালমাৰা মহকুমাত সাহায্যৰ কাৰণে ১১৫৮.৫০ কুইন্টল চাউল গড়াখহনীয়া আৰু বান ক্ষতিগ্ৰস্ত উভয় শ্ৰেণীৰ লোকৰ মাজত বিতৰণ কৰা হৈছে।

(গ) দক্ষিণ শালমৰাত বানপানী আৰু গড়াখহনীয়াৰ ফলত ৮৯৭০ টা পৰিয়াল আৰু প্ৰায় ২,০০,০০০ লোক ক্ষতিগ্ৰস্ত হৈছে। দক্ষিণ শালমাৰাৰ মহকুমাধিপতিয়ে ক্ষতিগ্ৰস্ত লোকৰ বিতং তালিকা প্ৰস্তুত কৰি আছে আৰু জনাইছে আৰু কাম এতিয়াও সম্পূৰ্ণ হোৱা নাই।

***শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে দক্ষিণ শালমাৰাত দুই লাখ লোক ক্ষতিগ্ৰস্ত হৈছে। ৮৯৭০ টা পৰিয়াল গড়াখহনীয়াৰ ফলত গৃহহীন হৈছে। নদী ভঙা আৰু বানপানীত ক্ষতিগ্ৰস্ত সকলক সাহায্য দিয়া হৈছে বুলি কৈছে। ক্ষতিগ্ৰস্ত হোৱা লোকক এই কেজিও চাউল দিয়া হোৱা নাই, নদী ভঙা মানুহকহে দুদিনৰ বাবে চাউল দিছে। অন্য চাব-

* Speech not corrected

ডিভিজনৰ বানপানীত ক্ষতিগ্ৰস্ত হোৱা লোকসকলক চাউল দিছে, কিন্তু দক্ষিণ শালমাৰাত দিয়া নাই। অকল চাউলেই নহয় ডাইল, নিমখ, মিঠাতেল দিছে, দক্ষিণ শালমৰাত দিয়া নাই।

***ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সাহায্য দিয়াৰ সময়ত জিলা উপায়ুক্ত, মহকুমাধিপতি থাকে. তেখেত সকলে সকলো বিলাক চাই চিতি দিয়ে। আমাৰ কমিশ্যনাৰক নিৰ্দেশ দিয়া হৈছে, ৰিলিফৰ বাবে যাতে দিনে দিনে কথা পাতি থাকে। মই অলপতে বিষয়াসকলক মাতি আনি কৈছো, যদি কোনোবা পাবলৈ বাকী আছে আমি দি দিম। মই আচৰিত হৈছো মাননীয় বিধায়ক গৰাকীয়ে যদি তেখেতৰ সমষ্টি এনেকুৱা হৈছিল আমাক অৱগত নকৰিলে কিয়? আমি ব্যৱস্থা ললোহেতেন।

***শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই সময়ত মই ধুবুৰীত আছিলো। আমি উপায়ুক্তক অৱগত কৰিছিলো। আন ঠাইত চাউল, দালি, নিমখ, মিঠাতেল দিয়া হ'ল, কিন্তু দক্ষিণ শালমাৰাত দিয়া নহ'ল, কিয় দিয়া হোৱা নাই মন্ত্ৰী মহোদয়ে জনাবনে?

***ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমি সেই সময়ত পৰিস্থিতি আৰু পৰিবেশলৈ সেইবিলাক যাতে বাহিৰলৈ যাব নোৱাৰে তাৰ বাবে মেচেজ দিছিলো। যদি কমকৈ দিয়া বুলি ভাবে, কৰবাত পোৱা নাই তাৰ কাৰণে আমি ব্যৱস্থা লবলৈ কৈছো। তেখেতৰ কথাটো আমাক এছ. ডি. অ.ই অৱগত কৰা নাছিল। যদি কিবা সিদ্ধান্ত লোৱা হৈছিল, তেতিয়া হলে আমাক লগে লগে জনাব লাগিছিল। যদি ডি. চি. এচ. ডি. অ.ৰ সিদ্ধান্তত ওপৰত সন্তুষ্ট নাছিল তেতিয়া হলে মোক জনাব লাগিছিল।

***শ্ৰীওৱাজেদ আলি চৌধুৰী ঃ** চাব গোটেই অসমতে বানপানীৰ তাণ্ডৱ লীলা হৈছে কিন্তু ধেমাজী আৰু দক্ষিণ শালমৰাত অত্যন্ত বেচি বানপানী হৈছে অথচ দক্ষিণ শালমৰাত বানপানীত আক্ৰান্ত হোৱা লোকসকলে ৰিলিফ পোৱা নাই, এইটো কিয় হৈছে? এই বিষয়ত আমি বহু বাৰ ডি. চি. আৰু এচ. ডি. অ'ক কৈছো কিন্তু

* Speech not corrected

তেওঁলোকে বাৰ বাৰ কৈ থাকে যে চৰকাৰৰ হাতত পইচা নাই। সেয়ে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে বানপানীৰ কাৰণে ৰিলিফ দিয়া নহলেই অন্তত এই নদী ভঙা মানুহখিনিক অন্তত ৰিলিফ দিয়াৰ ক্ষেত্ৰত যেন অতি সোনকালে ব্যৱস্থা লয়। এই নদী ভঙা মানুহ খিনিয়ে এতিয়া মুক্ত আকাশৰ তলত আছে, তেওঁলোকক মানুহ বুলি জ্ঞান কৰা হোৱা নাই নেকি তেওঁলোকৰ অস্থায়ী বাসস্থানৰ কাৰণে কোনো ধৰণৰ চেড তৈয়াৰ কৰা হোৱা নাই। তেওঁলোকৰ কাৰণে চেড দিয়াৰ ব্যৱস্থা কৰিবনে?

***ডঃ জয়নাথ শৰ্মা (ৰাজহ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি বাতৰি কাকতেই হওক বা কোনো মাননীয় বিধায়কৰ পৰা ৰিটেন কমপ্লেইন পোৱা নাই বা মৌখিক ভাবেও পোৱা নাই, কেৱল বজালীৰ মাননীয় বিধায়ক মহোদয়ে ফোন কৰি মোক জনাইছিল কিন্তু আইনৰ পৰা কোনো কমপ্লেইন পোৱা নাই।

***ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে** ঃ মাননীয় অধ্যক্ষ মহোদয়, কমপ্লেইন কৰাৰ প্ৰশ্নই নুঠে কিয়নো বানপানীত ৰিলিফ দিয়াৰ ক্ষেত্ৰত ৰিলিফ মেনুৱেল আছে আৰু ৰিলিফ মেনুৱেল মতেই ৰিলিফ বিলাক দিব লাগে। আমি জনাত নলবাৰীত চাউল, চিৰা, গুড়কে ধৰি বিভিন্ন ধৰণৰ ৰিলিফ দিয়া হৈছে ৰচগোল্লাৰ বাহিৰে সকলো ৰিলিফ দিয়া হৈছে অথচ দক্ষিণ শালমৰাত কোনো ৰিলিফ দিয়া হোৱা নাই, ৰিলিফ মেনুৱেল ফলো কৰা নাই। গতিকে মন্ত্ৰী মহোদয়ে চাবনেকি যাতে ৰিলিফ দিয়াৰ ক্ষেত্ৰত সকলো জিলাতে ৰিলিফ মেনুৱেল ফলো কৰা হবনে?

***ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)** ঃ ক'ত কি ৰিলিফ দিব সেইটো ডি. চি. এচ. ডি. আই. দিব আমি ১১-৮-২০০০ ত এখন ডব্লিউ, টি, মেচেজ দিছো I would like to read out the letter from the record for apprisal of the House. This is kindly to see that in press which has been badly affected by flood and where the people

---

* Speech not corrected

need gratuliess felief, There should not be any delay or inadequancy of relief material and other relief measures. ডি. চি. আৰু এচ. ডি. চি. সকললৈ দিছো। অত আমি স্পষ্টকৈ জনাইছো ক'ত কি ধৰণৰ বস্তুৰ প্ৰয়োজন হব সেই মতে ৰিলিফ দিবলৈ।

*শ্ৰীওৱাজেদ আলি চৌধুৰীঃ আমি কমপ্লেইন কৰা নাই কিন্তু আমি এইটো জানো চাউলৰ লগত নিমখ·মিঠাতেল দিব লাগে কিন্তু দক্ষিণ শালমৰাত একোৱেই দিয়া হোৱা নাই।

*ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)ঃ এতিয়া বানপানী হৈ গ'ল ৰিলিফ দিব নোৱাৰি, ভৱিষ্যতে যাতে এনেকুৱা নহয় তাৰ কাৰণে এচ. ডি. অ' সকলক পাৰচনেল ডিপাৰ্টমেন্টৰ ফালৰ চিঠি দিবলৈ কম।

*শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ কিছুমান লোকৰ কাৰণে এই বানপানীটো এটা বছৰেকীয়া উৎসৱৰ নিচিনা হৈছে, বহুতে বানপানী আহিবলৈ যাত্ৰা ভাৱনা পাতে। আচলতে ইয়াৰ পৰা যিবিলাক নিৰ্দ্দেশ যায় সেইবিলাক থিকেই আছে কিন্তু ৰিলিফ দিয়াৰ ক্ষেত্ৰত খেলিমেলি হয় য'ত খৰী নালাগে তাত বেছিকৈ খৰী দিলে সেইদৰে য'ত তেল নালাগে তাত বেছিকৈ তেল দিয়া দেখুৱায় কিন্তু য'ত অত্যন্ত প্ৰয়োজন তাত কিন্তু একো নিদিয়ে, গতিকে এইবিলাক কোনে তদন্ত কৰিব? কোনে একশ্যন লব, ধেমাজীতেই তেনে ধৰণৰ ঘটনা হৈ গৈছে। ইয়াৰ ফলত বহু ঠাইত ৰিলিফ বিলাক মিচইউজ হৈছে। এইবিলাক কোনে চাব?

*ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ মাননীয় সদস্য গৰাকীয়ে যিখিনি কথা কৈছে সেই আমি মনত ৰাখিছো।

## বিষয় ঃ CRF/FDR ৰ টকা।

**শ্ৰীশৰৎ বৰকটকীয়ে সুধিছে ঃ**

*৬৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) কেন্দ্ৰীয় চৰকাৰৰ পৰা CRF/FDR ১৯৯৯-২০০০ চনত

---

* Speech not corrected

কিমান টকা আবন্টন পাইছে জনাবনে ?

(খ) আমি জনাত ১২৬ টা সমষ্টিত ১ কোটিকৈ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰি প্ৰত্যেকটো Divisionৰ পৰা Eng. estimateত প্ৰত্যেকজন বিধায়কৰ পৰা Scheme গ্ৰহণ কৰি বিধায়ক সহ Eng. ৰ স্বাক্ষৰ দিয়াৰ পিছত চৰকাৰে কি ব্যৱস্থা লৈছে জনাবনে ?

**ডঃ জয়নাথ শৰ্মা (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰাকৃতিক দুৰ্য্যোগ শিতানত (CRF) ১৯৯৯-২০০০ বিত্তীয় বৰ্ষত ৪৩৩৭ লাখ টকা অৰ্থ সাহায্য পোৱা হৈছে।

(খ) বিষয়টো চৰকাৰ বিবেচনাধীন হৈ আছে।

* **শ্ৰীশৰৎ বৰকটকী ঃ** মাননীয় অধ্যক্ষ মহোদয়, (ক) প্ৰশ্নৰ উত্তৰত কৈছে কেন্দ্ৰীয় চৰকাৰে প্ৰাকৃতিক দুৰ্য্যোগৰ শিতানত (চি. আৰ. এফ.) ১৯৯৯-২০০০ বিত্তীয় বৰ্ষত ৪৩৩৭ লাখ টকা অৰ্থ সাহায্য পোৱা হৈছে। এই সংক্ৰান্তত এখন চাৰ্কুলাৰ আমি পাইছিলো যে--প্ৰত্যেকসমষ্টিৰ বিধায়কে ১ কোটি টকাৰ আঁচনি পঠাব লাগে আৰু সেইদৰে আমি ১ কোটি টকাৰ আঁচনি পঠাইছো, এতিয়া (খ) প্ৰশ্নৰ উত্তৰত যিটো কৈছে বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে। এতিয়া কথাটো হ'ল এই যে বিবেচনা কৰা হব সেইটো কিমান দিন লাগিব ?

***ডঃ জয়নাথ শৰ্মা ঃ** আমি বিধায়ক সকলৰ লগত কথা-বতৰা হৈছিলো, কথাটো হৈছে এনেকুৱা, আমি এইবাৰ বানপানী আহিব বুলি ভবা নাছিলো, আৰু সেইকাৰণে ভাবিছিলো যে বিভিন্ন ঠাইত ৰাস্তা ঘাটৰ কাৰণে ১ কোটিকৈ টকা দিব পাৰিম। এতিয়ালৈকে ২৮কোটি টকা বিধায়ক সকলক দিব পৰা হব বুলি ভাবো।

***শ্ৰীগৌতম ৰয় ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১ কোটি টকাৰ আঁচনি বিধায়কে পঠাব আৰু এইটো ডি. চি.ৰ জৰিয়তে আহিব লাগে। কিন্তু ডি. চিয়ে আমাক এইটো দিয়া নাই ।

---

* **Speech not corrected**

*ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ বানপানী ক'ত ক'ত হৈছে সেইটো ডি. চি. এচ. ডি. অৰ পৰা লব লাগিব আৰু এটা সময়ৰ ভিতৰত দিব লাগে।

*শ্ৰীগৌতম ৰায় ঃ এই ক্ষেত্ৰত স্পেচিফিক সময় ধৰি দিব লাগে।

*ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যি বিভাগেই বানপানী হোৱা বুলি ৰিপোৰ্ট নিদিয়ক কিয় তেওঁলোকে ডি. চি. বা চিভিল এচ. ডি. অ.ৰ পৰা চাৰ্টিফিকেট দিব লাগে। নহলে পইচা দিয়াত অসুবিধা আছে। মাননীয় বিধায়ক গৰাকীয়ে জানে যে ২ কোটি ৮ লাখ কৰিমগঞ্জত দিয়া হৈছে। তাৰ ভিতৰত ১ কোটি ৮ লাখ টকাৰ কাম কৰা বুলি কৈছে। কিন্তু এজন বিশিষ্ট লোকে অভিযোগ কৰি কলে যে সেই টকাৰ কাম হৈছে নে নাই নেজানো। কিয়নো ফৰেষ্টক কাএ, শিলগুটি আদিৰ বাবদ যি ৰয়েলটি দিব লাগে সেই ৰয়েলটি দিয়া নাই। এই সম্পৰ্কত ডি. চিয়ে যেতিয়া চেক কৰিবলৈ গ'ল তেতিয়া ঠিকাদাৰৰ লগত এজন লোক জড়িত হৈ হাইকোৰ্ট কৰি গোটেই এডকুৱাৰীটো বন্ধ কৰি দিলে। আমি অভিযোগ পালেই অনুসন্ধান কৰিবলৈ দিও। কিন্তু এঙকৱাৰী কৰিবলৈ দিলে ৰাজহ বিভাগৰ এগেইনষ্টে বাতৰি কাকতত বাতৰি পৰিবেশন কৰে। এনেকুৱা ধৰণে ৰাজনৈতিক ভাৱে আমাক এটেক কৰে। এক কোটি আঠ লাখ টকাৰ কাম কৰা বুলি কৈছে কিন্তু ফৰেষ্টৰ ৰয়েলটি দিয়া নাই। তাৰ কাৰণে অনুসন্ধান কৰিবই লাগিব। কিন্তু এতিয়া তেওঁলোকে হাইকোৰ্টলৈ গৈছে।

*ডাঃ অৰ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, এই যিটো টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা বুলি কৈছে এইটো টকা ১৯৯৯-২০০০ চনত পোৱা বুলি কৈছে। এই টকাতো খৰচ কৰা হৈছে নেকি? কাৰণ এইটো যোৱা বছৰৰ টকা।

*ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, খৰচ নকৰি এনেয়েই বহি থাকিম নেকি? এইটো অকল কৰিমগঞ্জৰ কথাই নহয়। এইটো গোটেই অসমৰেই কথা। কেন্দ্ৰীয় চৰকাৰৰ

---

* Speech not corrected

পৰা যিটকা পাইছিলো তাৰ ভিতৰত ৪৩কোটি টকা খৰচ কৰা হৈছে।

*ডাঃ অৰ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, বানপানীত ক্ষতিগ্ৰস্ত বিভিন্ন অঞ্চলত চাই তেনেকুৱা ধৰণে টকা দিম বুলি কোৱা হৈছিল। এই যে টকা দিম বুলি কলে কৰ পৰা টকা দিম মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি ?

*ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে নিজকে জানে যে তেখেত আমাৰ চৰকাৰৰ এগৰাকী বিশিষ্ট মন্ত্ৰী আছিল। কথাটো হৈছে ১০০০ কোটি টকাৰ ভিতৰত ৪৩ কোটি টকাহে খৰচ কৰা হৈছে। বাকীখিনি টকা আছে। এই টকাখিনি মাননীয় বিধায়ক সকলক লাগে বুলিয়েই ৰখাৰ ব্যৱস্থা কৰা হৈছে।

## বিষয় ঃ বানপানীত ক্ষতিগ্ৰস্ত মথাউৰী মেৰামতি।

**শ্ৰীমোহন দাসে সুধিছে ঃ**

*৬৫। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অলপতে হোৱা বানপানীয়ে পহুমৰা নদীৰ পূৱ কলৰ গুৰীত পূৱ ফালৰ মথাউৰিটোৰ এটা অংশ সম্পূৰ্ণ উটুৱাই নিয়াৰ ফলত বজালী অঞ্চলৰ বিস্তৰ ক্ষতি সাধন কৰিলে, এই সম্পৰ্কে চৰকাৰ অৱগতনে ?

(খ) যদি অৱগত, তেনেহলে এই মথাউৰিৰ চিঙি যোৱা অংশটো পুনৰ মেৰামতি কৰাৰ ব্যৱস্থা সোনকালে গ্ৰহণ কৰিবনে ?

**শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, এই সম্পৰ্কে চৰকাৰ অৱগত।

(খ) চিঙি যোৱা অংশটো পুনৰ মেৰামতি কৰাৰ বাবে ৰাজহ বিভাগক আঁচনি দাখিলৰ প্ৰস্তুতি চলাই থকা হৈছে।

* শ্ৰীমোহন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ 'ক' প্ৰশ্নৰ উত্তৰত হয়, এই সম্পৰ্কে অৱগত আৰু 'খ' প্ৰশ্নৰ উত্তৰত চিঙি যোৱা অংশটো পুনৰ মেৰামতি কৰাৰ বাবে ৰাজহ বিভাগক আঁচনি দাখিলৰ

* Speech not corrected

প্ৰস্তুতি চলাই থকা হৈছে বুলি কৈছে। এই অংশটো যোৱা বছৰ প্ৰায় ভাঙো ভাঙো অৱস্থাত আছিল। কিন্তু ৰাইজ আৰু কৰ্ম্মচাৰী বিলাক সহায় সহযোগত যোৱা বছৰ কেনেবাকৈ নভঙাকৈ থাকিল। এই সম্পৰ্কত বান নিয়ন্ত্ৰণ বিভাগক আবেদন জনোৱাত ৬ লাখ টকাৰ অনুদান এটা দিয়া হৈছিল। কিন্তু সেইমতে মথাউৰিতো যিমান ওখ আৰু বহন হব লাগিছিল সিমান ওখ আৰু বহল কৰা নহ'ল। সেই সময়ত সেই মথাউৰিটো ওখ আৰু বহল কৰিব লাগে বুলি আমিও কৈছিলো। তেতিয়া কামখিনি সম্পূৰ্ণ কৰা নাছিল। বিভাগৰ ফালৰ পৰা ইমানখিনি ওখ আৰু বহল কৰা হব বুলি কৈছিল কিন্তু সেইটো কৰা নহ'ল। মোৰ প্ৰশ্নটো হ'ল এই ৬ লাখ টকা তাত খৰচ কৰা হ'ল নেকি আৰু কি কাৰণত কামতো সম্পূৰ্ণ কৰা নহ'ল? এই সম্পৰ্কত মাননীয় মন্ত্ৰী মহোদয়ে ইয়াৰ এটা তদন্ত কৰি বিহিত ব্যৱস্থা লব নেকি? এই কামখিনি ঠিকমতে নকৰাৰ কাৰণেই ৰাইজৰ কোটি কোটি টকা হানি হ'ল। বজালী অঞ্চলৰ খেতি বাতিৰ কথা নকওৱেই, তামোল পানতেই যে কিমান ক্ষতি হ'ল। তামোল পানত বহুত টকা ক্ষতি হ'ল। এইবাৰ বানপানীৰ সময়ত বিভাগীয় ভাৱে যিখিনি তৎপৰতা লব লাগিছিল সেইখিনি লোৱা হোৱা নাছিল। এই সম্পৰ্কত মাননীয় মন্ত্ৰী মহোদয়ে তদন্ত কৰি ইয়াৰ এটা বিহিত ব্যৱস্থা লব নেকি?

***শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে কোৱা হৈছে যে ৩১ জুলাইত নেৰানেপেৰা বৰষুণৰ বাবে পহুমাৰা নদীৰ সেই অংশটো চিঙি যায় আৰু মথাউৰিটো চিঙাৰ পিচত তৎকালীন ভাবে বন্ধ কৰাৰ বাবে এখন আঁচনি ডি.চি.ৰ ওচৰত দিয়া হৈছে। আঁচনি খন হৈছে a scheme has been prepared and the name of this scheme is "North Bank of Pahumara river from Kathalguri to Railway line" সেইখন এখন অস্থায়ী আঁচনি দিয়া হোৱা নাই। সেই আঁচনিখন স্থায়ী ভাৱে প্ৰস্তুত কৰা হৈছে আৰু পৰৱৰ্তী সময়ত কাৰিকৰী উপদেষ্টা সমিতিৰ মিটিংত এই

* Speech not corrected

আঁচনিখন দাখিল কৰা হব। মাননীয় সদস্যজনে ৬ লাখ টকা খৰচ কৰাৰ সম্পৰ্কত যিটো প্ৰশ্ন উত্থাপন কৰিছে সেই ক্ষেত্ৰত এই টকা কেনেকৈ খৰচ কৰা হৈছে তাৰ এটা অনুসন্ধান কৰিম আৰু বিহিত ব্যৱস্থা ল'ম।

***শ্ৰীমোহন দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি ব্যৱস্থা লোৱা হব বুলি কৈছে সেইখিনি ব্যৱস্থা লব। কিন্তু গোটেই পহুমাৰা নদীৰ পৰা ৰেল লাইনলৈকে যি মথাউৰি আছে তাত বিস্তৰ খহনীয়াৰ সৃষ্টি হৈছে। কেইবাখনো ঠাইত ইৰোচনৰ কাৰণে মথাউৰি চিঙো চিঙো অৱস্থা হৈছে। এইটো নিশ্চয় পাৰমেনেন্ট নেচাৰৰ কাম হব। এই ক্ষেত্ৰত বান নিয়ন্ত্ৰণ বিভাগে কি ব্যৱস্থা লব মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি ?

***শ্ৰীপ্ৰমোদ গগৈ (বাননিয়ন্ত্ৰণ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে স্থায়ী ব্যৱস্থা কৰাৰ যিটো কথা কৈছে সেইটো ঠিকেই কৈছে। আমি সেই কাৰণেই চিঙা অংশটো স্থায়ী ভাৱে বন্ধ কৰাৰ কাৰণে এখন আঁচনি প্ৰস্তুত কৰিবলৈ লৈছো আৰু সেই আঁচনিখন টেকনিকেল কমিটিত দাখিল কৰা হৈছে। তাৰ পিচত এই আঁচনিখনৰ ব্যৱস্থা লোৱা হব।

***শ্ৰীমোহন দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে আঁচনি প্ৰস্তুত কৰা বুলি কৈছে সেইটো হয়। পিচত যাতে ধনৰ অভাৱত আঁচনি খন কাৰ্য্যকৰী কৰা নহ'ল বুলি নকয়। যিখিনি টকা দিয়া হৈছিল সেই টকাখিনি সঠিকভাৱে খৰচ কৰি সেই কামখিনি নকৰাৰ কাৰণে কিমান টকা লোকচা হব সেইটো কথা মই কৈছো। গতিকে আঁচনি খন প্ৰস্তুত কৰাৰ লগে লগে প্ৰয়োজনীয় ধন দিয়াৰো যাতে ব্যৱস্থা কৰে তাৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**Mr. Speaker :** Now question no 66 by Sri Kalyan Kr. Gogoi

**বিষয় ঃ ব্ৰহ্মপুত্ৰৰ পৰা খহনীয়াত ভূমিহীন আৰু গৃহহীন পৰিয়াল।**

ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ

* Speech not corrected

✻ ৬৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) যোৱা কেইটা বৰ ধৰি ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াই কিমান পৰিয়ালক ভূমিহীন আৰু গৃহহীন কৰিলে জনাবনে? (১৯৯৬-৯৭, ১৯৯৭-৯৮, ১৯৯৮-৯৯ আৰু ১৯৯৯-২০০০ লৈকে তালিকা সদনৰ মেজত দিবলৈ অনুৰোধ কৰা হ'ল।)

(খ) এই ভূমিহীন পৰিয়ালৰ্বক পুনৰ সংস্থাপন দিয়াৰ কি ব্যৱস্থা লৈছে জনাবনে?

**ডঃ জয়নাথ শৰ্মা (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) যোৱা ১৯৯৬-৯৭, ১৯৯৭-৯৮, ১৯৯৮-৯৯ আৰু ১৯৯৯-২০০০ চনত ব্ৰহ্মপুত্ৰ নদীৰ পৰা খহনীয়াই বৰ্ত্তমানলৈ সৰ্বমুঠ ৩০,৫৮৬ টা পৰিয়ালক ভূমিহীন আৰু গৃহহীন কৰিছে বুলি উপায়ুক্ত আৰু মহকুমাধিপতি সকলৰ পৰা প্ৰতিবেদন পোৱা হৈছে। (তালিকা সংলগ্ন কৰা হ'ল) (See the annexure-II)

(খ) উপায়ুক্ত সকলক পুনৰ সংস্থাপনৰ বাবে প্ৰয়োজনীয় **ব্যৱস্থা** লবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

✻**ডাঃ কল্যাণ কুমাৰ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰত কৈছে, বানপানীত ক্ষতিগ্ৰস্ত হোৱা লোকসকলক পুনৰ সংস্থাপনৰ বাবে উপযুক্ত সকলক প্ৰয়োজনীয় ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিয়া হৈছে। মই জানিব বিচাৰিছো এই পৰিয়াল বৰ্গক পুনৰ সংস্থাপন কৰা হ'ল নে নাই?

✻**ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈকে আমি গোলাঘাট জিলাৰ ৮০ টা, ডিব্ৰুগড় জিলাৰ ৩৪টা, তিনিচুকীয়া জিলাৰ ২৫টা আৰু কামৰূপ জিলাৰ ৪৫টা পৰিয়ালৰ কাৰণে ব্যৱস্থা লোৱা হৈছে বুলি আমাক উপায়ুক্তই জনাইছে।

✻**ডাঃ কল্যাণ কুমাৰ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভূমিহীন লোকসকলক মাটি দিয়াৰ লগতে মাটিৰ পট্টা দিয়া ব্যৱস্থা কৰিছে নেকি? যদি কৰিছে কিমান পৰিয়ালৰ কাৰণে এই ব্যৱস্থা কৰিছে মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে?

---

✻ **Speech not corrected**

***ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে যিসকল ভূমিহীন লোক তেওঁলোকহে মাটি দিব লাগিব। সেইটো কথা নহয়। যিসকল লোকৰ মাটি আৰু গৃহ নাই, তেওঁলোককহে দিব লাগিব। একেই পৰিয়ালক এবিঘা মাটি আৰু ২,৫০০ টকা দিয়া ব্যৱস্থা কৰা হব।

***ডাঃ কল্যাণ কুমাৰ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিসকলক মাটি দিয়া হৈছে তেওঁলোকে ঘৰ বনাবৰ কাৰণে বেঙ্কৰ পৰা লোণ লবলৈ মাটিৰ পট্টা দেখুৱালেহে বেঙ্কৰ লোণ দিয়ে। সেয়েহে মাটি দিয়াৰ লগতে পট্টাখনো দিয়া ব্যৱস্থা কৰিব নেকি?

***ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে মাটিৰ পাৰমিশ্যচন তাৰ ৩ বছৰৰ পিচত পট্টা দিয়াৰ ব্যৱস্থা কৰা হৈছে।

***ডাঃ কল্যাণ কুমাৰ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ডিব্ৰুগড় জিলাত ৩৪ টা পৰিয়াল ১৯৯৬ চনৰ পৰা ২০০০ চনলৈকে বানপানীত আক্ৰান্ত হৈ আছে বুলি জনাইছে। কিন্তু মই বহমৰীয়াত ২০০ টা পৰিয়ালৰ বানপানীত আক্ৰান্ত হৈছে। এই ৩৪টা পৰিয়ালক সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিছে। কিন্তু এই তথ্য ভুল।

***ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এই বিষয়ে আলোচনা কৰিছো। ভূমিহীন আৰু গৃহহীন প্ৰকৃততে হয় নে নহয় চাব লাগিব। তেওঁলোকৰ ঘৰ মাটি আছে নে নাই এইটোও চাব লাগিব। তেখেতে যদিও কথাখিনি কৈছে, আমি তদন্ত কৰিম।

**Re : Cyclone and flood damage people.**

**Shri Abdul Muqtadir Choudhury asked:**

*67. Will the Minister of Revenue be pleased to state:

(a) The extent of damage caused by Cyclone and Flood in 1999-2000 and 2000-2001 in Karimganj District (figure to be shown seperately).

* Speech not corrected

(b) Amount sanctioned for cyclone damage and Flood damage in Karimganj district during the above mentioned years.

(c) Amount paid to each death cases caused by flood during the aforesaid years.

**Dr. Zoii Nath Sarma (Minister, Revenue)** will replied:

(a) 1) Cyclone affected : During 1999-2000 - 418 Nos. of families.

: During 2000-2001 Nil

2. Flood affected : During 1999-2000 - Nil

During 2000-2001 Appx : 1,25,000 Nos of people

b) 1. Govt. has called for a detailed statement indicating damages suffered by each family in the aforesaid cyclone from D. C. karimganj.

2. Relief is extended for flood as per norms of the Govt. which is common to all the districts.

c) No amount paid to the next of kin of deceased who died due to flood, the D.C. Karimganj's formal proposal has not yet been received.

*শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্নটোৰ সঠিক উত্তৰ দিয়া নাই। জিলা উপায়ুক্তই ২০ কুইন্টল খাদ্য সামগ্ৰী বাকীকে আনিছে তাৰ পইচা দিব পৰা নাই। চাৰ, প্ৰত্যেক বছৰে নেচাৰেল কেলামিটি হোৱা আগেয়ে একোখন কমিটি হয়। প্ৰাকৃতিক দুৰ্য্যোগত ভোগা পৰিয়ালৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে?

*ড° জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয়

---

* Speech not corrected

সদস্য গৰাকীয়ে যিটো কথা কৈছে, এই সম্পৰ্কত কিবা প্ৰপজেল আহিছে নেকি চাইছো। জিলা উপায়ুক্তই যিধৰণে প্ৰতিবেদন দিব লাগিছল সেইধৰণে দিয়া নাই । প্ৰতিবেদনত কেৱল পৰিয়ালৰ সংখ্যাহে দিছে কোন কোন পৰিয়াল আছে বিতং তথ্য দিয়া নাই । বানপানীত তিনিজন মানুহ ঢুকাইছে বুলি আমি জানিবলৈ পাইছো। সেই তিনিজনৰ প্ৰত্যেক পৰিয়ালকে ৫০ হেজাৰ টকা দিয়া হব।

***শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তাত এনেকুৱা হৈছে থাকিবলৈ ঘৰ নাই । ঘৰবোৰ ডেমেজ হৈছে। মানুহে খাবলৈ খাদ্য পোৱা নাই। মানুহে ভাবে এম. এল. এ. আছে নে নাই ? চৰকাৰ আছে নে নাই ? ৫০ হেজাৰ টকা দিব বুলি মাননীয় মন্ত্ৰী মহোদয়ে ঘোষণা কৰিছে, আমি শুনি ভাল পাইছো। কিন্তু কথা এটা হ'ল এই বিভাগটোত আয়ুক্ত আছে, সঞ্চালক আছে। মন্ত্ৰী মহোদয়ৰো সময় নাথাকিব পাৰে চাই বুলি অফিচৰ এজন অভিচাৰৰো সেইঠাইলৈ যোৱাৰ সময় নথকাৰো আচৰিত কথা। এই মানুহবোৰৰ কাৰণে অৰ্থাৎ এই সকলৰ কাৰণে কিবা এটা কৰিব।

***ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তিনিজন লোক ঢুকুৱা পৰিয়ালকহে ৫০ হেজাৰকৈ টকা সাহায্য দিয়া হব বুলি কোৱা হৈছে। এতিয়া দেখা গৈছে অসমত কেৱল তিনি জনে নহয় ৩২ জন মান বানপানীত মৃত্যু হৈছে। বানপানীত আক্ৰান্ত হোৱা ভূমি আৰু গৃহহীন লোকক সাহায্য দিবৰ বাবে ১৬ লাখ টকা এই শিতানত ধাৰ্য্য কৰি ৰখা হৈছে। মৃত্যু হোৱা লোক কেইজনৰ পোষ্ট মৰটেম কৰা ৰিপোৰ্টটো আহিব লাগিব। ১ লাখ ২৫ হেজাৰ টকা ৰখা হৈছে বানপানীত মাটি ঘৰ নষ্ট হোৱা লোকসকলক দিবৰ কাৰণে। মানুহ বিলাকে টকা পোৱা উপযুক্ত হয় নে নহয় জিলা উপায়ুক্তৰ পৰা ৰিপোৰ্ট পোৱাৰ পিচতহে আমি টকাটো দিম।

***শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, জিলা উপায়ুক্তৰ পৰা কোনো পইচা দিয়া হোৱা নাই । আপোনালোকে চাৰ্কোলাৰ

---

* Speech not corrected

এখন দিয়ে যদি দিয়ক। জিলা উপায়ুক্তৰ পৰা ৰিপোৰ্ট কেতিয়া আহিব কেতিয়া নাহিব এইবোৰ কৰিবলৈ গলে বহুত দেৰি হব। কমিশ্যনাৰে নিশ্চয় প্লেন কৰিছে। এই যি তিনিজন মানুহ মৃত্যু হৈছে সেইলোক কেইজনৰ পোষ্ট মৰটেম ৰিপোৰ্ট কেতিয়া আহিব ঠিক নাই। নাহিবও পাৰে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে কিবা এটা ব্যৱস্থা কৰিলে ভাল হয়। বানপানী হোৱা অঞ্চলবিলাকত খাদ্য সামগ্ৰী বিলাবৰ কাৰণে ২৫ বা ৩০ কুইন্টল সামগ্ৰী বাকী কৰি ট্ৰাকত উঠাই লৈ আহে যদি মানুহবিলাকে সেইমতে খাবলৈ নাপায়।

**✻ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বানপানীত ভোগ লোকসকলৰ কাৰণে বান সাহায্য দিবৰ কাৰণে ডি. চি., আৰু এচ. ডি. অ'ক বহুতো কতৃত্ব দিয়া আছে। তেওঁলোকে এফ. চি. আই. গুদামৰ পৰা আনি বানপীড়িত লোকসকলৰ মাজত বিলাই দিব পাৰে। ওচৰৰ গাৱঁত যদি কাৰোবাৰ ঘৰত ভড়াল থাকে তাৰ পৰা ধান ৰিকুইজিন কৰিব পাৰে। এনেকৈ খাদ্য সামগ্ৰী সংগ্ৰহ কৰি বিতৰণ কৰিব পাৰে। এই যি ৪১৯১ হেজাৰ পৰিয়ালৰ ক্ষতি হৈছে বুলি কৈছে তেওঁলোকৰ নাম অহা নাই। এই যি ৩টা পৰিয়ালৰ কথা ওলাইছে তেওঁলোকৰ পোষ্ট মৰটেমৰ প্ৰতিবেদন অহা লগে লগে ২৪ ঘন্টাৰ ভিতৰত টকাখিনি দিয়া হব।

**✻শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী** ঃ ৰিপোৰ্ট পাওঁক বা নাপাওঁক এসপ্তাহ বা ১৫ দিনৰ ভিতৰত উপায়ুক্তৰ প্ৰতিবেদন বিচাৰি ব্যৱস্থা লম বুলি কবনে?

**✻ড ঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)** ঃ ৰিপোৰ্ট নাপালে একো কব নোৱাৰো। তিনিজন মানুহ মৰিছে এতিয়া মই নমৰা বুলি কেনেকৈ কম।

**✻শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী** ঃ ৰিপোৰ্ট দিয়া কথা নকব উপায়ুক্ত আপোনালোকৰ তলৰ বিষয়া, সোনকালেই ব্যৱস্থা কৰিম বুলি কওঁক।

**✻ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)** ঃ মই বাৰু উপায়ুক্তৰ লগত কথা পাতিম। তিনিওজনকে ৫০ হাজাৰকৈ টকা দিয়াৰ ব্যৱস্থা কৰিম।

---

✻ Speech not corrected

## বিষয় গুৱাহাটী জেইলৰ শোচনীয় অৱস্থা।

**শ্ৰীপ্ৰণতি ফুকনে সুধিছে ঃ**

*৬৮। মাননীয় কাৰাগাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) গুৱাহাটী জেইলৰ শোচনীয় অৱস্থাৰ সম্পৰ্কে চৰকাৰ অৱগতনে ?

(খ) যদিহে অৱগত ইয়াৰ উন্নয়নৰ বাবে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)** মহোদয়ে উত্তৰ দিছে ঃ

(ক) গুৱাহাটী জেইলৰ বৰ্ত্তমানৰ অৱস্থাৰ কথা চৰকাৰৰ অৱগত।

(খ) জেইলৰ ভিতৰত অধিক দ ঠাইবোৰ পুতি ওখ কৰিবলৈ লোৱা হৈছে। লগতে পানী, শৌচাগাৰ আৰু স্নানাগাৰ আদিৰ সুবিধা সমূহত উন্নীত কৰিবলৈ লোৱা হৈছে।

***শ্ৰীমতী প্ৰণতি ফুকন** ঃ গুৱাহাটী জেইলখন বৰ্ত্তমান স্থানৰ পৰা বেলেগ ঠাইত স্থানান্তৰ কৰাৰ প্ৰস্তাৱ লোৱা বুলি জানিব পাৰিছো। গতিকে কোন ঠাইলৈ স্থানান্তৰ কৰা হ'ব মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাবনে ?

***শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, গুৱাহাটী জেইলখন মই নিজে পৰিদৰ্শন কৰিছো। ইয়াৰ অৱস্থা ভাল নহয়। গতিকে জেইলখন স্থানান্তৰ কৰাৰ ব্যৱস্থা কৰা হৈছে। মহানগৰীখনৰ বা ততালৈ চাই বোন্দা অঞ্চলত এডোখৰ মাটি জৰীপ কৰা হৈছে আৰু অতি সোনকালে তালৈ স্থানান্তৰ কৰা হ'ব।

**Sri Bimolangshu Roy :** May I know from the Hon'ble Chief Minister about/jails because we have also some occassion to visit jails in course of our Assembly Committee inspection. In course of our visit we have seen that the onviet and the under Trials are kept in the same room. This is a gross violation of the jail Manual. Under Trial acquitted during the process of trial. They cannot be kept on the same room. But it is found that

* **Speech not corrected**

the groups are kept separate.

*শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ বিষয়টো আমাৰ অৱগত আমি চাব লাগিব কিন্তু গুৱাহাটী জেইলত প্ৰয়োজনতকৈ বেছি মানুহ আছে। যিমান সোনকালে পৰা যায় স্থানান্তৰৰ ব্যৱস্থা হাতত লবলৈ কোৱা হৈছে।

*শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ গুৱাহাটী জেইলখন স্থানান্তৰ কৰাৰ পাছতেই মাটিখিনি কি কামত ব্যৱহাৰ কৰিম বুলি ভাবিছে?

*শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয় এইটো সময়ত বিবেচনা কৰা হব।

**বিষয় ঃ ৰহমৰীয়া অঞ্চলত গৰাখহনীয়াত ক্ষয়ক্ষতি।**

**শ্ৰীপৃথিৱী মাঝিয়ে সুধিছে ঃ**

*৬৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ডিব্ৰুগড় জিলাৰ ৰহমৰীয়া অঞ্চলত গৰাখহনীয়াৰ প্ৰকোপত কিমান পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে আৰু কিমান ক্ষয়ক্ষতি হৈছে?

(খ) এই ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে নে?

(গ) যদি কৰা হৈছে, কেনে ধৰণে কৰা হৈছে, বিতং ভাৱে জনাবনে?

**ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৬২ টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে।

(খ) হয়, পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে।

(গ) সৰ্বমুঠ ১৬২টা গড়াখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়ালৰ ভিতৰত ১০১টা পৰিয়ালত খহনীয়া পতিত স্থানৰ পৰা তিনি কিঃ মিঃ দূৰত্বত অৱস্থিত চমনী গ্ৰাম্য গোচৰণীয় পথাৰ (V.G.R.) এলেকাত সংস্থাপিত কৰা হৈছে। বাকী ৬১টা পৰিয়ালৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা জিলা প্ৰশাসনে শীঘ্ৰে গ্ৰহণ কৰিব। প্ৰতিটো গড়াখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়ালক আধা বিঘাকৈ মাটি দিয়া হৈছে। ইয়াৰ ৯০ টা পৰিয়ালক ইন্দিৰা আবাস যোজনা আঁচনিৰ

* Speech not corrected

জৰিয়তে একোটাকৈ বাসগৃহ লাহোৱাল খণ্ড উন্নয়নৰ জৰিয়তে আৰু ১৭ টা দমকল জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা প্ৰদান কৰা হৈছে।

***শ্ৰীপৃথিৱী মাঝি** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইযে ১৬২টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে তেওঁলোকৰ ভিতৰতে ১০১টা পৰিয়ালক আধাবিঘাকৈ মাটি দিয়াৰ ব্যৱস্থা কৰা হৈছে। কিন্তু এই পৰিয়াল বিলাক প্ৰকৃততে খেতিয়কলোক। এওঁলোকৰ সমস্ত মাটি ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াত জাহ গৈছে। খেতিবাতি কৰি জীয়াই থকাৰ মাটি বিনে এওঁলোকৰ কোনো উপায় নাই। আধাবিঘা মাটিত তেওঁলোকে খেতি কৰিব নোৱাৰে। গতিকে জীৱিকা নিৰ্বাহৰ কাৰণে তেওঁলোকক বেলেগ ঠাইত হলেও মাটি দিয়াৰ ব্যৱস্থা কৰিবনে?

***ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মই আগতে কৈছো যে পুনৰ সংস্থাপনৰ লগতে মাটি দিব লাগিব বুলি মেনুৱেলত ক্লিয়াৰ নাই। মাটি ক্ষতিগ্ৰস্থ পৰিয়াল সমূহক আধা বিঘা আৰু ২৫০০ টকাকৈ দিয়া হৈছে। ওচৰে পাজৰে যদি মাটি আছে মাননীয় সদস্যগৰাকী নিজে এলএচি বোৰ্ডৰ সদস্য গতিকে তেওঁলোকে তাত প্ৰস্তাৱ অনুমোদন কৰি পঠিয়ালে নিশ্চয় মাটি দিব পাৰিম।

***শ্ৰীপৃথিৱী মাঝি** ঃ ইতিমধ্যে আমি এই পৰিয়াল সমূহক গভনিং বডিৰ সিদ্ধান্ত লৈ আৰু ডিব্ৰুগড় জিলাৰ বিধায়ক সকলক অনুৰোধ কৰি আৱাসগৃহ দিয়াৰ ব্যৱস্থা কৰিছো ৰিলিফ মেনুৱেলত কেনে ধৰণৰ সাহায্যৰ ব্যৱস্থা আছে জনাবনে?

***ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)** ঃ গড়াখহনীয়াত ক্ষতিগ্ৰস্ত লোকক সাহায্য দিয়া হয় আনকি সেই ঠাইৰ পৰা স্থানান্তৰ কৰি বেলেগ ঠাইত দিয়া হয়। ৰহমৰীয়া উচ্চ মাধ্যমিক বিদ্যালয়ক বেলেগ ঠাইত মাটি আৱন্টন দিয়া হৈছে ঠিক তেনেকৈ অন্যান্য অনুষ্ঠানলৈও দিয়া হৈছে। এতিয়া খেতিয়ক সকলৰ কাৰণে যদি ওচৰতে মাটি আছে তেনেহলেক এল এচি বোৰ্ডৰ অনুমোদন লৈ চৰকাৰলৈ পঠিয়ালে আমি মাটি দিয়াত কৃপনালী নকৰো।

---

* Speech not corrected

*শ্ৰীএটু ৱা মুণ্ডা ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীসকলে এই পবিত্ৰ সদনত যিবিলাক উত্তৰ দিয়ে আমি ভাবো সেইবিলাক শুদ্ধ উত্তৰ। মন্ত্ৰী মহোদয়ে ইয়াৰ আগতে কৈছে। ইতিমধ্যে ১০১টা পৰিয়ালক আধাবিঘাকৈ মাটি দিয়া বুলি কৈছে। এনেবোৰ উত্তৰে আমাক বিপাংগুত পেলায়। ৩৪টা পৰিয়াল একেবাৰে ব্ৰহ্মপুত্ৰত জাহ গৈছে গতিকে উত্তৰত বিসংগতি দেখা যায়--

*ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ মাননীয় সদস্য গৰাকী অংকত কেচা আছিল যেন পাওঁ। এই সংখ্যা কেইটা হৈছে বেলেগ বেলেগ বছৰৰ। দুয়োটা যোগ কৰিলে ১৬২ হব।

Question No. 70 to 80 disposed of without supplimentaries

**Re : No. of death cases in recent flood.**

**Shri Nazibul Umar asked :**

***70.** Will the Minister of Revenue be pleased to state:

(a) Is there any death due to flood during the recent wave of flood?

(b) If so, what is the number of such death cases and what is the number in Dhubri district?

(c) What steps have been in giving compensation to their next of kins?

**Dr. Zoii Nath Sarma (Minister Revenue)** will replied:

(a) Yes, 32 due to flood and landslides.

(b) Two numbers death cases due to drawning in flood water have been reported from sub-divisional officer Bilasipara of Dhubri District.

* Speech not corrected

(c) Ex-gratia grant to the next of kins will be paid on receipt of proposals from Deputy Commissioners/Sub-Divisional Officers.

**Re : No. of Flood eroded family.**

**Shri Kaliranjan Deb asked :**

**✻ 71.** Will the Minister of Flood Control be pleased to state :

(a) Whether Government is aware that Jalalpur Bazar and adjucent villages are being heavily eroded by river Boleswar and rendered many people homeless in Cachar district?

(b) If so, what step the Government have taken to protect those places from further erosion?

(c) What step Government have taken to rehabiliatate those person, who have lost their home and health, due to heavy erosion of river Boleswar?

(d) If not, why steps are yet not been taken?

**Shri Pramode Gogoi** (Flood Control Minister) will replied:

(a) Yes.

(b) The Flood Control Department, Govt. of Assam, has been taking steps to protect the eroded reaches of Jalalpur Bazar by providing anti-erosion scheme in phased manner.

(c) As reported by Revenue Department no proposal for rehabilitation of those persons

who have lost their home and health due to heavy erosion of river Boleswar appears to have been received from Deputy Commissioner, Cachar.

(d) As above at (c).

**Re : River Saralbhanga.**

**Smti Pramila Rani Brahma asked :**

***72.** Will the Minister of Flood Control be pleased to state?

(a) Whether it is a fact that the river Saralbhanga has become a sorrow of Kokrajhar District?

(b) If so, whether the Government has taken effective measures to protect most of the effected villages by reconstructing the damage bundh in permanent nature?

(c) Whether the Government has given a positive interest to allot some fund, from the Central Governments aid for Kokrajhar District also?

**Shri Pramode Gogoi** (Flood Control Minister) will replied :

a) It is a fact that the river Saralbhanga has created panic in some parts of Kokrajhar District on its both banks due to unprecedented flood during the month of June and August, 2000.

b) After the sub-sidence of flood the actual assessment of damage will be made and action will be taken accordingly.

c) Yes, one scheme under non-lapsable pool of resources is under execution in Kokrajhar district and fund will be released availability.

বিষয় ঃ শিল আৰু বালি মহলৰ নিবিদা।

**শ্ৰীকুমুদ চন্দ্ৰ দাসে সুধিছে ঃ**

*৭৩। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বন বিভাগৰ মঙ্গলদৈ সংমণ্ডলৰ অধীনত গিতিবাৰী, কালা নং ১, কালা নং ২, আৰু কালা নং৩, শিল আৰু বালিৰ মহলৰ বাবে কোন চনত নিবিদা আহ্বান কৰা হৈছিল জনাবনে?

(খ) নিয়মানুসাৰে কেই বছৰৰ বাবে নিবিদাকাৰীক আবন্টন দিয়া হয় জনাবনে?

**শ্ৰীআমিনুল ইছলাম (ৰাজ্যিক বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বন বিভাগৰ দৰং সংমণ্ডল, মঙ্গলদৈৰ অধীনত গিটিবাৰী কালা নং ১, কালা নং-২ আৰু কালা নং ৩ নামৰ কোনো শিল আৰু বালি মহল নাই। কিন্তু উক্ত সংমণ্ডলৰ অধীনত কালা নদী শিল আৰু বালি মহল নামেৰে এটা মহল আছে। মহলটোৰ যোৱাবাৰৰ কাৰ্য্যকাল ২১-৩-২০০০ তাৰিখে শেষ হবলগীয়া হোৱা বাবে পিচৰ কাৰ্য্যকালৰ বাবে বন সংমণ্ডল প্ৰাধিকাৰীয়ে যোৱা ১৭-১২-৯৯ তাৰিখৰ জাননী যোগে নিবিদা আহ্বান কৰিছিল।

(খ) সাধাৰণতে দুবছৰৰ বাবে।

বিষয় ঃ শিতানৰ ধন আবন্টন।

**শ্ৰীমুনিন মহন্তই সুধিছে ঃ**

*৭৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৰাজহ বিভাগৰ দ্বাৰা শিতানৰ ধন আবন্টন দিয়াৰ নীতি সমূহ জনাবনে?

(খ) এই নীতি সমূহৰ ভিত্তিত বিভিন্ন বিভাগত ধন আবন্টন দিয়া হৈছে নে?

(গ) বানক্ৰান্ত এলেকাৰ বাহিৰত শিতানৰ ধন খৰচ কৰাতো সত্য নেকি ?

(ঘ) যদি সত্য হয়, তেনেহলে সংশ্লিষ্ট বিভাগ আৰু বিষয়া সকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হবনে ?

ডঃ জয়নাথ শৰ্মা (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যিক পৰ্য্যায়ৰ প্ৰাকৃতিক দুৰ্য্যোগ সাহায্য সমিতিৰ অনুমোদন অনুযায়ী শিতানৰ ধন আৱন্টন দিয়া হয়।

(খ) হৈছে।

(গ) সত্য নহয়।

(ঘ) প্ৰশ্ন নুঠে।

## বিষয় ঃ গাওঁবুঢ়া নিযুক্তি।

**শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ**

*৭৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্ত্তমানে কিমান ৰাজহ গাঁও আছে ?

(খ) প্ৰতিখন ৰাজহ গাঁৱত গাঁওবুঢ়া নথকাটো সঁচানে ?

(গ) প্ৰতিখন ৰাজহ গাঁৱতেই একোজনকৈ গাঁওবুঢ়া নিযুক্তি দিয়াৰ আঁচনি আছেনে ?

(ঘ) যদি আছে, উক্ত আঁচনি কাৰ্য্যকৰী কেতিয়া কৰা হব ?

ডঃ জয়নাথ শৰ্মা (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমান ২১,৯৭৪খন ৰাজহ গাঁও আছে।

(খ) সঁচা।

(গ) পৰিতোষিক ভোগী গাওঁবুঢ়া নিযুক্তি দিয়াৰ আঁচনি সদাহতে নাই। কিন্তু প্ৰতিখন ৰাজহ গাঁওত অবৈতনিক গাওঁবুঢ়া নিযুক্তি দিয়াৰ বাবে ব্যৱস্থা লোৱা হৈছে।

(ঘ) বৰ্ত্তমান গাঁওবুঢ়া নথকা ৰাজহ গাঁওত (পাহাৰীয়া জিলা দুখনৰ বাহিৰে) অবৈতনিক গাওঁবুঢ়া নিযুক্তিৰ বাবে উপায়ুক্ত সকললৈ নিৰ্দ্দেশ দিয়া হৈছে।

## Re : Damage of Houses roads etc.

**Shri Bhimananda Tanti** asked :

*76. Will the Minister of Flood Control be pleased to state?

a) Whether Government is aware that Samdhara Gaon, Kurukani, Singituli Gaon, Khaliamari Gaon etc. and Sonajuli grant under Borjuli G.P. were washed away by the recent devasted flood and erosion of Jai Bharali River and Gabharu river and disrupted all communications to central university, Tezpur?

b) If so, how many family houses, bridges and roads have been affected?

c) What the immediate measures taken so far?

d) Whether the Government has taken steps to protect the said rivers from causing flood and erosion?

**Sri Pramode Gogoi** (Minister of Flood Control) will replied :

a) Yes.

b) In recent devastated flood and erosion of river Jia-Bharali 296 Nos. of family houses, 3 Nos. of bridges and 7 Nos. of roads were affected.

c) Due to paucity of fund, so far only temporary palliative measures have been taken.

d) The Flood Control Deptt. has already taken up the following 2 (Two) schemes in case of river Jia-bharali and river Gabharu.

1. Protection of Tarajan Dafalagarh area from the erosion of river Jia-Bharali on L/B Rs. 176.82 L.

2. Closing of broaches of Gabharu embkt. from Kalakuchi to its outfall including Anti-erosion measures at different reaches Rs. 275.00 lakhs.

বিষয় ঃ শিবিৰত থকা শৰণাৰ্থীৰ সংখ্যা।

*৭৭। মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) কোকৰাঝাৰ আৰু বঙাইগাঁও জিলাৰ শৰণাৰ্থী শিবিৰত বৰ্তমান কিমান সংখ্যক শৰণাৰ্থী আছে?

(খ) তেওঁলোকৰ পুনৰ সংস্থাপনৰ কি ব্যৱস্থা লোৱা হৈছে আৰু প্ৰয়োজনীয় খাদ্য দ্ৰব্য যোগান ধৰা হৈছেনে?

(গ) খাদ্য আৰু ঔষধৰ অভাৱত শৰণাৰ্থীৰ মৃত্যু হোৱা কথাটো চৰকাৰৰ অৱগতনে?

(ঘ) শৰণাৰ্থী শিবিৰত থকা কণ কণ ল'ৰা-ছোৱালীৰ শিক্ষা দিয়াৰ কিবা ব্যৱস্থা কৰা হৈছেনে?

**শ্ৰীবিনোদ গোৱালা (সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী)** য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমান কোকৰাঝাৰ জিলাত ২,২৯,৬৯৯ জন আৰু বঙাইগাঁও জিলাত ২৯৮ জন শৰণাৰ্থী আশ্ৰয় শিবিৰত আছে।

(খ) পুনৰ সংস্থাপনৰ ব্যৱস্থা ইতিমধ্যে হাতত লোৱা হৈছে। এতিয়ালৈ কোকৰাঝাৰ জিলাত ৭৬১ টা পৰিয়ালক ১০,০০০কৈ টকা দি পুনৰ সংস্থাপন কৰা হৈছে আৰু বঙাইগাঁও জিলাত বাকী থকা ৬০টা পৰিয়ালক পুনৰ সংস্থাপনৰ বাবে প্ৰতি পৰিয়ালক ১০,০০০টকাকৈ মুঠ ৬,০০,০০০টকা ইতিমধ্যে মোকলাই দিয়া হৈছে। শৰণাৰ্থী সকলক খাদ্যদ্ৰব্য যোগান ধৰা হৈ আছে।

(গ) এতিয়ালৈকে খাদ্য আৰু ঔষধৰ অভাৱত কোনো শৰণাৰ্থীৰ মৃত্যু হোৱা বুলি চৰকাৰ অৱগত নহয়।

(ঘ) স্বেচ্ছাসেৱী সংগঠনৰ দ্বাৰা আশ্ৰয় শিবিৰবোৰত কণ কণ ল'ৰা-

ছোৱালীবোৰক শিক্ষা দিয়া হৈ আছে আৰু চৰকাৰৰ ফালৰ পৰা স্কুল ঘৰ আদি নিৰ্মাণ কৰি দিয়া হৈছে।

**বিষয় ঃ বানপানী ৰোধৰ ব্যৱস্থা।**

**ডঃ মনোৰঞ্জন দাসে সুধিছে ঃ**

*৭৮। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অলপতে অসমৰ কেবাখনো জিলাত হৈ যোৱা বানপানী ৰোধ কৰিবৰ বাবে বান নিয়ন্ত্ৰণ বিভাগে কি আগতীয়া ব্যৱস্থা লৈছিল?

(খ) যদি আগতীয়া ব্যৱস্থা লৈছিল তেতিয়াহলে দুৰ্বল আৰু আধা চিঙা মথাউৰীবোৰ মেৰামতি কৰা হৈছিলনে?

(গ) এতিয়াও ভবানীপুৰ সমষ্টিত পহুমাৰা নদীৰ মথাউৰিৰ ৯ ঠাইত হৈ থকা বিপদজনক অৱস্থা দূৰ কৰাৰ বাবে কিয় ব্যৱস্থা লোৱা হোৱা নাই?

(ঘ) যিকোনো মুহূৰ্ত্ততে টকাৰ অভাৱ দেখুৱাই অহা এই বান নিয়ন্ত্ৰণ বিভাগটি কিদৰে চলিছে বা ভৱিষ্যতে কি কৰিব আমাক জনাবনে?

**শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)** য়ে উত্তৰ দিছে ঃ

(ক) বানপানী প্ৰতিৰোধৰ আগতীয়া ব্যৱস্থা হিচাবে ৰাজ্যখনৰ নদীসমূহৰ মথাউৰিৰ অতি দূৰ্বল অংশ (Most Vulnerable reach) সমূহ চিনাক্ত কৰি উক্ত স্থানসমূহত বান প্ৰতিৰোধৰ সামগ্ৰী যেনে ঃ চিমেন্টৰ খালী বস্তা, মাটিৰ দম, বাঁহ, তাৰ ইত্যাদি সংগ্ৰহ কৰি তাৎক্ষণিক প্ৰয়োজনীয় ব্যৱস্থাৰ বাবে মজুত কৰি ৰখা হৈছিল।

(খ) হয়, মথাউৰি সমূহৰ অতিদুৰ্বল আৰু আধা চিঙা অংশসমূহত মাটিৰ বস্তা, বাঁহৰ বুৰুজ আদিৰে বিভাগৰ সীমিত পুঁজিৰ আবন্টন সাপেক্ষে মেৰামতি কৰা হৈছিল।

(গ) পহুমৰা নদীৰ মথাউৰিৰ বিপদজনক অৱস্থা দূৰ কৰাৰ বাবে

বান ক্ষতিগ্ৰস্ত মেৰামতি (Flood damage Repair) শিতানত আঁচনি প্ৰস্তুত কৰণৰ কাম চলি আছে আৰু ৰাজহ বিভাগৰ পৰা এই আঁচনি সমূহৰ অনুমোদন সাপেক্ষে যথাবিহিত ব্যৱস্থা লব পৰা হব।

(ঘ) বিত্তীয় পৰিস্থিতিৰ উন্নতি সাপেক্ষে বাননিয়ন্ত্ৰণৰ ফলপ্ৰসু ব্যৱস্থা হাতত লব পৰা হব বুলি আশা কৰা হৈছে।

**বিষয় ঃ গৃহহীন পৰিয়ালৰ সংখ্যা।**

**শ্ৰীদেৱকান্ত ৰামচিয়াৰীয়ে সুধিছে ঃ**

*৭৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) যোৱা প্ৰলংকাৰী বানত ওদালগুৰি সমষ্টিৰ অন্তৰ্গত কিমানটা পৰিয়াল গৃহহীন হ'ল মন্ত্ৰী মহোদয়ে জনাবনে?

(খ) বানত গৃহহাৰা হোৱা পৰিয়াল কেইটিক অতি সোনকালে পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিবনে?

**ডঃ জয়নাথ শৰ্মা (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১১০টা পৰিয়াল গৃহহীন হৈছে।

(খ) প্ৰাপ্ত তথ্য অনুসৰি দৰং জিলাৰ উপায়ুক্তই এই সংক্ৰান্তত আৱশ্যকীয় ব্যৱস্থা লৈ আছে।

**Re. Financial allocation to Blocks.**

**Shri Andrias Hojowary asked :**

***80.** Will the Minister of Border Areas Development be pleased to state?

(a) Has there been any financial allocation from Govt. Department for the previous and current funancial year against the following two Blocks (Dev.).

1. Sidli Dev. Block?

2. Boro Bazar Block?

(b) If so, how much? If not, why?

**Shri Binod Gowala (Minister of Border Areas)** will replied :

(a) Yes, inrespect of Boro Bazar Block only.

(b) Schemes worth Rs. 40.50 lakhs (Rupees Forty lakhs and fifty thousand) have been sanctioned for implementation under Boarder Areas Development Programme under cent percent Special Central Assistance (BADP-SCA) 1999-2000 during the current year. Such schemes in Bhutan Border under BADP-SCA were not taken prior to 1999-2000.

Sidli Development Block is not an approved Border Block for Border Areas Development Programme under special Central Assistance in Indo-Bhutan Border.

Schemes of 2000-2001 are yet to be sanctioned.

## SHORT NOTICE QUESTION AND ANSWERS

### বিষয় ঃ চমু জাননী প্ৰশ্ন

**শ্ৰীশুকুৰ আলীয়ে সুধিছে ঃ**

১। প্ৰশ্ন ঃ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমত হৈ যোৱা বানপানীত কিমানটা পকী দলং উঠি গৈছে?

(খ) বিশ্ব বেংকৰ অৰ্থ সাহায্যত নিৰ্মাণ কৰা খনতলী ছমৰীয়া পথৰ এখন পকী দলং বানপানীয়ে উঠাই নিয়াটো সঁচানে? যদি সঁচা তেন্তে উক্ত পকী দলংৰ পুনৰ নিৰ্মাণৰ কাম চলিত বছৰত কৰা হবনে?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (গড়কাপ্তানী বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছেঃ**

(ক) বিশ্ব বেংকৰ অৰ্থ সাহায্যৰ নিৰ্ম্মিত হোৱা এখন পকী দলংৰ বাহিৰে গড় কাপ্তানী (পথ) বিভাগৰ আন কোনো পকী দলং বানপানীত উটি যোৱা নাই।

(খ) হয় সঁচা, বানপানী কমি যোৱাৰ পিছতেই Hydrologicl data সংগ্ৰহ কৰি বিশ্ব বেংকৰ অনুমোদন লৈ দলংখনৰ পুনৰ নিৰ্ম্মাণৰ কাম কৰিব পৰা যাব। অৱশ্যে চলিত বছৰত দলংখনৰ পুনৰ নিৰ্ম্মাণৰ কাম কৰাটো নিৰ্ভৰ কৰে বান নিয়ন্ত্ৰণ বিভাগৰ দ্বাৰা মথাউৰিৰ ভঙা অংশটো নিৰ্ম্মাণ কৰাৰ ওপৰত।

**বিষয় ঃ তাকৰীয়া সময়ৰ জাননী প্ৰশ্ন।**

**শ্ৰীশুকুৰ আলীয়ে সুধিছে ঃ**

২। মাননীয় জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জনস্বাস্থ্য কাৰিকৰী বিভাগে কোনো ধৰণৰ বিজ্ঞাপন, সাক্ষাৎকাৰ নোহোৱাকৈ আৰু নিযুক্তি বন্ধ থকা সময়ত তেৰজন নিম্নবৰ্গৰ সহায়ক নিযুক্তি দিয়াটো সঁচানে?

(খ) যদি সঁচা, তেন্তে উক্ত নিযুক্তি অবৈধনে? যদি অবৈধ তেন্তে চৰকাৰে কি ব্যৱস্থা লৈছে?

**শ্ৰীউৎপল দত্ত (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ)**য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) অবৈধ নহয়। চৰকাৰী নিৰ্দ্দেশৰ পৰিপ্ৰেক্ষিতত নিযুক্তি দিয়া হৈছে।

**বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।**

**শ্ৰী শুকুৰ আলীয়ে সুধিছে ঃ**

৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ৰাজ্যখনত হৈ যোৱা বানপানীত কৃষি ক্ষেত্ৰত ক্ষয়ক্ষতিৰ পৰিমাণ কিমান?

(খ) বানাক্ৰান্ত অঞ্চলত ৰবি শষ্য কৰাৰ বাবে চৰকাৰে খেতিয়ক সকলক সাহায্য কৰাৰ আঁচনি লৈছেনে?

(গ) যদি লৈছে তেন্তে কেনে ধৰণৰ আঁচনি লৈছে?

**শ্ৰীযুত চন্দ্ৰমোহন পাটোৱাৰী (কৃষি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ**

(ক) চলিত কৃষিবৰ্ষত যোৱা জুন মাহৰ পৰা আৰম্ভ কৰি আগষ্ট মাহলৈ অসমত বানপানীয়ে কেইবাবাৰো পথাৰৰ শষ্যৰ ক্ষতিসাধন কৰে। বছৰটোৰ প্ৰথম আৰু দ্বিতীয় বানত শষ্যৰ ক্ষতিৰ পৰিসংখ্যা তলত দিয়া হ'ল।

| | প্ৰথম বান | দ্বিতীয় বান | মুঠ |
|---|---|---|---|
| ১। ক্ষতিগ্ৰস্ত গাঁৱৰ সংখ্যা | ৩২৪৯ | ৫৯৭৭ | ৯২২৬ |
| ২। ক্ষতিগ্ৰস্ত কৃষক পৰিয়াল | ২,০২,৪৫১ | ৫৭১৫০১ | ৭৭৩৯৫২ |
| ৩। ক্ষতিগ্ৰস্ত শষ্যৰ মাটিকালি (হেক্টাৰ হিচাপত) | ১০৪৬০০ | ২৪৫০৭৩ | ৩৪৯৬৭৩ |
| ৪। ক্ষতিগ্ৰস্ত শষ্যৰ আনুমানিক মূল্য (কোটি টকা হিচাপত) | ৯৫.৬৬ | ৩০৩.৪০ | ৩৯৯.০৬ |

(খ) হয়, লোৱা হৈছে।

(গ) ইতিমধ্যে কৃষি বিভাগে বানাক্ৰান্ত অঞ্চলৰ ক্ষতিগ্ৰস্ত কৃষক সকলৰ মাজত বিনামূলীয়াকৈ শস্যৰ বীজ বিতৰণ কৰাৰ অৰ্থে মুঠ ১৬.২২ কোটি টকাৰ এখন সম্ভাব্যআঁচনি তৈয়াৰ কৰি ৰাজহ বিভাগৰ ওপৰত দাখিল কৰিছে। ইয়াৰ ভিতৰত ৰবি শস্যৰ বীজ বিতৰণ কৰাৰ বাবে মুঠ ৮.১২ কোটি টকা, ট্ৰেক্টৰাইজেচনৰ বাবে ১.৫০ কোটি টকা, শস্য সংৰক্ষণৰ বাবে ০.৩০ কোটি টকা আৰু বালি পোত যোৱা শস্যৰ পথাৰৰ পৰা বালি আতৰোৱাৰ বাবে ১.৫০ কোটি টকা মুঠ ১১.৪২ কোটি টকা আঁচনিত ধৰা হৈছে. ৰাজহ বিভাগৰ অনুমোদন সাপেক্ষে উক্ত আঁচনিখন ৰূপায়িত কৰিব পৰা যাব।

## বিষয়ঃ ১০০খন বিচনাযুক্ত চিকিৎসালয়।

**শ্ৰীযোগেশ্বৰ দলেয়ে সুধিছেঃ**

৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) মাজুলীৰ গড়মুৰত অৰ্ধনিৰ্মিত হৈ থকা, ১০০খন বিচনাযুক্ত চিকিৎসালয়খনৰ কাম কেতিয়াৰ পৰা পুনৰ আৰম্ভ কৰিম বুলি ভাবিছে?

(খ) এই ক্ষেত্ৰত বৰ্ত্তমানলৈকে চৰকাৰে কেনে ধৰণৰ ব্যৱস্থাৱলী গ্ৰহণ কৰিছে?

**ডাঃ কমলা কান্ত কলিতা (স্বাস্থ্য আৰু পৰিয়াল কল্যান মন্ত্ৰী)য়ে** উত্তৰ দিছে ঃ

(ক) মাজুলীৰ গড়মুৰত অৰ্ধনিৰ্মিত হৈ থকা চিকিৎসালয়খন অগ্ৰাধিকাৰ ভিত্তিত নিৰ্মাণ কৰি উলিয়াবলৈ প্ৰচেষ্টা লোৱা হ'ব।

(খ) প্ৰয়োজনীয় ধন সংগ্ৰহৰ বাবে চৰকাৰে ব্যৱস্থা হাতত লৈছে।

## তাকৰীয়া সময়ৰ প্ৰশ্ন নং ৬ৰ উত্তৰ

৬। মাননীয় মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তদেৱে উত্তৰ দিছে ঃ

(ক) ১৯৯১ চনৰ পৰা ১৯৯৬ চনৰ ১৪ মেলৈকে অসমত ১৭৩ (এশ তেসত্তৰ) জন ব্যক্তি গোষ্ঠীগত সংঘৰ্ষত নিহত হৈছিল।

জিলা ভিত্তিত নিহতৰ সংখ্যা

| | |
|---|---|
| **১৯৯১-১৯৯২ চনত** | নাই |
| **১৯৯৩ চনত** | |
| ১। কোকৰাঝাৰ | ৫৬ জন |
| ২। বঙাইগাঁও | |
| **১৯৯৪ চনত** | |
| ১। কোকৰাঝাৰ | ২২ জন |
| ২। বৰপেটা | ৯১ জন |
| **১৯৯৫ চনত** | নাই |
| **১৯৯৬ চনত (১৪ মেলৈকে)** | |
| ১। কোকৰাঝাৰ | ৪ জন |

(খ) নিহত ব্যক্তিসকলৰ ভিতৰত

| | |
|---|---|
| ১। মুছলমান সম্প্ৰদায়ৰ | ১৫২ জন |
| ২। বঙালী হিন্দু সম্প্ৰদায়ৰ | ৪ জন |
| ৩। বড়ো সম্প্ৰদায়ৰ | ১ জন |
| ৪। আদিবাসী সম্প্ৰদায়ৰ | ১ জন |

৫। অচিনাক্ত ব্যক্তি ৭ জন

বিঃ দ্রঃ উক্ত বড়ো ৯ জনৰ ভিতৰত পুলিচ আৰু অৰ্দ্ধ সামৰিক বাহিনীয়ে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কৰা গুলিচালনাত নিহত ৭ জন বড়ো দুস্কৃতিকাৰীৰ সংখ্যা অৰ্ন্তভূক্ত আছে।

(গ) উক্ত গোষ্ঠীগত সংঘৰ্ষৰ ফলত মুঠ ১২,৯৭৩ জন ব্যক্তি গৃহহীন হৈছে।

১৯১৩ চনত:

| | |
|---|---|
| ১। কোকৰাঝাৰ জিলাত: | ৩,৫৬৮ জন |
| ২। বঙাইগাঁও জিলাত: | ১,৬৩২ জন |
| **১৯৯৪ চনত** | |
| ১। কোকৰাঝাৰ জিলাত: | ৭৯২ জন |
| ২। বৰপেটা জিলাত: | ৬,৯৮১ জন |
| **১৯৯৬ চনত** | |
| ১৪ মেলৈকে | নাই |

(ঘ) হয়। উক্ত গৃহহীন ব্যক্তিসকলে জিলা প্ৰশাসন প্ৰতিষ্ঠা কৰা বিভিন্ন আশ্ৰয় শিবিৰত আশ্ৰয় লৈছিল। ক্ষতিগ্ৰস্ত মুঠ ২,২৯,৮৬৫ জন ব্যক্তি বঙাইগাঁও জিলাৰ ১০টা আৰু কোকৰাঝাৰ জিলাৰ ৬৬টা আশ্ৰয় শিবিৰত আশ্ৰয় লৈ আছিল।

(ঙ) উক্ত লোকসকলৰ ভৰণ-পোষণৰ বাবে দৈনিক ১৪,৭২,২৯৭.০০ টকা খৰচ হৈছিল। বৰ্ত্তমান মাত্ৰ এটা শিবিৰত ১৯৯৩ চনৰ সংঘৰ্ষৰ ৬৭৫ জন ব্যক্তি আছে আৰু তেওঁলোকৰ কাৰণে দৈনিক খৰচ হয় ৪৫০০.০০ টকা।

হ্ৰস্বসময়কালীন প্ৰশ্ন ১, ২, ৩, ৪, ৬ কোনোটোতে পৰিপূৰক প্ৰশ্ন নাই।

## বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

**শ্ৰীযোগেশ্বৰ দলেই সুধিছে ঃ-**

৭। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) মাজুলী গড়াখহনীয়া তথা সুৰক্ষাৰ বাবে বিগত সময়ছোৱাত বাননিয়ন্ত্ৰণ বিভাগে গ্ৰহণ কৰা আঁচনি সমূহৰ বিষয়ে অনুগ্ৰহ কৰি জনাবনে?

(খ) যদি এই ক্ষেত্রত বিশেষ কোনো স্পাৰ নিৰ্মাণৰ কথা ভবা হৈছে সেই প্ৰক্ৰিয়া কিমানদূৰ আগবাঢ়িছে।

**শ্ৰীপ্ৰমোদ গগৈ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বিগত ১৯৯৫-৯৬ ৰ পৰা ১৯৯৯-২০০০ বিত্তীয় বৰ্ষলৈ বিভিন্ন শিতানত মাজুলীৰ গড়াখহনীয়াতথা সুৰক্ষাৰ বাবে মুঠ ৯৫ খন আঁচনি যুগুত কৰা হৈছে।

১। ৰাজ্যিক পৰিকল্পনা (সাধাৰণ) শিতান (State Plan) ১২ খন

২। কেন্দ্ৰীয় ঋণ সাহাৰ্য্য শিতান(C.L.A.) ১ খন

৩। Non-Lapsable Central Pool of Resources plan ২ খন

তাৰোপৰি F.D.R.-2245 শিতানত ১৯৯৬-৯৭ চনৰ পৰা ১৯৯৯-২০০০ চনলৈ মুঠ ১৪ খন আঁচনি ৰূপায়ণ কৰা হয়।

(খ) কানিয়া জানত ২৯৫ মিটাৰ দৈৰ্ঘ্যৰ এটা Check dam, boulder armouring ৰ সৈতে নিৰ্মাণ কৰিবলৈ আঁচনি হাতত লোৱা হৈছে। দক্ষিণপাট (চুমইমাৰী)ত থকা Check dam ৰ মূৰটো (Nose portion) armouring কৰাৰ ব্যৱস্থা কৰা হৈছে। তাৰোপৰি Centrally sponsored scheme for 2000-2001 বাৰ্ষিক পৰিকল্পনাত 'হালধীবাৰী বেছামৰা' ব্ৰহ্মপুত্ৰ বান্ধৰ ১৩৩০ মিটাৰত এটা check dam (with boulder armouring) নিৰ্মাণৰ বাবে আঁচনি এখন অন্তৰ্ভূক্ত কৰা হৈছে।

## বিষয় ঃ অবৈধ নিযুক্তি।

**শ্ৰীযোগেশ্বৰ দলেই সুধিছে ঃ**

৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম চৰকাৰৰ নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে বন্ধ থকা সময়ছোৱাত মাজুলীত প্ৰায় শতাধিক প্ৰাৰ্থীয়ে প্ৰাথমিক আৰু মধ্য অসমীয়া (M. V. School) বিদ্যালয়সমূহত নিযুক্তি লাভ কৰিছে। এই সম্পৰ্কত শিক্ষা বিভাগ সম্পূৰ্ণৰূপে অৱগত নে?

(খ) এই নিযুক্তিসমূহৰ ক্ষেত্ৰত শিক্ষা বিভাগে কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে জনাবনে?

(গ) এই ভূৱা নিযুক্তি সমূহ সম্পূৰ্ণৰূপে বাতিল হ'বনে?

**শ্ৰীথানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসম চৰকাৰৰ নিযুক্তি প্ৰক্ৰিয়া বন্ধ থকা অৱস্থাত মাজুলীৰ কিছু সংখ্যক শিক্ষকক নিযুক্তি দিয়া কথাটো ২০০০ চনৰ জুন মাহত চৰকাৰ অৱগত হয়।

(খ) সঞ্চালকৰ প্ৰতিবেদন মতে এগৰাকী উপ-সঞ্চালক আৰু মাজুলীৰ বিদ্যালয় সমূহৰ উপ-পৰিদৰ্শক গৰাকীয়ে বিষয়টো তদন্ত কৰে। তদন্তৰ ফলস্বৰূপে কিছু সংখ্যক ভুৱা নিযুক্তি হোৱা কথাটো ওলাই পৰে। তদন্ত এতিয়াও চলি আছে। ইতিমধ্যে এখন মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু এখন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকক কামৰ পৰা নিলম্বিত কৰা হৈছে। ২০ গৰাকী অবৈধভাৱে নিযুক্তি পোৱা শিক্ষকৰ নিযুক্তি বাতিল কৰা হৈছে।

(গ) তদন্তক্ৰমে পোৱা অবৈধ নিযুক্তি সমূহ বাতিল কৰা হ'ব।

## বিষয় ঃ কণিষ্ঠ মহাবিদ্যালয়।

**শ্ৰীযোগেশ্বৰ দলেই সুধিছে ঃ**

৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ১৯৮৬ চনতে দক্ষিণ ভাৰতবৰ্ষৰ ৰাজ্যৰ আৰ্হিত স্থাপন হোৱা অসমৰ কণিষ্ঠ মহাবিদ্যালয়সমূহৰ ক্ষেত্ৰত আজি ১৪ বছৰেও চৰকাৰী স্বীকৃতিৰ ক্ষেত্ৰত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰা কাৰণ কি?

(খ) চলিত বৰ্ষত কণিষ্ঠ মহাবিদ্যালয়সমূহ ঘাটি মঞ্জুৰী নাইবা প্ৰাদেশীকৃত কৰাৰ বাবে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি?

**শ্ৰীথানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমত স্থাপন কৰা কণিষ্ঠ মহাবিদ্যালয়সমূহৰ ৮৭খন কণিষ্ঠ মহাবিদ্যালয় ইতিমধ্যে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা স্বীকৃতপ্ৰাপ্ত হৈছে।

(খ) চলিত বৰ্ষত ৪৮ খন কণিষ্ঠ মহাবিদ্যালয় ঘাটি মঞ্জুৰী প্ৰাপ্তৰ অধীনলৈ অনাৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰি থকা হৈছে।

বিষয় ঃ শিতানৰ টকা।

শ্ৰীপ্ৰদ্যুত বৰদলৈয়ে সুধিছে ঃ

৬৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ৰাজহ বিভাগে ১৯৯৮-৯৯ চনত আৰু ১৯৯৯-২০০০ চনত F.D.R.ৰ শিতানত কোন কোন জিলাত কিমান টকা মুকলি কৰি দিছিল? (তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) এই টকাৰে জিলাবিলাকৰ কোন কোন ঠাইত জিলাধিপতি সকলে কাম কৰিছে বা কৰিছিল বিতং তথ্য দাঙি ধৰিব?

ডঃ জয়নাথ শৰ্মা (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে

(ক) ১৯৯৮-৯৯ আৰু ১৯৯৯-২০০০ চনত F.B.E.R.D. শিতানত ৰাজহ বিভাগে কোনো টকা জিলা ভিত্তিত মুকলি কৰি দিয়া নাই। সংশ্লিষ্ট বিভাগবোৰকহে টকাৰ আৱন্টন দিয়া হৈছিল। (তালিকা সদনৰ মেজত দাখিল কৰা হ'ল) [See the Annexure-III]

(খ) সংশ্লিষ্ট বিভাগ বিলাকেহে কামবিলাক কৰিছিল, জিলাধিপতি সকলে নহয়। বিভাগ বিলাকৰ পৰা কামৰ সমূহ বিতং তথ্য এতিয়াও পোৱা হোৱা নাই।

**Re : Occupation by Silchar Districts Bar Association**

**Shri Bimolangshu Roy asked :**

70. Will the Minister of Revenue be pleased to state:

a) Is it a fact 11K.13.Ch.10 goudas of land are in occupation of Silchar District Bar Association since 1874 by constructing permanent building and the land was also formally handed over by the Govt. in terms of Govt. Order No. RSS. 9/92/35 dated 22-2-94 on 6-10-94 but no patta could be formally issued in favour of Association for inability of the Association to pay premium money?

b) Will the Government consider issuance of patta

without premium in the public interest and thereby to earn annual revenue?

**Dr. Zoii Nath Sarma (Minister, Revenue)** replied :

a) It is a fact that a plot of land measuring 10K-2ch. 5 gonda covered by 2nd R.S. Dag No. 2576 of porgona-Barakpar and Mouza Silchar town under sadar Revenue Circle was allotted in the name of Dist. Bar Association, Silchar but not 11K-13Ch-10 gonda as asked. Land records have been corrected and the Bar Association has been holding possession of the land since long back but due to non-payment of necessary premium patta has not been issued.

b) As per rule payment of premium is compulsory for issuance of patta.

**Re. Construction of new Judicial Court.**

**Shri Mission Ranjan Das asked :**

71. Will the Minister of Law be pleased to state:

a) Whether the Government has taken any step to construct new Judicial Court Building in Karimganj district?

b) If yes, where it will be constructed and when, give in details?

**Shri P. K. Mahanta, (Chief Minister)** Assam, replied

a) Yes, Govt. has taken step to construct a 3 (three) storied R.C.C. Higher Court Building at Karimganj.

b) The construction of the said Higher Court Building at Karimganj has been entrusted to the

State Public Works Department. The state P.W.D. has already issued formal work order to the Contractor on 25-8-2000. It is expected that the construction works will start soon.

**Re : Tourist centre at Sonbil Kalibari Bazar in Karimganj District**

**Shri Sambhu Sing Mallah asked :**

**72.** Will the Minister of Tourism be pleased to state :

a) What action has been taken by the Director, Tourism, Assam. Guwahati-1 on the letter of the under Secretary to the Govt. of Assam. Tourism Department vide No. TSM. 16/98/65 dtd. 6.3.2000 regarding Development of Sonbil Kalibari Bazar into a Tourism Centre?

b) Whether any high power Team of experts has visited the spot of Sonbil? If yes, when?

c) Whether, State Govt. has already submitted proposal to the Govt. of India, Ministry of Tourism for placing of fund?

d) If yes, when? (Please furnish a copy of communication) If not, why?

**Shri Jagadish Bhuyan (Minister of State, Tourism)** will replied

a) On the basis of the communication from the Department of Tourism, the Director of Tourism, Assam had requested the Managing Director, Assam Tourism Development Corporation Ltd. to submit a project report for development of Sonbil Kalibari Bazar into a tourist Report.

b) As yet no High Power Team of experts has visited the spot of Sonbil.

c) & d) The State Govt. has submitted a proposal to the Ministry of Tourism, Govt. of India on 24th July, 2000 for prioritisation of Central Sector Schemes which includes development of Sonbil, Kalibari Bazar, Karimganj into a Tourist Centre during the current year, 2000-2001.

## বিষয় ঃ মাটি আৱন্টন ও পট্টন।

শ্ৰীঅতুল বৰাই সুধিছে ঃ

৭৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) গুৱাহাটী মহানগৰ আৰু অসমৰ বিভিন্ন জিলাত ১৫-৫-৯৬ চনৰ পৰা আজি পৰ্য্যন্ত কিমান কিমান বিঘা মাটি কিমান ব্যক্তিগতলোকক, ব্যক্তিগত প্ৰতিষ্ঠান অনুষ্ঠান, ৰাজহুৱা অনুষ্ঠানক আৰু চাহ বাগিচা সমূহক আৱন্টন অথবা পট্টন দিছে লিখিতভাৱে সদনৰ মেজত দাখিল কৰিবনে?

(খ) আপুনি নিজে সভাপতি, কাৰ্য্যকৰী সভাপতি অথবা সদস্য হৈ থকা কিমান অনুষ্ঠানক মাটি আৱন্টন দিছে জনাবনে?

(গ) নৱজ্যোতি গ্ৰামীন উন্নয়ন পৰিষদ, মঙ্গলদৈ কম্পিউটাৰ চেন্টাৰ, নেৰিম আদি অনুস্থানক কত কত কিমান বিঘাকৈ মাটি আৱন্টন দিছে জনাবনে?

ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে

(ক) এতিয়ালৈ পোৱা তথ্যমতে ১৫-৫-৯৬ তাৰিখৰ পৰা আজি পৰ্য্যন্ত গুৱাহাটী মহানগৰ আৰু অসমৰ জিলা সমূহত ব্যক্তিগত লোক, ব্যক্তিগত প্ৰতিষ্ঠান, অনুস্থান, ৰাজহুৱা অনুস্থান আৰু চাহ বাগিছা সমূহক আৱন্টন অতবা পট্টন দিয়া মাটিৰ পৰিমাণ আৰু সংখ্যা তলত দিয়া হ'ল।

(খ) / (গ) যিহেতু মই জিলা আৰু ৰাজ্যিক পৰ্য্যায়ৰ বহু অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জৰিত, সেয়ে তেনে কোন কোন অনুষ্ঠানক ক'ত কিমান মাটি আৱন্টন দিয়া হৈছে তাৰ তথ্য জিলা সমূহৰ পৰা বিচৰা হৈছে।

| নাম | ব্যক্তিগত লোক | | ব্যক্তিগত প্ৰতিষ্ঠান | | ৰাজহুৱা অনুষ্ঠান | | চাহ বাগিছা | |
|---|---|---|---|---|---|---|---|---|
| | মাটিৰ পৰিমাণ | সংখ্যা | মাটিৰ পৰিমাণ | সংখ্যা | মাটিৰ পৰিমাণ | সংখ্যা | মাটিৰ পৰিমাণ | সংখ্যা |
| গুৱাহাটী মহানগৰ | ১০২ বিঘা | ২৯২ | ৮২ বিঘা | ৮ | ২৪৩ বিঘা | ২৫ | নাই | |
| কামৰূপ | ১৬০৬ বিঘা | ৫৬০ | ১২৮ বিঘা | ৫ | ২০১১ বিঘা | ৩৯ | নাই | |
| (গুৱাহাটী মহানগৰৰ বাহিৰে) | | | | | | | | |
| নলবাৰী | ১০ লেচা | ১ | --- | --- | ১৫৬ বিঘা | ২৩ | নাই | |
| শোণিতপুৰ | ৩৬ বিঘা | ১১ | | ৮৭৬ বিঘা | ৭৪ | ৯০ বিঘা | ২ | |
| গোৱালপাৰা | ৫ বিঘা | ১ | - | | ৩,০৭৫ বিঘা | জ্ঞ | | |
| তিনিচুকীয়া | ৬৮৬ বিঘা | ৭০৫ | | | ৫৬২ বিঘা | ৬১ | ৪২৬ বিঘা | ১১ |
| ডিব্ৰুগড় | ১৪৬৬ বিঘা | | ৫১ বিঘা | | ১১৮ বিঘা | ১১৮ বিঘা | ৭ | ২৬৭ বিঘা |
| গোলাঘাট | তথ্য পোৱা নাই | | | | | | | |
| বৰপেটা | ১৪১ বিঘা | ১৪৩ | | | ৫১৩ বিঘা | ৪৭ | | |
| ধুবুৰী | ২২ বিঘা | ৩৫ | | | ১৬৬ বিঘা | ৪ | | |
| নগাঁও | ২২ বিঘা | ৩৫ | | | ৬৮৫ বিঘা | ৫১ | | |

| নাম | ব্যক্তিগত লোক | | ব্যক্তিগত প্ৰতিষ্ঠান | | বাজহুৱা অনুষ্ঠান | | চাহ বাগিছা | |
|---|---|---|---|---|---|---|---|---|
| | মাটিৰ পৰিমাণ | সংখ্যা | মাটিৰ পৰিমাণ | সংখ্যা | মাটিৰ পৰিমাণ | সংখ্যা | মাটিৰ পৰিমাণ | সংখ্যা |
| মৰিগাঁও | ১৬ বিঘা | ৪ | | | ২৬৯ বিঘা | ২৪ | | |
| যোৰহাট | ১৩ বিঘা | ৫ | | | ২৫৩ বিঘা | ২৯ | | |
| শিৱসাগৰ | ২৪৪ বিঘা | ১৩ | | | ৭০২ বিঘা | ২৭ | ২০০ বিঘা | ১ |
| কোকৰাঝাৰ | ২১০ বিঘা | ৩০৮ | | | ৩১৬ বিঘা | ২০ | | |
| বঙাইগাঁও | ৪৩ বিঘা | ১৩ | | | ২১০ বিঘা | ১২ | ৪ বিঘা | ১ |
| লক্ষীমপুৰ | ১৫ বিঘা | ১০ | | | ২৬২ বিঘা | ৪৭ | ৭১ বিঘা | ১ |
| ধেমাজি | ১১ বিঘা | ১৩ | | | ৩৫৮ বিঘা | ১৩ | | |
| হাইলাকান্দি | | | | | | | | |
| কৰিমগঞ্জ | | | | | | | | |
| কাছাৰ | ২৬৬১ বিঘা | | ৯৯ বিঘা | | ১০৩ বিঘা | | | |
| দৰং | ২৫৩ বিঘা | ৭৫ | ৬২৭ বিঘা | ৪ | ৪৩২ বিঘা | ৭৪ | | |

## বিষয় ঃ বানপানীত ক্ষয়ক্ষতিৰ পৰিমাণ।

**শ্ৰীশুকুৰ আলীয়ে সুধিছে**

৭৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) চলিত বছৰৰ বানপানীত বৰপেটা জিলাৰ ক্ষয়ক্ষতিৰ পৰিমাণ কিমান?

(খ) উক্ত জিলাত বান সাহায্য কিমান পৰিমাণে দিয়া হৈছে? (বিধান সভা সমষ্টি ভিত্তিত তালিকা দাখিল কৰিব)

(গ) বানাক্ৰান্ত কিছুমান অঞ্চলত সাহায্য নোপোৱাৰ অভিযোগ সচা নে? যদি সচা, তেন্তে কি কাৰণত সাহায্য নেপালে?

ডঃ জয়নাথ শৰ্মা, (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে

(ক) চলিত বছৰৰ বানপানীত বৰপেটা জিলাৰ ক্ষয়ক্ষতিৰ পৰিমাণ এতিয়ালৈ পোৱা তথ্য অনুসৰি তলত উল্লেখ কৰা হ'ল।

১। ৫০,৭৪৫ হেক্টৰ অঞ্চল ক্ষতিগ্ৰস্থ হৈছিল।

২। ৩,১০,০০০ জন মানুহ বানাক্ৰান্ত হৈছিল।

৩। ১২,৭৯৮ হেক্টৰ মাটিৰ খেতি পথাৰৰ শষ্য নষ্ট হৈছিল।

(খ) উক্ত জিলাত বিতৰণ কৰা বান সাহায্যৰ বিৱৰণ চক্ৰ ভিত্তিত উল্লেখ কৰা হ'ল।

| | |
|---|---|
| ১। বৰপেটা চক্ৰত | ১৬.২০ কুইন্টল চাউল |
| ২। বাঘৰবৰ চক্ৰত | ১,২৫.০০ কুইন্টল চাউল |
| ৩। কলগাচীয়া চক্ৰত | ৩৭.০০কুইন্টল চাউল |
| ৪। বৰনগৰ চক্ৰত | ১৫.০০ কুইন্টল চাউল |
| ৫। সৰ্থেবাৰী চক্ৰত | ৫.০০ কুইন্টল আটা |
| ৬। সৰুপেটা চক্ৰত | ১১৯.০০ কুইন্টল চাউল |
| | ৩০.৬০ কুইন্টল দাইল |
| | ৮.২০ কুইন্টল চিৰা |
| | ০.২৫ কুইন্টল মিঠাতেল |
| | ১.৩৩ কুইন্টল গুৰ |
| ৭। বজালী চক্ৰত | ২৭০.০০ কুইন্টল চাউল |
| | ৫৫.২০ কুইন্টল দাইল |
| | ২১.১৬ কুইন্টল চিৰা |

০.৪৫ কুইন্টল মিঠাতেল

৪.৬০ কুইন্টল গুৰ

চ। জালাহ চক্ৰত ৭২.০০ কুইন্টল চাউল

১৪.৪০ কুইন্টল দাইল

০.০৫ কুইন্টল মিঠাতেল

(গ) সঁচা নহয়। প্ৰশ্ন নুঠে।

**Re : Judicial Court at Gossaigaon Sub-Division**

**Sri Hemendra Nath Brahma, M.L.A.**

75. Will the Minister of Law be pleased to state :

a) Whether the Govt. is aware about the fact that the Judicial Court at Gossaigaon Sub-Division is not yet functioning?

b) If yes, please state the reasons for non-functioning of the said court and when the Govt. is going to start the office of Judicial Court at Gossaigaon Sub-Division?

**Shri Prafulla Kumar Mahanta (Chief Minister)** replied

a) Yes.

b) Due to non receipt of formal proposal from the High Court, the Court of sub-Divisional Judicial Magistrate could not be established at Gossaigaon as yet.

However, Government is going to establish the Judicial Court at Gossaigaon Sub-Division in consultation with Gauhati High Court soon.

**Re : Heavy Erosion**

**Shri Sheikh Abdul Hamid asked**

76. Will the Minister of Flood Control be pleased to state?

a) Is it a fact that Baghbar Pahar E & D is under heavy erosion at Manikpur and Siloshi point?

b) If so, what action has been taken by the Govt. to protect the dyke?

**Sri Promode Gogoi (Flood Control Minister)** will replied

a) Active bank erosion is observed at Manikpur no noticeable erosion is observed at Siloshi.

b) Subject toavailability of fund action will be initiated to take up an Anti Erosion scheme to check the erosion at Manikpur.

**বিষয় ঃ স্থায়ী খালী পদৰ সংখ্যা**

**শ্ৰীভূপেন্দ্ৰ নাথ ভূঞাই সুধিছে**

৭৭। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বৰ্ত্তমান বনৰক্ষীৰ সংখ্যা কিমান আছে?

(খ) স্থায়ী কিমান সংখ্যক পদ খালী হৈ আছে?

(গ) যদি খালী হৈ আছে, তেন্তে উক্ত খালী পদসমূহ কিমান দিনৰ ভিতৰত পূৰণ কৰা হব?

(ঘ) ১৬০ জন বনকৰ্মীক (কেজুৱেল) যোৱা এপ্ৰিল মাহত ছাটাই কৰাৰ পিচত বৰ্তমান নিয়োগ কৰা সম্পৰ্কত চিন্তা কৰিছেনে?

(ঙ) যদি চিন্তা কৰা হৈছে, তেন্তে কিমান দিনৰ ভিতৰত ১৬০ জন ছাটাই বনকৰ্মীক পুনৰ নিয়োগ কৰিব জনাবনে?

**শ্ৰীআমিনুল ইছলাম (ৰাজ্যিক বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে**

(ক) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বৰ্ত্তমান বনৰক্ষী (Forest Guard/ Game Watcher) ৰ সংখ্যা ২২০ জন।

(খ) বৰ্ত্তমান বনৰক্ষীৰ (Forest Guard/Game Watcher) ৪০ টা পদ খালী আছে।

(গ) খালী হৈ থকা পদবোৰ আন বন সংমণ্ডলৰ পৰা বনৰক্ষী স্থানান্তৰ কৰি পূৰাবলৈ ব্যৱস্থা লোৱা হৈছে।

(ঘ) আৰু (ঙ) প্ৰয়োজন বোধ অনুযায়ী অস্থায়ী কৰ্মচাৰী সময়ে সময়ে নিয়োগ কৰা হয়। বৰ্ত্তমান ১৬০ জন অস্থায়ী কৰ্মচাৰীৰ ভিতৰত ৭২ জনে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত কাম কৰি আছে।

## বিষয় ঃ চাহ বাগিচাৰ মাটি

**শ্ৰীনিজামুদ্দিন খানে সুধিছে :**

৭৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে

(ক) চাহ বাগিচাৰ মালিকৰ অধীনত কিমান বিঘা মাটি আছে?

(খ) এই মাটিৰ কিমান বিঘাত চাহ খেতি কৰা হয়?

(গ) চাহ খেতিৰ ওপৰঞ্চি মাটি দখলমুক্ত কৰাৰ ব্যৱস্থা কৰিবনে?

(ঘ) উক্ত দখলমুক্ত মাটি উদ্ধাৰ কৰি চাহ বনুৱা / প্ৰাপ্তৰ চাহ বনুৱা মাজত বিতৰণৰ ব্যৱস্থা কৰিবনে?

**ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) উত্তৰ দিছে**

(ক) ২৭,৯০,০৫৫ বিঘা (সাতাইশ লাখ, নৱৈ হাজাৰ পচপন্ন বিঘা)

(খ) ১৬,৯৫,৩৭৬ বিঘা ১ কঠা ১৭ লেচা (যোল্ল লাখ পঞ্চানবৈ হাজাৰ তিনিশ ছয়সত্তৰ বিঘা এক কঠা সোতৰ লেচা)

(গ) চাহ বাগিচাই নিজস্ব পট্টা মাটিৰ বাহিৰে যদি চৰকাৰী মাটি নতুবা চিলিং চৰকাৰী মাটি বেদখল কৰি থাকিলে উক্ত মাটি বেদখল মুক্ত কৰাটো ৰাজহ বিভাগৰ এটা চলিত প্ৰথা।

(ঘ) চাহ বাগিচা সমূহৰ চিলিং উপৰঞ্চি মাটি আৰু বেদখল মুক্ত মাটি অসম চৰকাৰৰ অসম সৰ্বোচ্চ ভূমি নিৰ্ধাৰণ আইন ১৯৫৬ (সংশোধিত) আৰু অসম ভূমি নীতি ১৯৯৬ অনুসৰি যোগ্য বিবেচিত হোৱা ভূমিহীন চাহ বনুৱা / প্ৰাক্তন চাহ বনুৱাৰ মাজত বিতৰণ কৰাটো ৰাজহ বিভাগৰ এটা চলিত প্ৰথা।

## বিষয় ঃ অবৈধ কাঠ জব্দ

**ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে**

৭৯। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ বন সংমণ্ডলৰ কাৰ্য্যালয় ও ডিপুত যিবিলাক অবৈধ কাঠ বছৰ বছৰ ধৰি পৰি থাকি বেয়া হৈ গৈছে সেই বিষয়ে ৰাজ্য চৰকাৰ অৱগতনে ?

(খ) যদি অৱগত, তেন্তে এই জব্দ হোৱা কাঠ বিলাক নিলামৰ ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নেকি ?

**শ্ৰীআমিনুল ইছলাম (ৰাজ্যিক বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে**

(ক) আৰু (খ) গৰাকী বিহীন জব্দ হোৱা কাঠবোৰ বন সংমণ্ডল কাৰ্য্যালয়বোৰে নিয়মিতভাৱে নিবিদা যোগে বিক্ৰী কৰি থাকে। যিবোৰ জব্দ কাঠৰ সম্পৰ্কত অভিযোগ নামা দাখিল কৰা হয়, সেইবোৰ কাঠ আদালতৰ হুকুম সাপেক্ষে নিষ্পত্তি কৰা হয় আৰু এই কামটোত সচৰাচৰ কিছু সময়ৰ প্ৰয়োজন হয়।

## বিষয় ঃ বানপানীত ক্ষতিগ্ৰস্ত পৰিয়ালক অনুদান

**শ্ৰীওয়াজেদ আলী চৌধুৰীয়ে সুধিছে**

৮০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) দঃ শালমাৰা ভূমি চক্ৰৰ অন্তৰ্গত কিমান পৰিয়াল গড়াখহনীয়াৰ ফলত ক্ষতিগ্ৰস্ত হৈছে আৰু গৃহহীন হৈছে ?

(খ) গৃহহীন পৰিয়াল বিলাকৰ কাৰণে অস্থায়ী ভাবে শিবিৰৰ ব্যৱস্থা কৰা হৈছিল নেকি ? যদি কৰা হোৱা নাই কিয় ?

(গ) বানপানীত ক্ষতিগ্ৰস্থ আৰু গড়াখহনীয়াৰ ফলত গৃহহীন হোৱা মানুহখিনিৰ কাৰণে চৰকাৰৰ ফালৰ কি কি ব্যৱস্থা আৰু অনুদান আগবঢ়োৱা হৈছে আৰু যদি ব্যৱস্থা বা অনুদান আগবঢ়োৱা হোৱা নাই কিয় ?

**ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে**

(ক) ৩৭০০ টা পৰিয়াল গড়াখহনীয়াত ক্ষতিগ্ৰস্থ হৈছে আৰু তাৰ ভিতৰত ১৮০০ টা পৰিয়াল গৃহহীন হৈছে।

(খ) গৃহহীন হোৱা পৰিয়াল সকলৰ কাৰণে অস্থায়ী ভাৱে সুৰক্ষিত ঠাইত থকাৰ ব্যৱস্থা কৰা হৈছিল।

(গ) বানপানী আৰু গড়াখহনীয়াত ক্ষতিগ্ৰস্থ হোৱা লোকসকলক তৎকালীন সাহায্য হিচাপে চাউল বিতৰণ কৰা হৈছিল। ইয়াৰ উপৰিও ৩২২২৫ মিটাৰ পলিথিন চিট আৰু খোৱাপানীৰ বাবে ৫৩ টা নলীনাদৰ ব্যৱস্থা কৰা হৈছিল। সাহায্য নিদিয়াৰ প্ৰশ্ন নুঠে।

**Re : Erosion Project**

**Shri Prithibi Majhi asked**

81. Will the Minister of Flood Control be pleased to state:

a) Whether the model testing of Mothla, Moijan, Nagaghuli, and Rohmoria erosion project has been completed by the Government of India?

b) If not, whether the Government of Assam has taken any steps to persue the matter?

c) Please give in detail?

**Sri Promode Gogoi (Minister of Flood Control)** will replied

a) There is no such project named "Mothola Maijan, Nagaghuli and Rahmaria erosion project : But there is an ongoing Anti erosion project with the nomenclature "Protection of Nagaghuli Maijan area upstream of Dibrugarh town along river Brahmaputra". For this project the model testing has been completed by the Central Water Power Research Station, Pune, under the Ministry of water Resources, Govt. of India.

b) In order to speed up the process of model studies of erosion at Rahmaria area theF. C. Deptt./Govt. is persuing the matter with Central Water Power Research Station, Pune.

c) The details of correspondance made by the Govt./F.C. Deptt. with Central Water Power Research Station, Pune, to this affect are :

i) Request from the cheif Engineer, Flood Control to Central Water Power Research Station, Pune to expedite submission of report vide his no. FC(ED)Tech/3513/98/35 dt. 5.6.2000.

ii) Request from the Additional Chief Engineer, Upper Assam Zone, F. C. Deptt. to Central Water Power Research Station to depute one Senior Research Officer to study the severe erosion in entire reach from Hatighuli to Rahmaria vide his NO.ACE/FC/W-118/97/79 dt. 4.8.2000.

iii) Request from the Addl. Chief Engineer, Upper Assam Zone, F. C. Deptt. to Central Water Power Research Station to submit the estimate for morphological studies including satellite imagaries vide NO.ACE/FC/W-118/97/85 dt. 11.08.2000.

iv) Request from the Superintending Engineer, Nagaghuli Maijan protection Circle, Dibrugarh, to Central Water Power Research Station to depute officer fro presentation of the problem in the forthcoming T.A.C. vide his NO. SE/NMPC/W-11/98-99/77 dt. 10.8.2000

**Re : Reconstituted of Society**

**Shri Sukhendu Shekhar Dutta asked**

82. Will the Minister Cooperation be pleased to State.

a) Whether the Govt. is aware of the fact that Dholcherra Cooperative Society in the District of Karimganj has not been reconstituted as per law?

b) Will the Government expedite the measures to reconstitute the same by removing all the hurdles at the earliest?

**Shri Nurul Hussain (Minister Cooperation)** will replied:

a) Yes

b) Yes. It will take sometime as the matter is subjuduce.

**Re : Central water commission**

**Shri Bimolangshu Roy asked**

83. Will the Minister of Flood Control be pleased to state :

a) Is the Govt. aware that Central Water Commission has cleared the scheme "Improvement of Flood Embankment along Left Bank of Borak from Uttar Krishnapur to Tarapur Chaimage 15780 mt ch. 17250 m and 19946 M to 22740 m" amounting to Rs. 33.243 crores in Silchar. If so when the work is likely to commence?

b) Will the Govt. persue the matter for release of fund, tender etc. etc.?

**Shri Promode Gogoi (Flood Control Minister)** will replied,

a) Yes, the scheme for Rs. 3,3243 crores has been recommended by C.W.C. Investment clearance of the scheme is yet to be received from planning commission.

b) The matter will be persued after receiving Investment clearance from planning commission.

**Re : Help to flood victims**

**Shri Mission Ranjan Das asked:**

84. Will the Minister of Revenue be pleased to state:

a) Whether the Government will provide monetary help to recent flood victims agriculturists in Karimganj District?

b) If yes, when?

c) If not, why?

**Dr. Zoii Nath Sarma (Minister Revenue) will replied:**

a) Necessary action will be taken on receipt of assessment reports from Deputy Commissioners and Departments concerned. Immediate relief by way of Gratuitous Relief is issued to flood affected people.

b) Does not arise.

c) Does not arise.

**Re : Trasfer of Superintending Engineer**

**Shri Kali Ranjan Deb asked:**

85. Will the Minister of Flood Control be pleased to state :

(a) Is it a fact that as per Govt. Notification bearing

No. FC(E)/1/91/Pt./31, dtd. 21.2.2000 Shri H. K. Borah, Superintending Engineer, Silchar Flood Control Circle was transferred and he was to move first?

(b) If so, will the Govt. implement the orders of transfer?

(c) If yes, when? If not why?

**Shri Promode Gogoi (Minister of Flood Control)** will replied

a) Yes.

b) The transfer order was not persued by the Govt. in view of certain irregularities and allegations against Shri H. K. Borah, Superintending Engineer and subsequently Shri H. K. Borah was placed under suspension on 25.8.2000.

c) Does not arise.

**Re : Number of dead animals in National Parks.**

**Shri Nazibul Umar asked**

86. Will the Minister of Forest be pleased to state:

a) How many Rhinos and other endangared species have died due to recent wave of flood in Kaziranga National Park and Manas Wild Life Sanctuary?

b) What steps are taken by the Government to protect the animals particularly during peak flood period?

c) Was there any incident of poaching? If so, how many endangared species were killed by the poachere?

**Shri Aminul Islam (Minister of State, Forests) replied**

a) The following wild animals have died because of floods in the current year

(i) Kaziranga national Park-1 rhino and 1 elephant

(ii) Manas National Park -- Nil

b) Construction of highland within Kaziranga National park and intensification of anti-poaching measures particularly in the neighbouring hills of Karbi Anglong District are some of the measures taken for the protection of animals in flood time. The Manas terrain does not require such steps.

c) There have been no incidents of poaching of any of the endangered species in Kaziranga National Park or Manas National Park during flood time. However, 2 rhinos were killed in January in Kaziranga National Park and 3 elephants in Manas National Park in February/April this year by poachars.

**Re : International Boarder Area**

**Smti Pramila Rani Brahma asked**

87. Will the MInister of Border Areas Development be pleased to state?

a) Whether the Bhutan foot hills, the extreme northern part of Assam is regarded as International Border Area?

b) If so, is there any policy for improvement of Indo-Bhutan Roads?

c) If so, how much fund has been since expended for improvement of roads have been taken

into consideration 4 dev.?

into consideration for development?

**Shri Binod Gowala (Minister of Boarder Areas)** will replied.

a) Yes.

b) Yes.

c) Due to persistent effort of the Sate Govt. the Indo-Bhutan Border Areas has been brought under BADP (SCA) during 1999-2000 by Govt. of India and an amount of Rs. 250 lakhs (Rupees two hundred fifty lakhs) has been allocated for the entire sector covering 5 (Five) districts and 9 (nine) blocks besides forest areas of Kokrajhar District. The schemes have been sanctioned for implementation during 2000-2001. 15Nos of Road schemes worth Rs. 142.45 lakhs (Rupees one hundred forty two lakhs and forty five thousand) have been taken up.

**Re. Discontinue of Electricity line.**

**Shri Bhimananda Tanti asked:**

88. Will the Minister of Power be pleased to state:

a) Whether the Government is aware that the electricity line has been disconnected to I.B. Rangapara owing to non-payment of A.S.E.B. bill?

b) If so, what measure Government has taken so far to clear the dues?

**Shri Hitendra Nath Goswami (Minister, Power)** replied

a) Yes,

b) A.S.E.B. has requested P.W.D. to pay the dues. P.W.D. has informed that they are making arrangements to pay the dues.

**বিষয় ঃ ৰেল বিভাগৰ সংৰক্ষিত মাটি**

**শ্ৰীমতী প্ৰণতি ফুকনে সুধিছে**

৮৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ৰেল বিভাগৰ বাবে সংৰক্ষিত মাটি ৰাজ্য চৰকাৰৰ অজ্ঞাতে বিভাগটোৱে বিক্ৰী কৰিব বিচৰা কথাটো সত্যনে?

(খ) যদি সত্য, ইয়াৰ কি ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে জনাবনে?

**ডঃ জয়নাথ শৰ্মা (ৰাজহ বিভাগৰ মন্ত্ৰী) উত্তৰ দিছে**

(ক) কোনো এনে ধৰণৰ অভিযোগ সদ্যহতে চৰকাৰৰ হাতত নাই। কিন্তু সময়ে সময়ে ব্যক্তিগত লোকক ৰেলৱে বিভাগে চৰকাৰৰ অজ্ঞাতে লিজত দিয়া বুলি শুনা যায়।

(খ) প্ৰশ্ন নুঠে। তথাপি ৰেলৱে বিভাগৰ পৰা তথ্য বিচাৰি চিঠি লিখা হৈছে।

**Re : Fund Released to Kokrajhar District.**

**Sri Andrias Hajowary asked**

90. Will the Minister of Revenue be pleased to state:

(a) What is the total amount of fund released to kokrajhar District against the recent flood victims / Damages for its restitution (kindly furnish reports district-wise on the Table of the House)

**Dr. Zoii Nath Sarma (Minister Revenue)** will be replied

(a) Rs. 5,10,000/- has already been released to Deputy Commissioner, Kokrajhar as to extend gratuitous relief to the recent flood affected people.

## বিষয় ঃ কাৰাগাৰ নিৰ্মাণ

**শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্মই সুধিছে**

৯১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) গোসাইগাঁও মহকুমাত কাৰাগাৰ নিৰ্মাণ কৰাৰ প্ৰস্তাৱ আছে নেকি ?

(খ) যদি আছে তেন্তে কেতিয়া ইয়াৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰা হব?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে**

(ক) বৰ্ত্তমানে নাই।

(খ) প্ৰশ্ন নুঠে।

## বিষয় ঃ সীমান্ত অঞ্চল উন্নয়নৰ ব্যৱস্থা

**শ্ৰীদেৱকান্ত ৰামচিয়াৰীয়ে উত্তৰ দিছে**

৯২। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

সীমান্ত অঞ্চল উন্নয়নৰ বাবে মন্ত্ৰী মহোদয়ে বিভাগৰ জৰিয়তে কি কি উন্নয়নৰ ব্যৱস্থা হাতত লৈছে আৰু এতিয়ালৈকে কিমানটা আঁচনি কাৰ্য্যকৰী কৰিছে জনাবনে ?

**শ্ৰীবিনোদ গোৱালা (সীমান্ত অঞ্চল উন্নয়ণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে।**

আন্তঃ ৰাজ্যিক সীমান্ত অঞ্চল উন্নয়নৰ বাবে বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ অধীনত সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ পৰা বাৰ্ষিক পৰিকল্পনাৰ পুজিৰ আধাৰত বিভিন্ন উন্নয়নমূলক আঁচনি যেনে-ৰাস্তা-ঘাট নিৰ্মাণ, বিদ্যালয় ভৱন, স্বাস্থ্য উপ-কেন্দ্ৰ, আৰক্ষী পহৰা চকী নিৰ্মাণ, খোৱা পানী যোগান ইত্যাদি আঁচনি সমূহ বিভিন্ন জিলাৰ উপায়ুক্তৰ জৰিয়তে ৰূপায়ণ কৰি অহা হৈছে। পাৰ্বত্য অঞ্চলৰ জিলা দুখনৰ বাবে উপায়ুক্তদ্বয়ে দাখিল কৰা আঁচনিসমূহ সীমান্ত অঞ্চল বিভাগৰ পৰা সংমোদন কৰি পুজি আহৰাই দি উপায়ুক্তক ৰূপায়ণ কৰিবলৈ দিয়া হয়। অৱশ্যে ভৈয়ামৰ জিলাসমূহত মহকুমা বিকেন্দ্ৰীকৃত পৰিকল্পনা পৰিষদে আঁচনি সমূহ সংমোদন কৰে। বিভাগৰ পৰা মাত্ৰ উপায়ুক্তলৈ পুজিহে যোগান ধৰা হয়।

১৯৯২-৯৩ চনৰ পৰা কেন্দ্ৰীয় চৰকাৰে এশ শতাংশ পুজিৰে আন্তঃ ৰাষ্ট্ৰীয় ভাৰত-বাংলাদেশ সীমান্ত অঞ্চলৰ উন্নয়নৰ বাবে প্ৰৱৰ্তন কৰা আঁচনিখন ১৯৯৪-৯৫ চনৰ পৰাহে ৰূপায়ণ কৰা হৈছে। ৰাজ্য চৰকাৰৰ উপৰ্য্যুপৰি প্ৰস্তাৱৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰে ১৯৯৯-২০০০ চনৰ পৰা আন্তঃৰাষ্ট্ৰীয় ভাৰত-ভূটান সীমান্ত অঞ্চললৈ আঁচনিখন সম্প্ৰসাৰণ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ এই আঁচনি অসম-বাংলাদেশ আৰু অসম ভুটান অঞ্চলৰ নিৰ্দ্দিষ্ট জিলাৰ নিৰ্দ্দিষ্ট উন্নয়ন খণ্ড এলেকাত ৰূপায়ণ কৰা হয়।

১৯৯৪-৯৫ চনৰ পৰা ১৯৯৮-৯৯ চনলৈকে কাছাৰ, কৰিমগঞ্জ, ধুবুৰী জিলাৰ১৩টা উন্নয়ন খণ্ড এলেকাত ৰাষ্টা-ঘাট নিৰ্মাণ, দলং নিৰ্মাণ, খোৱা পানী যোগান, খেতি পথাৰত পানী যোগান, প্ৰশাসনীয় ভেটি স্থাপন যেনে--পঞ্চায়ত কাৰ্য্যালয়, আৰক্ষী নিবেশ স্থাপন আৰু স্বাস্থ্য উপ-কেন্দ্ৰ স্থাপন, স্কুল ঘৰ স্থাপন, বজাৰ-হাট নিৰ্মাণ ইত্যাদি সৰ্বমুঠ ৪৬৬ টা আঁচনি ৰূপায়ণ কৰি থকা হৈছে। ১৯৯৯-২০০০ চনৰ বাবে আঁচনিসমূহ চলিত বছৰত ইতিমধ্যে সংমোদন দিয়া হৈছে আৰু এইমাহতে পুজি আহৰণ কৰা আশা আছে।

**Re : Affected families due to erosion**

**Shri Sheikh Abdul Hamid askes** –

93. Will the Minister of Revenue be pleased to state:

a) No. of families affected due to erosion during the last wave of flood within No. 45 Baghbar L.A.C. (Please state the figure Mouzawise)

b) What actions are taken by the Government to rehabilitate these families?

**Dr. Zoii Nath Sarma (Minister Revenue)** will replied

a) Total 131 No's of family were affected due to erosion. Breakup as follows.

1. Mandira Mouza 74 No. of families.

2. Baghbar Mouza 57 No. of families.

b) Necessary action to rehabilitate the families

will be taken on receipt of proposal from Deputy Commissioner, Barpeta.

**বিষয় ঃ কাজিৰঙা সমবায় সমিতি লিমিটেড**

**শ্ৰীভূপেন্দ্ৰ নাথ ভূঞাই সুধিছে**

৯৪। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) কাজিৰঙা সমবায় সমিতি লিমিটেডৰ সাধাৰণ সভা ও নিৰ্বাচন অনুষ্ঠিত হ'লনে?

(খ) যদি হৈছে কোন তাৰিখত অনুষ্ঠিত হ'ল জনাবনে?

(গ) উক্ত সমবায় সমিতিত নিৰ্বাচিত হোৱা সভাপতি আৰু উপ-সভাপতি নাম জনাবনে?

(ঘ) এই নিৰ্বাচন সম্পৰ্কত অসম চৰকাৰৰ পঞ্জীয়নকে কিবা নিৰ্দেশ গোলাঘাট জিলাৰ সহকাৰী পঞ্জীয়কলৈ প্ৰেৰণ কৰাতো সত্যনে?

(ঙ) যদি প্ৰেৰণ কৰিছে তেন্তে পঞ্জীয়কৰ উক্ত নিৰ্দেশ বিধান সভাৰ মজিয়াত দাখিল কৰিবনে?

(চ) উক্ত সমবায় সমিতিৰ অংশীদাৰ সকলে অভিযোগ উত্থাপন কৰাৰ পিচতো পুনৰ নিৰ্বাচন আৰু সাধাৰণ সভা অনুষ্ঠিত কৰাতো সত্যনে?

**শ্ৰীনুৰুল হুছেইন (সমবায় বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) কাজিৰঙা গাঁও পঞ্চায়ত সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভা আৰু নিৰ্বাচন অনুষ্ঠিত হ'ল।

(খ) কাজিৰঙা সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভা ২১-৬-২০০০ তাৰিখে অনুষ্ঠিত হৈছিল। কিন্তু নিৰ্বাচন পৰ্বৰ পাছতে সভাৰ বাকী কাৰ্য্যসূচী সম্পন্ন নোহোৱাকৈ আধৰুৱা হৈ ৰয় আৰু সেই মৰ্ম্মে গোলাঘাটৰ সহকাৰী পঞ্জীয়কে কাৰ্য্যবিৱৰণীত অনুমোদন নিদিলে, যাৰ ফলত সাধাৰণ সভা পুনৰ ৫-৮-২০০০ তাৰিখত অনুষ্ঠিত হয়।

(গ) ৫-৮-২০০০ তাৰিখে অনুষ্ঠিত হোৱা সাধাৰণ সভাত নিৰ্বাচিত হোৱা সভাপতিৰ নাম শ্ৰীযতীন নাথ আৰু উপ-সভাপতিৰ নাম শ্ৰীঅজিত ৰাজখোৱা।

(ঘ) সঁচা।

(ঙ) সংশ্লিষ্ট নিৰ্দেশৰ নকল গাঠি দিয়া হ'ল। (পৰিশিষ্ট -ক) (See the annexure-IV)

(চ) বাৰ্ষিক সাধাৰণ সভা পতাটো সঁচা, কিন্তু অংশীদাৰ সকলৰ পৰা কোনো অভিযোগ বৰ্তমানলৈকে চৰকাৰৰ দৃষ্টিগোচৰ হোৱা নাই।

**বিষয় ঃ বান সাহায্য**

শ্ৰীশুকুৰ আলীয়ে সুধিছে

৯৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) চলিত বছৰৰ বানপানীত কিমান হেক্টৰ মাটিৰ খেতি নষ্ট হৈছে? কিমান পশুধন আৰু মানুহ আক্ৰান্ত আৰু মৃত্যু হৈছে?

(খ) চলিত বছৰৰ বানপানীত কিমান ধন বান, সাহায্য দিয়া হৈছে? (মহকুমা ভিত্তিত তালিকা সদনত দাখিল কৰা হওক)

(গ) উক্ত বানপানীৰ সময়ত কিমানটা আশ্ৰয় শিবিৰ মুকলি কৰা হৈছিল? উক্ত শিবিৰত কিমান মানুহ আশ্ৰয় লৈছিল?

(ঘ) বান সাহায্য পৰ্য্যাপ্ত পৰিমাণৰ নাছিল, অভিযোগটো সঁচানে? যদি সঁচা তেন্তে কিয়?

ডঃ জয়নাথ শৰ্মা (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে।

(ক) চলিত বছৰৰ বান পানীত ২,২৪,২৫২ হেক্টৰ মাটিৰ খেতি নষ্ট হৈছে। ১২,৮৪,৩৯৭ টা পশুধন আৰু ৩৬,০৮,৭৪৯ জন মানুহ বান আক্ৰান্ত হৈছে। ২ৰ জন মানুহ পানীত ডুবি আৰু ১১জন ভূমিস্খলনত মৃত্যু হৈছে।

(খ) ৩,৫০,২০,০০০.০০ টকা বান সাহায্য দিয়া হৈছে। (প্ৰতিলিপি গাঠি দিয়া হ'ল)(See the annexure-V)

(গ) ৬২৬ টা আশ্ৰয় শিবিৰত প্ৰায় চাৰি লাখ মানুহে আশ্ৰয় লৈছিল।

(ঘ) নহয়। প্ৰশ্ন নুঠে।

**Re : Schemes under Border Areas Development**

**Shri Sambhu Sing Mallah asked**

96. Will the Minister of Border Areas Development be pleased to state?

a) How much fund received from Govt. of India from 1996 to till today under BADS? (Submit yearwise and districtwise statement on the table of the House with sanctioned amount already released by the State Govt.)

b) How many numbers of scheme have been taken up in the current year under International and Inter State Border Area Development Schemes within Karimganj?

**Shri Binod Gowala (Minister of Border Areas)** will replied

a) Government of India has released Rs. 1765.00 lakhs (Rupees One Thousand Seven Hundred Sixty Five Lakhs) since 1996-97 till 1999-2000 under BADP (SCA). Yearwise statement showing release of fund to District placed on the table of the House.
(At Annexure-I) See the Annexure-VI

b) 43 Nos. of schemes relating to construction of Roads and Bridges, Educational Institutions, Health Sub-Centre, Provision of drinking water facilities and Irrigation facilities etc. have been taken up for execution against BADP (SCA) 1999-2000 in Karimganj District. No fund has been allocated under Inter State Border.

**বিষয় ঃ বানপানীত মৃত্যু হোৱা লোকৰ ক্ষতিৰ পৰিমাণ**

**শ্ৰীওয়াজেদ আলী চৌধুৰীয়ে সুধিছে,**

৯৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰ্ত্তমান চলি থকা বানপানীত কিমান মানুহৰ মৃত্যু হৈছে আৰু উক্ত মৃত ব্যক্তি সকলৰ আত্মীয়লৈ চৰকাৰৰ ফালৰ পৰা কিবা অনুদান আগবঢ়োৱা হৈছে নে নাই, যদি হোৱা নাই, কিয় ?

(খ) বৰ্ত্তমান চলি থকা বানপানীৰ ফলত দঃ শালমাৰা ভূমি চক্ৰৰ অন্তৰ্গত কিমান মানুহ জীৱজন্তু আৰু শস্যৰ ক্ষতি সাধন হৈছে?

(গ) ক্ষতিগ্ৰস্থ হোৱা পৰিয়ালৰ কাৰণে চৰকাৰৰ ফালৰ পৰা সাহায্যৰ আৰু পুনঃ সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে নেকি? যদি হোৱা নাই, কিয়?

(ঘ) ক্ষতিগ্ৰস্থ এলেকা সমূহত মন্ত্ৰী, বিষয়া সকল পৰিভ্ৰমণ কৰিছিলনে? যদি কৰা নাই, কিয়?

ডঃ জয়নাথ শৰ্মা, (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে

(ক) এই বছৰৰ বানপানীত ২ৰ জন মানুহৰ মৃত্যু হৈছে। উপায়ুক্ত আৰু মহকুমাধিপতিৰ পৰা প্ৰয়োজনীয় নথিপত্ৰ আৰু প্ৰস্তাৱ পোৱাৰ পিছত আৱশ্যকীয় ব্যৱস্থা পোৱা হব। (ইয়াৰ উপৰিও ভূমিস্খলনত ৰৰ জন মানুহৰ মৃত্যু হৈছে।)

(খ) বানপানীৰ ফলত দক্ষিণ শালমাৰা মহকুমাত ১,৫০,১০০ জন মানুহ ৩,০০০ জীৱজন্তু আক্ৰান্ত হৈছে আৰু ২,৮০০ হেক্টৰ মাটিৰ শস্যৰ ক্ষতি সাধনৰ হৈছে।

(গ) চৰকাৰৰ ফালৰ পৰা তৎকালীন সাহায্য দিয়া হৈছিল। উপায়ুক্তৰ পৰা প্ৰস্তাৱ পোৱাৰ পিছত যাৱতীয় ব্যৱস্থা লোৱা হব।

(ঘ) হয়, কৰিছিল।

**Re : Power Generation**

**Dr. Kalyan Kumar Gogoi asked**

98. Will the Minister of Power be pleased to state:

a) What is the Actual demand requirement of the Power in the State?

b) What is the actual power generation by ASEB and NEEPCO?

c) How Government propose to solve the power crisis and what plan Government has taken to increase power generation?

**Shri Hitendra Nath Goswami (Minister Power) replied**

a) The present peak and off peak demand of power in Assam is 520 MW and 325 MW respectively.

b) Actual power generation of A.S.E.B. is around 140 MW NEEPCO's power generation in the North Eastern region is 470 MW.

c) A.S.E.B. can meet upto 90% of the peak demand by importing power from various sources in addition to its own generation whereas it can meet up the off peak demand entirely.

To meet up power requirement, A.S.E.B. is presently implementing renovating and modernisation schemes for the following generating stations, to enhance its present effective capacity by around 65 MW.

1. (a) Namrup Thermal Power station.

(b) Lakwa Thermal Power station.

2. Further A.S.E.B. has taken up the execution of balance works of K.L.H.E.P. (2 x 50 MW) for which PFC has sanctioned a loan assistance of Rs. 125.00 crores. The execution will take nearly 2.5 years to complete the project.

3. In addition to this A.S.E.B. has endavoured to take up the following schemes :

a) 2 x 60 MW Borgolai Coal based project.

b) 1 x 38 MW LTPS Waste Heat Project

c) Amguri Gas based project (3 x 30 MW)

**Re : Contractor of Cachar District**

**Sri Bimolangshu Roy asked:**

99. Will the Minister of Flood Control be pleased to state:

a) Is the Govt. aware that for non-payment of various

dues of the Contractor for long, the Contractor of Cachar District have resorted to "Hunger Strike" on 15th August in Silchar?

b) What is the reason for non-payment of theirdues more particularly the dues with regard to "Arinapurnaghat Protection Scheme according to the work executed by the contractor where Central fund for the scheme is available?

c) Will the Govt. take urgent steps for providing fund to Silchar F.C. Division for reparing of Sluice Gates and E & D embankment? If so, when?

**Shri Promode Gogoi (Flood Control, Minister)** will replied

a) Yes.

b) Payment amounting to Rs. 27.00 lakhs has already been made for the scheme A/E measures at Annapurnaghat of Silchar town from the erosion of river Borak on its L/B (Ch. 0-37 m) and further payment will be made on availability of fund.

c) Fund will be alloted to Silchar F.C.Division as per availability.

**Re : Scheme of Soil Conservation**

**Shri Sukhendu Shekhar Dutta asked**

100. Will the Minister of Soil Conservation be pleased to state :

a) The names of the schemes taken and implemented in Patharkandi (Karimganj) constituency area during 1998-99 and 1999-2000.

b) How much money has spent against each scheme?

**Shri Akan Rabha (Minister of Soil Conservation)** will replied

a) (i) During 1998-99, a Gully Control Project namely Mahimchera Gully control scheme under Decentralised plan (General) was proposed under Patharkandi constituency with an amount of Rs. 40,000/- only. But due to economic out the said project could not be implemented.

(ii) During 1999-2000 Putni (Kukital) Land Development Scheme under Decentralised plan (General) under Patharkandi constituency was taken and implemented successfully.

b) During 1999-2000 an amount of Rs. 40,000/- only has been spent on Putni (Kukital) Land Development Scheme in Patharkandi constituency under Decentralised plan, General Areas.

**বিষয় ঃ খহনীয়া প্ৰতিৰোধৰ বাবে পুঁজিৰ প্ৰয়োজন**

**শ্ৰীপৃথিৱী মাঝিয়ে সুধিছে**

১০১। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ডিব্ৰুগড় জিলাৰ মখলা, মাইজান নাগাঘুলি আৰু ৰহমৰীয়াৰ গড়াখহনীয়া প্ৰতিৰোধ কৰিবৰ বাবে কিমান পুঁজিৰ প্ৰয়োজন হ'ব?

(খ) কেন্দ্ৰীয় চৰকাৰে এই গড়াখহনীয়া প্ৰতিৰোধৰ বাবে কিমান পুঁজি ধাৰ্য্য কৰিছে আৰু এতিয়ালৈকে কিমান পুঁজি আৱন্টন দিছে জনাবনে?

(গ) ৰাজ্য চৰকাৰে গড়াখহনীয়া প্ৰতিৰোধৰ বাবে কি ব্যৱস্থা হাতত লৈছে, বিতং ভাৱে জনাব?

**শ্ৰীপ্ৰমোদ গগৈ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে**

(ক) ডিব্ৰুগড় জিলাৰ মাইজান আৰু নাগাঘুলিৰ গড়াখহনীয়া প্ৰতিৰোধৰ বাবে ১০.৭৪ কোটি টকাৰ প্ৰাককলিত মূল্যৰ

"Protection of Nagaghuli Maijan area upstream of Dibrugarh town along river Brahmaputr" নামৰ আঁচনি এখন হাতত লোৱা হৈছে।

ৰহমৰীয়াৰ গড়াখহনীয়া প্ৰতিৰোধৰ অৰ্থে এখন স্থায়ী খহনীয়া প্ৰতিৰোধ আঁচনি লোৱাৰ বাবে পুনেত অৱস্থিত 'কেন্দ্ৰীয় জল ও শক্তি গৱেষণা কেন্দ্ৰক' অনুসন্ধান কৰি আঁচনিখনৰ বিভিন্ন দিশত বিস্তৃত পৰামৰ্শ সম্বলিত এখন প্ৰতিবেদন দাখিল কৰিবলৈ দায়িত্ব দিয়া হৈছে। এই প্ৰতিবেদন পোৱাৰ পিছত আঁচনিখন প্ৰস্তুত কৰা হ'ব আৰু প্ৰয়োজনীয় পুঁজিৰ বিষয়ে জানিব পৰা হ'ব।

(খ) মাইজান আৰু নাগাঘুলিৰ গড়াখহনীয়া প্ৰতিৰোধৰ বাবে লোৱা ওপৰোক্ত আঁচনিখনৰ বিপৰীতে চলিত বিত্তীয় বছৰত (২০০০-২০০১) ২৪৪.০০ লাখ টকা ধাৰ্য্য কৰা হৈছে আৰু এতিয়ালৈকে ৮২.৮১ লাখ টকা আৱন্টন দিছে।

(গ) মাইজান আৰু নাগাঘুলি অঞ্চলৰ খহনীয়া প্ৰতিৰোধৰ বাবে হাতত লোৱা আঁচনিখন কাৰ্য্যকৰীকৰণৰ বাবে প্ৰয়োজনীয় নিৰ্মাণ সামগ্ৰী সংগ্ৰহৰ কাম চলি আছে।

**Re : F. D.R. Fund**

**Smti. Pramila Rani Brahma asked**

102. Will the Minister of Revenue be pleased to state :

a) Whether the Executive Engineers of P.W.D. Roads and Flood Control Department of Kokrajhar District have received the FDR Fund for the improvement of damages from the budget of 1999-2000 and 2000-2001 years?

b) If they have received how much fund they received in their particular department? And what roads and bunds have been repaired?

c) If no, any fund has been sanctioned to those divisions, the reasons thereof?

**Dr. Zoii Nath Sarma (Minister, Revenue)** will replied

a) i) P. W. Deptt 1999-2000-yes
2000-2001-
under process

ii) FloodControl-1999-2000-No.
Deptt. 2000-2001-yes

b) i) Rs. 30,50,000/- had been received by Kokrajhar P.W.D. (Roads) Division during 1999-2000 for various FDR works.

ii) Rs. 61,00,000/- has been received by Executive Engineer, Kokrajhar E & D Division during 2000-2001 for various FDR Work.

Details of roads and bunds reparied are placed on the table of the house.

c) Does not arise.

**Sub : United Fund**

**Shri Kali Ranjan Deb asked**

103. Will the Chief Minister be pleased to state :

a) Whether some amount of fund from United Fund was allocated to Katigorah constituency in 1995-96 for construction of two community Halls and 50% fund was also released?

b) Whether two community Halls was started in Kalain Block and more than 50% work was also completed?

c) Whether the balance 50% fund was not released till date as a result half done work is being destroyed day by day?

d) Whether it is a fact that balance amount of United Fund was deposited into Treasury as 'Revenue Deposit' and subsequently diverted?

e) If it be so, may I know, whether money under 'United Fund' can be diverted and utilised for other purpose, then the purpose, for which it was meant?

**Shri Prafulla Kumar Mahanta (Chief Minister and Minister Incharge of Planning and Development Department)** replied :

a) Yes.

b) Yes, and 50% works completed.

c) Yes, balance 50% amount is yet to be released.

d) Yes, but the question of diversion of Fund does not arise.

e) Does not arise.

**Re : Flood control Scheme**

**Shri Andrias Hajowary asked**

104. Will the Minister of Flood Control be pleased to state?

How many flood control scheme under State Central programme will likely be taken up under Sidli L.A.C.? (Kindly furnish the names of the schemes with figures on the Table of the House).

**Sri Promode Gogoi (Minister of Flood Control)** will replied

One scheme under Central Programme is likely to be taken up under Sidli L.A.C. The name of the scheme is "Protection of Burijhar area from the erosion of river Aie (R/B)". Estt. amount =Rs. 253.58 lakh

**বিষয় ঃ যুটীয়া সঞ্চালকৰ পদোন্নতি ও বদলি**

শ্ৰীশুকুৰ আলীয়ে সুধিছে

১০৫। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ ভূমি সংৰক্ষণ যুটীয়া সঞ্চালক (গৱেষণা) শ্ৰীইন্দ্ৰজিত দত্তক অতিৰিক্ত সঞ্চালকলৈ পদোন্নতি দি কাৰ্বি আংলং জিলালৈ বদলি কৰাটো সচানে ?

(খ) পদোন্নতি পোৱাৰ পিচত উক্ত বিষয়াজনে বৰ্ত্তমান বিভাগটোৰ ভাৰপ্ৰাপ্ত সঞ্চালক হিচাবে কাৰ্য্য চলাই থকাটো সচানে ?

(গ) উক্ত বিভাগত ইন্দ্ৰজিৎ দত্তৰ পদোন্নতি পোৱাৰ আগতে কেইজন যুটীয়া সঞ্চালকে কাৰ্য্যনিৰ্বাহ কৰি আছিল ? জ্যেষ্ঠতাৰ ভিত্তিত যুটীয়া সঞ্চালক নাইবা উচ্চ পদস্থ বিষয়াৰ নাম সদনত দাখিল কৰিব ?

ঘ) উক্ত বিষয়াজনক কি নীতিৰ আধাৰত অতিৰিক্ত সঞ্চালকলৈ পদোন্নতি দিয়া হৈছে ?

শ্ৰীযুত অকন ৰাভা (ভূমি সংৰক্ষণ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) সঁচা।

খ) হয়, সচা।

গ) এই বিভাগত শ্ৰীইন্দ্ৰজিত দত্ত পদোন্নতি পোৱাৰ আগতে ৬ (ছয়) জন যুটীয়া সঞ্চালকে কাৰ্য্যনিৰ্বাহ কৰি আছিল।

জ্যেষ্ঠতাৰ ভিত্তিত যুটীয়া সঞ্চালকসকল হ'ল ঃ

১। শ্ৰীশিৱৰাম দত্ত

২। শ্ৰীইন্দ্ৰজিৎ দত্ত

Hon'ble Chief Minister to move.

**Shri P. K. Mahanta Hon'ble CM :** I beg to move that 'The Assam Taxation (on Luxuries) (Amendment) Bill, 2000" be passed.

**Mr. Dy. Speaker :** I now put the motion before the house. The Motion is that - 'The Assam Taxation (on Luxuries) (Amendment) bill, 2000 be passed.

Those who are in favour say, 'Ayes', Those who are against say, 'Noes'. 'Ayes' have it, 'Ayes' have it, 'Ayes' have it, The motion is passed. The Bill is passed.

**Mr. Dy. Speaker :** Now Item No. 9 (a)

There is a message from the Governor of Assam Raj Bhavan, Guwahati Dt. August 30, 2000 'Under the provision of Article 203 of the constitution of India I

Lt. Gen. (Retd.) S. K. Sinha, PVSM, Govenor of Assam, recommends to move that "The Assam contingency Fund (Amendment) Bill, 2000, be taken into consideration by the Assam Legislative Assembly."

Sd/-
Lt. Gen. (Retd.) S. K. Singh, PVSM
Governor of Assam

**Mr. Dy. Speaker :** Now, Hon'ble C.M. to move.

**Shri Prafulla Kumar Mahanta (Hon'ble CM) :** I beg to move that "The Assam Contingency Fund (Amendment) Bill 2000" be taken into consideration.

(No body has taken part in discussion)

**Dy. Speaker :** I now put the motion before the House.

The motion it that-

The Assam Contingency Fund (Amendment) Bill 2000 be taken into consideration.

These who are in favour say, 'Ayes'.

These who are against say, 'Noes'.

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.
The motion is passed.

**Mr. Dy. Speaker :** Now Item No. 9 (b)

There is no amendment in clauses 2 and 3 of the Bill I now put the clauses 2 and 3 of the Bill before the House. The quesiton is that clauses 2 and 3 of the Bill do stand part of the Bill. These who are in favour say, 'Ayes', Those who are against say, 'Noes', 'Ayes' have it, 'Ayes' have it, 'Ayes' have it, Clauses 2 and 3 of the Bill do form part of the Bill.

**Mr. Dy. Speaker :** I now put clause 1, preamble,

Enacting formula and short Title of the Bill before the House for approval.

The question is that -

"Clause 1, preamble, enacting formula and short Title do stand part of the Bill".

Those who are in favour say, 'Ayes'.

These who are against say, 'Noes'.

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

Clause 1, Freamble, Enacting Formula and short title do form part of the Bill.

**Mr. Dy. Speaker :** Now Item No. 9 (c)

Hon'ble CM to move.

**Shri Prafulla Kumar Mahanta (Hon'ble CM) :** I beg to move that 'The Assam contingency fund (Amendment) Bill 2000 be passed.

**Mr. Dy. Speaker :** I now put the motion before the House.

The motion is that -

"The Assam contingency Fund (Amendment) Bill, 2000" be passed.

Those who are in favour say, 'Ayes'.

Those who are against say, 'Noes'.

'Ayes have it, 'Ayes' have it, 'Ayes' have it.

The Motion is passed. The Bill is passed.

## MOTION FOR ELECTION TO UNIVERSITY COURT

**Mr. Dy. Speaker :** Now, Item No. 10, Shri Thaneswar Boro, Minister Education to move.

**Shri Thaneswar Boro Minister Education :** I beg to

move that this House do now elect seven Members of the Assam Legislative Assembly from amongst themselves to be the members of the Gauhati University Court under section 9(I) (XXI) of the Gauhati University Act, 1947 (As amended up-to-date). The vacancies have been caused due to expiry of the term of the earlier members so elected shall hold office for a period of 3 years from the date of their election under section 9 (2) of the Gauhati University Act, 1947 (as amended up-to-date)".

**Mr.** Dy.Speaker : The Secretary will notify the date, time and place for holding the election, if necessary.

## LAYING OF REPORTS

**Mr. Dy. Speaker :** Now Item No. 11. Minister Health the F. W. to lay the Audit Report on the accounts of the society for implementation of the Assam Area Project under India Population Project-IX, Guwahati for the year 1997-98.

**Dr. Kamala Kalita (Minister, Health) :** I beg to lay the Audit Report on the Accounts of the Society for Implementation of the Assam Area Project under India Population Project-IX, Guwahati for the year 1997-98.

**Mr. Dy. Speaker :** Now, Item No. 12. Shri Mohendra Mohon Rai Choudhury Chairman, Committee on Welfare of other Backward classes to present the Seventh Report of the Committee on Welfare of Other Backward classes and more other backward classes, Assam Legislative Assembly.

**Shri Mohendra Mohon Rai Choudhury :** I beg to present before the House the seventh Report of the Committee on welfare of other Backward classes & More other backward classes, Assam Legislative

Assembly.

## DISCUSSION ON CENSURE MOTION

**Mr. Dy. Speaker :** Now Discussion on censure motion.

* ডাঃ অর্ধেন্দু কুমাৰ দে ঃ মাননীয় উপাধ্যক্ষা ডাঙৰীয়ানী, মাননীয় গৃহমন্ত্ৰী তথা মুখ্যমন্ত্ৰী বিৰুদ্ধে ভৎর্সনা প্ৰসাৰ অনাৰ যথেষ্ট কাৰণ আছে। আজি মই প্ৰস্তাৱৰ ওপৰত বক্তব্য ৰখাৰ আগতে ১৯৯৬ চনৰ বিধান সভাৰ নিৰ্বাচনত শাসকীয় এ.জি.পি. দলে প্ৰতিশ্ৰুতি দিছিল যে তেওঁলোকৰ চৰকাৰ গঠন হলে অসমত জনসাধাৰণৰ জীৱন আৰু ধন সম্পত্তি ৰক্ষা কৰিব। কিছুদিন আগতে মাননীয় গৃহ মন্ত্ৰী তথা মুখ্যমন্ত্ৰী মহোদয়ে কলিকতাত কৈছিল যে অসমত এতিয়া শান্তি আহিছে। কিন্তু আজি গোটেই অসম এটা বধ্যভূমিত পৰিণত হৈছে। কোকৰাঝাৰ অথবা বি.এ.চি. এৰিয়াতেই হওক, কাৰ্বি আংলং অথবা নৰ্থ কাছাৰ হিলচ্ ডিষ্ট্ৰিকেই হওক অথবা অসমৰ বিভিন্ন অঞ্চলতেই হওক বা গুৱাহাটী চিটিতেই হওক কতো তেনেকুৱা ধৰণৰ শান্তি বিৰাজ কৰা নাই। যদি শান্তি আছে তেতিয়াহলে সেই শান্তি শ্মশানত বিৰাজ কৰি আছে। আজি অসমত শান্তি কুলিৰ মাতৰ সলনি বন্দুকৰ শব্দৰ মাজেৰে ওলাই আছে। আজি তেখেতে কৈছে ইয়াত শান্তি ঘূৰি আহিছে। শান্তি যদি ঘূৰি আহিছে তেতিয়াহলে ইউনিফাইড কমাণ্ড ষ্ট্ৰাকচাৰ এতিয়াও কিয় আছে? এইটো কিয় তুলি লোৱা হোৱা নাইবা তুলি লোৱাৰ কাৰণে অনুমোদন জনোৱা হোৱা নাই। বি. এ. চি. বা অন্যান্য অঞ্চল বিলাকত কিয় উগ্ৰপন্থীৰ সংগঠনৰ সংখ্যা ইমান বেছি বাঢ়ি গ'ল? আমি আগতে কেৱল আলফা আৰু বড়ো উগ্ৰপন্থী আছে বুলি শুনিছিলো। কিন্তু এতিয়া আলফা আৰু বড়ো উগ্ৰপন্থীৰ উপৰিও মালটা, বি.টি.পি., কে.এন., ভি.এন.ডি.এফ.বি., বি.এল.টি. আদি তেনেকুৱা বহুত উগ্ৰপন্থীৰ সৃষ্টি হৈছে বুলি জানিব পাৰিছো। যদি শান্তি ঘূৰিয়েই আহিছে তেতিয়াহলে ইমান উগ্ৰপন্থী সংগঠনৰ সংখ্যা কিয় বাঢ়ি গ'ল। মাননীয় উপাধ্যক্ষা মহোদয়া, আমাৰ অসমত

---

*Speech not corrected

গুপ্ত ঘাটকৰ কথাটোৱে বৰ বেছি গুৰুত্ব পাইছে। গোটেই অসমতেই গুপ্ত ঘাটকৰ ঘটনা ঘটি আছে। আমাৰ এই বিধানসভাতো গুপ্তঘাটকৰ ওপৰত তীব্ৰ সমালোচনা হৈছে। কিন্তু মাননীয় মুখ্যমন্ত্ৰী তথা গৃহমন্ত্ৰী মহোদয়ে আজিলৈকে কিয় কব পৰা নাই এই গুপ্তঘাটক কোন? অলপ দিন আগতে কাৰ্বি আংলং জিলাত এটা এথনিকভাৱেলেঞ্চ হৈ গ'ল। তেতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সেই ঠাই পৰিদৰ্শন কৰিছিল। কিন্তু তেখেতে ঘূৰি অহাৰ দুদিন মান পিছতেই তাত কেইজনীমান কাৰ্বি সম্প্ৰদায়ৰ মহিলাক কিছুমান মানুহে হত্যা কৰিলে।তাত হিন্দী ভাষীলোকসকলৰ লগত কিছুমান কাৰ্বি মানুহৰ এটা বিবাদ সৃষ্টি হৈছিল। সেই বিবাদ সৃষ্টি হোৱৰ পিচতেই মাননীয় মুখ্যমন্ত্ৰী মহোদয় তাত গৈছিল। কিন্তু তেখেত ঘূৰি অহাৰ পিচতেই কাৰ্বিসকলৰ ওপৰত এনেকুৱা ধৰণৰ হিংসাত্মক ঘটনা ঘটিছিল। তেতিয়া কাৰ্বি আংলংৰ নেতা মাননীয় সদস্য হলিৰাম টেৰাং ডাঙৰীয়াই উত্থাপন কৰিছিল যে এইটো চৰকাৰী গুপ্তঘাটকৰ দ্বাৰা সংঘটিত কৰিছিল। চৰকাৰী গুপ্তঘাটক কোন এইটো কথা নিশ্চয় তেখেতে ব্যাখ্যা কৰিব। আমি সেই হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ পিচত কাৰ্বি পৰিয়ালৰ কিছুমান মানুহক লগ ধৰিছিলো। তেওঁলোকক লগ ধৰাৰ পিচত তেওঁলোকে আমাক কলে যে কেইজনমান পুলিচ আৰু ডেকা লৰা তাত আহিছিল আৰু তেতিয়া তাত ৰাইফলৰ গুলিৰ শব্দ হৈছিল। অসম পুলিচ আৰু আত্মসমৰ্থনকাৰী উগ্ৰপন্থীৰ দ্বাৰা গুলিচালনা হৈছে। মাননীয় মুখ্যমন্ত্ৰী ঘূৰি অহাৰ পিচত কিয় সেই ঘটনাটো ঘটিবলৈ পালে আজি নিশ্চয় মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সেই উত্তৰতো দিব লাগিব। মাননীয় উপাধ্যক্ষা ডাঙৰীয়ানী মই আকৌ নিৰ্বাচনী ইস্তাহাৰৰ কথালৈ যাব বিচাৰিছো। শাসকদলে যিখন নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰিছিল তাত পৰিস্কাৰভাৱে লিখা আছিল যে তেখেত সকলে যদি চৰকাৰ গঠন কৰিব পাৰে তেতিয়াহলে তেখেত সকলে আত্মনিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিব, আৰ্মি বেৰেকলৈ ঘূৰাই পঠিয়াব, স্পেচিয়েল চিকিউৰিটি ফোৰ্চ উইথড্ৰ কৰিব। আমি বাতৰি কাকতত পৰেশ বৰুৱাৰ ষ্টেটমেন্ট পাইছো। কিন্তু চৰকাৰৰ

ফালৰ পৰা তাৰ কোনো ৰিজইন্ডাৰ দিয়া হোৱা নাই। পৰেশ বৰুৱাই কৈছে যে তেখেতসকলে আমাক কথা দিছিল যে তেখেতসকলে আত্মনিয়ন্ত্রণৰ ব্যৱস্থা কৰি দিব, আর্মি বেৰেকলৈ ঘূৰাই পঠিয়াব, স্পেচিয়েল চিকিউৰিটি এক্ট তুলি লোৱা হব। সেইটোৰ সমৰ্থনৰ ভিত্তিতহে আমি তেওঁলোকক কথা দিছিলো। তেতিয়া মাননীয় মুখ্যমন্ত্ৰী তথা গৃহমন্ত্ৰী মহোদয়ে নিশ্চয় এই কথাখিনি পৰিস্কাৰকৈ বুজাই দিব। পৰেশ বৰুৱাই এ.জি.পি. দলক কিয় বিশ্বাস ঘাটকৰ দল বুলি কৈছে? আলফাৰ প্ৰতি তেখেতসকলে কি বিশ্বাসঘাটকতা কৰিলে? আলফাৰ প্ৰতি কি বিশ্বাস ভঙ্গ কৰিলে সেইটো আমি জানিব বিচাৰিছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বাৰে বাৰে কৈছে কংগ্ৰেছ দলৰ লগত আলফাৰ এটা সম্পৰ্ক আছে। তেখেতে এই কথাটো অকল সংবাদ মাধ্যমতেই কোৱা নাই বিধান সভাৰ মজিয়াতো কৈছে। সেইটোৰ সমৰ্থনত তেখেতে ১০ বছৰ আগৰ এখন চিঠি ইয়াত তুলি ধৰিছে। আজি 'আমাৰ অসম' কাকতত এটা সম্পাদকীয় ওলাইছে।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় উপাধ্যক্ষা মহোদয়া, ইং ৬-৯-২০০০ চন তাৰিখে 'আমাৰ অসম' কাকতত প্ৰকাশিত সম্পাদকীয়ত লিখা কথাখিনি মই সদনত দাঙি ধৰিব বিচাৰিছো। কথাখিনি হৈছে -- মুখ্যমন্ত্ৰী মহন্তই দাবী কৰিছে যে আলফা কংগ্ৰেছ সম্পৰ্কত তেওঁৰ যথেষ্ট পৰিমাণৰ নিৰ্দ্দিষ্ট তথ্য মজুত হৈ আছে।

দহ বছৰীয়া এখন পুৰণি চিঠিৰ বাহিৰে আন কোনো তথ্য এতিয়ালৈকে মুখ্যমন্ত্ৰী মহন্তই ৰাজহুৱাভাৱে সদৰি কৰিব পৰা নাই। মহন্তৰ এই অভিযোগৰ বিপৰীতে কংগ্ৰেছেও আলফাৰ সৈতে অগপৰ সম্পৰ্ক থকাৰ অভিযোগ উত্থাপন কৰিছে। আলফাৰ অনেক উগ্ৰপন্থীৰ সৈতে বহু অগপ নেতাৰ যে ব্যক্তিগত সম্পৰ্ক আছে চাই সেই কথা জনা মানুহৰ সংখ্যা তাকৰ নহয়। বিগত বিধান সভাৰ নিৰ্বাচনত উগ্ৰপন্থী সংগঠনটোৱে ঠাই বিশেষে অগপক প্ৰত্যক্ষ বা পৰোক্ষভাৱে সহায় কৰাৰ কথাও একেবাৰে নাকচ কৰি দিব নোৱাৰি। কিন্তু যি

*Speech not corrected

প্ৰত্যয়েৰে প্ৰফুল্ল কুমাৰ মহন্তই কংগ্ৰেছৰ বিৰুদ্ধে উগ্ৰপন্থীৰ সৈতে সনাপোটোকা কৰাৰ অভিযোগ কৰিছে। তাৰ সমুচিত প্ৰত্যক্ষ যে অগপই দিব পৰা নাই। এই কথা সকলোৱে জানে যে ১৯৮৫-১৯৯০ চনৰ সময় ছোৱাত তেতিয়াৰ অগপ চৰকাৰৰ প্ৰশ্ৰয় নোপোৱা হলে আলফাৰ পক্ষে বৰ্ত্তমান শক্তি আহৰণ কৰাটো কোনো দিনে সম্ভৱপৰ নহলহেতেন।

माननीया উপাধ্যক্ষা মহোদয়া, ১৯৯০ চনত অসমত ৰাষ্ট্ৰপতি শাসনত কি হৈছিল? লক্ষ্মী পথাৰত কি ঘটনা ঘটিছিল? সেই ঠাইত মাহ ধৰি মাহ উগ্ৰপন্থীৰ প্ৰশিক্ষণ চলি আছিল। কিন্তু বনাঞ্চলখনৰ দায়িত্ব থকা ফৰেষ্ট অফিচাৰ ডি.এফ.অ. জনেও প্ৰত্যক্ষভাৱে সহায় কৰিছিল। লক্ষীপথাৰত থকা আলফাৰ ঘাটিটো ৰেড কৰিবৰ কাৰণে ক'ৰ পৰা নিৰ্দ্দেশটো পালে? সেইটো আমি জানিব বিচাৰিছো।

* **শ্ৰীএনদ্ৰিয়াছ হাজোৱাৰী** ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ বি.এল.টি. এৰিয়াত বিভিন্ন ধৰণৰ ঘটনা ঘটি আছে। বিজনীত আমাৰ লগৰে এজন সহকৰ্মী বিধান সভাৰ সদস্য মোহিনী বসুমতাৰীক উগ্ৰপন্থীয়ে নিসংশভাৱে হত্যা কৰিলে। দিন দুপৰতে ঘৰৰ পৰা খেদি খেদি নি পথাৰত পেলাই লৈ মুখৰ ভিতৰত ৰাইফল সোমোৱাই দি হত্যা কৰিলে। ১৯৯৮ চনত তেওঁ উগ্ৰপন্থীৰ হাতত এবাৰ আক্ৰান্ত হৈছিল। সেই সময়ত তেওঁৰ লগত চিকিউৰিটি আছিল যদিও পিচত তেওঁৰ পৰা সেই চিকিউৰিটি উইদ্ৰ কৰি নিলে। বসুমতাৰী এজন বিধায়ক হোৱা স্বত্বেও তেওঁৰ কিয় আৰক্ষীৰ দ্বাৰা ৰক্ষণাবেক্ষণ দিয়া হোৱা নাছিল? বিধায়কজনৰ মৃত্যুৰ বাবে আমি চৰকাৰকে জগৰীয়া কৰিছো। সেই কাৰণে মই ভৎসনা প্ৰস্তাৱ আনিছো।

মাননীয়া উপাধ্যক্ষা মহোদয়া, বীনেশ্বৰ ব্ৰহ্ম বড়ো সাহিত্য সভাৰ সভাপতি আছিল। তেখেতে বড়ো সকলৰ কাৰণে দেৱনাগৰী লিপি সমৰ্থন কৰিছিল। বড়ো উগ্ৰপন্থী সকলে ৰোমান লিপি সমৰ্থন কৰিছিল। এই দুয়োটা লিপিক লৈ বড়ো সকলৰ মাজত এটা মতপাৰ্থক্য

---

*Speech not corrected

চলি আছে। বীনেশ্বৰ ব্ৰহ্মাৰ ঘৰ গুৱাহাটীত। তেখেতৰ ঘৰৰ চাৰিওফালে আৰক্ষী, অসামৰিক বাহিনী, সামৰিক বাহিনী আদি আছে। এই সকল থকা সত্বেও তেখেতক মাৰিবলৈ কেনেকৈ সুবিধা পালে? সাহিত্য সভাৰ সভাপতি হিচাবে তেখেত এজন ডাঙৰ লোক। তেখেতক আমি সকলোৱে সন্মান কৰো।

নগেন শৰ্মা অসমৰ এজন মন্ত্ৰী আছিল। তেখেতক মাৰিব কাৰণে কেনেকৈ সুবিধা পালে? আচলতে তেখেত সকলক ভালদৰে সুৰক্ষা দিয়া হোৱা নাছিল। এখেতসকলৰ মৃত্যুৱে আমাক সন্দেহাতীত কৰি তুলিছে। চৰকাৰে এই সম্পৰ্কক কি ব্যৱস্থা লৈছে আমাক জনাব লাগে।

* ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, এই সম্পৰ্কত তদন্ত কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

* ডাঃ অৰ্ধেন্দু কুমাৰ দে ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, বৰ্ত্তমান আমাৰ চৰকাৰখনে চাৰিটা বছৰ অতিক্ৰম কৰিছে। অভিযোগ পোৱামতে টাটা কোম্পানীৰ অফিচাৰ সকলৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰিছে? তেখেতসকলৰ উত্তৰাধিকাৰী হিচাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই চাৰ্জচিট দিব লাগিছিল কিন্তু দিয়া নাই। দুবছৰ অতিক্ৰম কৰাৰ পিচত এটা কেচৰ জোৰ কমি যায় সেইটো আমাৰ চৰকাৰে নাজানে নেকি? Persons in Karbi-Anglong and Kokrajhar and in other parts of the state. Deterioration of lowand order resulting in rape on women and extrotion of money by the extremist elements.

বহুতো ডাঙৰ ডাঙৰ ইণ্ডাষ্ট্ৰি আছে সেইবিলাকৰ বিৰুদ্ধে অভিযোগ পোৱাৰ পিচত চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি? আমি জনাত তেখেতসকলৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱা নাই।

শ্ৰীৰামপুৰ গেটত ছজন বিষয়াৰ বিৰুদ্ধে অভিযোগ পোৱা হ'ল। সেই অভিযোগত অভিযুক্তও কৰা হ'ল। পিচত দেখা গ'ল যে তেখেতসকলক অভিযোগৰ পৰা ৰেহাই দি প্ৰমোচনহে দিয়া হ'ল।

*Speech not corrected

এই বিলাক কিয় কৰা হৈছে? এই বিষয়ে আমাৰ মাননীয় মুখ্যমন্ত্ৰী তথা গৃহমন্ত্ৰী মহোদয়ৰ পৰা আমি জানিব বিচাৰিছো। ১০ বছৰৰ আগতে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে এনেকুৱা এখন চিঠি দিনে যিখন চিঠিৰ দ্বাৰাই বিতৰ্কৰ সৃষ্টি কৰিলে। ভেঙ্কয়া নাইডুৱে প্ৰেছ কনফাৰেন্স কৰি দেখুৱাই দিলে। কংগ্ৰেছ দলে এই ক্ষেত্ৰত এই ক্ষেত্ৰত চুপ্ৰিম কোৰ্টত জাজৰ পৰা আনিবলৈ কোৱা হৈছিল।

* ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ মাননীয় উপাধ্যক্ষা মহোদয়া, মাননীয় সদস্য গৰাকীয়ে নাইডুৰ কথাটো কৈছে। সেইখিনি কোৱাৰ আগতে তেওঁলোকৰ পজিচনটো পিয়েৰ কৰি দিলে ভালহে হয়।

* শ্ৰীশৰৎ বৰকটকী ঃ মাননীয় উপাধ্যক্ষা মহোদয়া, প্ৰেছ কনফাৰেন্স কৰি দিছে।

* ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আলফাৰ লগত যোগাযোগ থকা বুলি অভিযোগটো আনিছে যেতিয়া বাকীখিনি আপোনালোকে কৰি দিয়ক।

*শ্ৰীশৰৎ বৰকটকী ঃ মাননীয় উপাধ্যক্ষা মহোদয়া, আমাক প্ৰেছ কনফাৰেন্সত জনাই দিছে যেতিয়া আমি কিয় দিম?

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ উপাধ্যক্ষা মহোদয়া, এজিপিৰ সদস্য সকলৰ যে আলফাৰ লগত ভাল সম্পৰ্ক আছে তাক আমাৰ সকলো ধৰণৰ জনসাধাৰণেই জানে। মই এখন এফ. আই. আৰ. পঢ়ি দিছো তাত লিখা আছে।

Zoii Nath Sarma happened to be relative....known to him.....He claims to know that minister is helping ULFA in all possible manner, in the last election. All help was taken from them. Mr. Zoii Nath Sarma is assisting ULFA by making cash donation and also provided his official car i.e. from Guwahati to Bongaigaon and back. Also Arabinda Rajkhowa has visited 8 months back

*Speech not corrected

to Sipajhar.

ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আলফাৰ লগত মোৰ কিবা লিংক আছে বুলি প্ৰমাণ কৰিব পাৰে তেনেহলে মই ৰাজনৈতিক জীৱন পৰিত্যাগ কৰিম। দুজন কংগ্ৰেছী বিষয়াই মোৰ বিৰুদ্ধে কিবা লিখিলে বুলিয়ে কিবা এষাৰ কথা বুলিয়ে সি এফআইআৰ হ'ব নোৱাৰে। কেছটোৰ ৰিজাল্ট কি?

উপাধ্যক্ষা ঃ আপুনি চেনচৰ মোচনৰ ওপৰত কওঁক।

ডঃ জয়নাথ শৰ্মা ঃ এই বিষয়টোত যিহেতু মোৰ কথা ওলাইছে গতিকে মোক কবলৈ সুবিধা দিব লাগিব।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মোৰ লগত আৰু এখন দকুমেন্ট আছে। নামটো মই নকও। ইয়াত কৈছে যে "মই বিধান সভালৈ নিৰ্বাচিত হৈ আহিলে আলফা বা এনডিএফবিৰ বিৰুদ্ধে থকা নিষেধাজ্ঞা উঠাই লবলৈ বিধান সভাৰ মজিয়াত দাবী জনাম, কলা আইন সমূহ বাতিল কৰিবলৈ দাবী জনাম, বিগত চৰকাৰৰ দিনৰ কাম বিলাকৰ উচ্চ পৰ্য্যায়ত তদন্ত কৰাম। এই পৰিপ্ৰেক্ষিতত ৬ মাহ বা আঢৈ বছৰৰ মূৰত মুকলিকৈ অৱগত কৰিম, নহলে ৰাজহুৱা বিধান সভাৰ পৰা পদত্যাগ কৰিম। এইখন কাৰ ওচৰত চাবমিট কৰিছে চাম প্ৰফুল্ল বৰ্মন আৰু অনেক।

এতিয়া উপাধ্যক্ষা মহোদয়া, কিহৰ কাৰণে আজি মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়টোত তোলপাৰ লগাইছে? অমত বহুত জলন্ত সমস্যা আছে আজি বিদ্যুত নাই, কিহৰ কাৰণে বিদ্যুত মন্ত্ৰী আছে, ৰাষ্টাঘাট নাই কোনোধৰণৰ উন্নয়নৰ কাম হোৱা নাই দেশত আজি আইন শৃঙ্খলা নাই জলন্ত সমস্যা আৰু বহুত আছে কিন্তু সিবিলাকলৈ যোৱা নাই। মানুহক সেই বিলাক পাহৰাবৰ কাৰণে এই ইচুটো উলিয়াইছে যাতে মানুহে চৰকাৰৰ বিফলতাৰ কথা পাহৰি থাকে। ১৯৯৬ চনত আলফাৰ সহায় লৈ এজিপি পাৱাৰত আহিছিল, চৰকাৰ গঠন কৰিছিল। উপাধ্যক্ষা মহোদয়া, আজি লাফট গেটত মাইনৰিটি সম্প্ৰদায়ৰ লোকে ধৰ্না দিছে কাৰণ পুলিচে প্ৰকৃত ভাৰতীয়ক

*Speech not corrected

হেৰাচমেন্ট কৰিছে। তেখেত সকল আজি আইএমদিটি আইনৰ বিৰুদ্ধে সৰব হৈছে তেখেতসকলৰ লগত মাইনৰিটি মন্ত্ৰী সকল আছে তেখেত ৰুলেও একেমত দিয়ে নেকি? তেখেতসকলে আজি এই বিধান সভাৰ মজিয়াত তাৰ উত্তৰ দিয়ক নহলে পুনৰ যেতিয়া নিৰ্বাচনত তেওঁলোকৰ ওচৰ চাপিব তেতিয়া তাত প্ৰশ্নৰ সন্মুখীন হব লাগিব যে ৬ তাৰিখৰ বিধান সভাত আই.এম.দি.টি. আইন সম্পৰ্কে কিয় আপোনালোকৰ মত দাঙি নধৰিলে? আজিৰ মুখ্যমন্ত্ৰী মহোদয়ে যেতিয়া অসম চুক্তিত স্বাক্ষৰ কৰিছিল তেতিয়া এই আইনখন কিয় মানি লৈছিল আজি কলো স্তৰতে পুলিচে ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰিছে। আজি আমি এইবিলাক কাৰণতে ৰ্ভৎসনা প্ৰস্তাৱ আনিছো, আজি আমি প্ৰমাণ কৰি দি পাৰিছো যে এজিপি আইন শৃঙ্খলা ৰক্ষা কৰাত ব্যৰ্থ হৈছে ১৯৮৫ চনৰ পৰা এজিপিৰ লগত যে আলফাৰ সুসম্পৰ্ক আছে তাক আমি আজি এই ৰ্ভৎসনা প্ৰস্তাৱৰ যোগেদি প্ৰতিষ্ঠা কৰিলো। মই তথ্য সহকাৰে কথা বিলাক দাঙি ধৰিছো আশাকৰো মুখ্যমন্ত্ৰীয়ে উত্তৰ দান দিওতে যাতে আগৰ পুৰণা ৰেকৰ্ড মতে নবজায় এইখিনিতে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

**উপাধ্যক্ষা ঃ** माननीय সদস্য সকল, যোৱা কালি বি.এ.চি.ৰ সভাত সময় ভগাই দিয়া হৈছে মুঠ সময় ১২০ মিনিট, এ.জি.পি.-৫৯ মিনিট, কংগ্ৰেছ-৩৬ মিনিট. A.S.D.C.-3 minites

**শ্ৰীচিলভিউচ কন্দপান ঃ** যোৱা কালি চেচৰ মোচৰ সম্পৰ্কত বি.এ.চি.ৰ কোনো মিটিং হোৱা নাই। সমিটিয়ে অনুকৰণ কৰিছে।

**মাননীয়া উপাধ্যক্ষা ঃ** বি.এ.চি.ত সময়সীমা বান্ধি দিয়া হৈছে। এই বিষয়টোত সময় হৈছে ১২০ মিনিট।

**শ্ৰীচিলভিউচ কন্দপান ঃ** উপাধ্যক্ষা মহোদয়া, এই বিষয়টোত বি-এ-চিৰ ওপৰত This is not the way. What is the time allotted? এইটো কেনেকৈ হব।

**শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী (সংসদী পৰিক্ৰমা মন্ত্ৰী) ঃ** উপাধ্যক্ষা মহোদয়া, যোৱাকালি এই বিষয়ত ৰুলিং দিছিল যে টাইম তেখেতসকলে

ৰেগুলেট কৰিব। আলোচনাত সময় বেছি খৰচ কৰা হৈছে। ৰিজনেবলি ডিষ্ট্ৰিবিউট কৰিলেই হল।

শ্ৰীচিলভিউচ কন্দপান ঃ আমি আমাৰ ফালৰ পৰা দুজনে কম বুলি ভাবিছিলো। Let us know the time This is not done? Hitendra Nath Goswami Minister Regarding allotmentof time we have discussed in B.A.C. also. The total time isdivided by the number of members of the house. Shri Silvius condpan : But here we are not guided by the B.A.C. what is time?

মাননীয়া উপাধ্যক্ষা ঃ যোৱাকালি বি-এ-চি মিটিঙত এই সিদ্ধান্ত হৈছে আৰু সেই মতে ভাগ কৰি দিয়া হৈছে।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ উপাধ্যক্ষ মহোদয়া, সেইটো নহয়।

শ্ৰীহেমন্ত কলিতা ঃ উপাধ্যক্ষ মহোদয়া, ভৎসনা প্ৰস্তাৱৰ বিৰোধীতা কৰি ৰাজনৈতিক মুনাফা লাভৰ কাৰণে কথা কলেই নহব।

**Shri Silvius Condpan :** Sir, I have a point or order. Today when the motion was coming for discussion, we were asking your secretary - what is our time. There will be two speakers from our side and not many. According to the given time, we will divide. We were never been allowed to know whatis the time sanctioned to us and all on a sudden when one speaker has spoken, you have uttered the time... (in assamese)... we have finished our 36 minutes long before. We are not asking for plenty of time.

আমি বাৰে বাৰে সুধিছো, আমাৰ সময় কিমান কৈ দিব লাগে। উপাধ্যক্ষ মহোদয়াই ৩০ মিনিটত সময় শেষ বুলি কৈছে। আমাৰ দুজনে কব বুলি ভাবিছিলো। (মাননীয় অধ্যক্ষই আহি আসনত

উপবিষ্ট হয়।)

**মাননীয় অধ্যক্ষ ঃ** আমাৰ সময় ৮-৩০ বজালৈকে। এইখিনি সময়ৰ ভিতৰতে আলোচনা শেষ কৰিব লাগে। যোৱাকালি বি-এ-চিত I said with the approval of the house that time will be requlated from the chair for sanction. Sir, I want to know whether our speaker will get more time or notMister Speaker : You are killing of our own time.

**শ্রীপ্রদ্যুত বৰদলৈ ঃ** কব খোজা কথাখিনি কব নোৱাৰিলে চেন্সৰ মোচন কিয়।

**মাননীয় অধ্যক্ষ ঃ** সকলোৱে সময় পাব।

***শ্রীহেমন্ত কলিতা ঃ** অধ্যক্ষ মহোদয়, বিৰোধী দলৰ মাননীয় কংগ্রেছী সদস্যসকলে যি প্রস্তাৱ আনিছে মই তাৰ সম্পূর্ণ বিৰোধীতা কৰিছো। তেখেতসকলৰ কথাত দুহাজাৰ চনৰ সময়তো ৰাজ্যখনৰ সম্পূণ নেতিবাচক দিশ এটাহে পৰিস্ফুট হৈ পৰিছে। অসমৰ সামাজিক দিশটো সম্পূর্ণৰূপে ইয়াৰ দ্বাৰা প্রতিভাত হৈ পৰা নাই। আইন-শৃংখলাৰ সমস্যা খিনি এদিনতকৈ সৃষ্টিহোৱা সমস্যা নহয়। এই সমস্যাৰ বুনিয়াদ কি সেই কথা যদি আমি চাবলৈ যাওঁ তেনেহলে ভাব অন্তৰালত যোৱা ১৯৬০ চনৰ পৰা যিবিলাক নেতিবাচক দিশ সেইটোৰ কাৰণে বহুসংখ্যক যুৱকে হাতত অস্ত্র তুলি লবলগীয়া হ'ল। আদর্শগত বা সামাজিক দৃষ্টি দিয়াৰ কাৰণে আজি ইমান বছৰে পৰিস্থিতি প্রণিধানযোগ্য হৈ আছে। প্রয়াত বিমলা প্রসাদ চলিহা অসমৰ মুখ্যমন্ত্রী হিচাবে প্রায় ১৩ বছৰ আছিল। আজি কিয় ডেকা এচামে অস্ত্র হাতত তুলি লবলগীয়া হৈছে আৰু মূল সূতিলৈ অহা সকলক কিয় স্বাগতম জনাবলগীয়া অৱস্থা এটাৰ সৃষ্টি হৈছে।

অধ্যক্ষ মহোদয়, তেওঁলোকৰ চৰকাৰৰ দিনত যেতিয়া বিমলা প্রসাদ চলিহা মুখ্যমন্ত্রী আছিল তেওঁৰ সুনেতত্বৰ প্রতিফলন আমি

*Speech not corrected

দেখিবলৈ পোৱা নাই। যাৰ ফলত অসমৰ এচাম যুৱক-যুৱতীয়ে হাতত অস্ত্ৰ-শস্ত্ৰ তুলি লৈছে। সেই সকল যুৱক-যুৱতীক আজি আমাৰ চৰকাৰে মূলসূতিলৈ ঘূৰি অহাৰ বাবে আহ্বান জনাই ছে। চেষ্টা কৰিছে। আজি আদিত্য চলিহাই কংগ্ৰেছৰ লগত বুজবুজি কৰিছে। ১৯৯১ চনত যি সময়ত নিৰ্বাচন হৈছিল সেই সময়ত ৰাইজক ভুল ব্যাখ্যা দি বুজোৱাৰ বাবে ৰাইজে গণ পৰিষদ চৰকাৰক ভোটদান নকৰিলে। যাৰ ফলত তেখেত্‌সকলে চৰকাৰ প্ৰতিষ্ঠা কৰিলে। গতিকে আমি আহ্বান কৰিছো যে, তেওঁলোকে যি দায় কৰিছে তাৰবাবে ক্ষমা খুজিব লাগে। আমাৰ চৰকাৰক ইতিবাচক কাম কৰিবলৈ দিব লাগে। তেওঁলোকে চাহ উদ্যোগৰ লগত টাটা টিৰ লগত বুজাবুজি কৰি চাহৰ মূল্য ৫০ পইচাৰ ঠাইত ১৮ পইচালৈ কৰিলে ৩২ পইচাতো কাক ৰেহাই দিলে? চাহ উদ্যোগৰ লগত বুজাবুজি কৰিছে একমাত্ৰ ৰাজনৈতিক লাভৰ কাৰণে চিন্তা কৰিছে। কংগ্ৰেছ দলে অসম গণ পৰিষদ চৰকাৰ দলৰ আলফাৰ লগত সম্পৰ্ক আছে বুলি ৰাইজৰ আগত ব্যাখ্যা দিছে। আপোনালোকৰ সঁচা কথা কোৱা মানসিকতা কিয় নাই? আপোনালোকে ৰাইজৰ মাজত থাকি ৰাজনীতি কৰক, আজি ৰাইজ সচেতন হৈছে। গণ পৰিষদ চৰকাৰে আজি বিদ্যুৎ সমস্যা, পানী যোগান সমস্যা আদি দূৰ কৰাৰ বাবে চিন্তা কৰিছে। এই কথা ৰাইজে বুজি পাইছে। আপোনালোকে মধ্যভোগীক লৈ ৰাজনীতিৰ চেষ্টা কৰিছে, কিন্তু যিসকলে ৰাইজৰ লগত থাকি ৰাজনীতি কৰিবলৈ চেষ্টা কৰিছে তেওঁলোকক ৰাইজে বুজি পাইছে। উপাধ্যক্ষা মহোদয়া, যোৱা ৪টা বছৰত আমাৰ চৰকাৰে নানা অনুষ্ঠান গঢ়ি তুলিছে। আজি আইন শৃংখলাৰ পৰিস্থিতি উন্নত হৈছে। ৰাতি ১২ বজালৈকে শংকৰ কলাক্ষেত্ৰত মানুহ অহা যোৱা কৰিব পাৰে সেই বিলাক কাম ৰাইজে বুজি পাইছে। আপোনালোকে উগ্ৰপন্থী সংগঠনৰ লগত বুজাবুজি কৰি ৰাজনীতি কৰিব বিচাৰিছে সেইটো স্থায়ী নহয়, মানুহে স্বাগতম নজনায়। বুবা চৰিত্ৰৰ বিপৰীতে সচা চৰিত্ৰ দাঙি ধৰক। আজি উলুবাৰী, গনেশগুৰিত ফ্লাইঅভাৰ কৰিছে, নাবাৰ্ডৰ টকাৰে ৫০খন দলং কৰা হৈছে তেওঁলোকৰ দিনত কিমান উন্নতি হল দাঙি ধৰিব পাৰিবনে? ৰাইজে বুজি পাইছে যে, সময়ে

সময়ে তেওঁলোকক আবেগিক ভাৱে উতলা কৰে। এতিয়া ৰাইজে বুজি পাইছে অৰ্দ্ধেন্দুদেৱৰ বক্তৃতা ভুৱা আৰু মিছা। এইবিলাক কথাত মানুহ প্ৰতীয়মান নাযায়। কাৰণ সমাজৰ প্ৰতি দায়বদ্ধতা থাকিব লাগে। গতিকে এখন এফ.আই.আৰ দিয়েই ভৎসনাৰ প্ৰস্তাৱ আনিব নোৱাৰে। শূণ্যতাহে প্ৰমাণ কৰে। এইদৰে ভৎসনা প্ৰস্তাৱ অনাটো বাতুলতাহে মাথোন। আজি আইন শৃংখলাৰ পৰিস্থিতি উন্নত হৈছে। চৰ্ট নটিচ প্ৰশ্নৰ উত্তৰত ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ কিমান ঘটনা ঘটিছে, কিমানৰ মৃত্যু হৈছে এই সকলোখিনি দিছে। আমি সংখ্যালঘু সকলেও আগৰ চৰকাৰৰ দিনত সুৰক্ষা পোৱা নাই। গতিকে মই আহ্বান জনাও যে, মানুহৰ স্বাৰ্থৰ বাবে ৰাজনীতি কৰক দলীয় স্বাৰ্থত কৰিব নালাগে। অজিত যোগীয়েও কৈছে যে অসম প্ৰদেশ কংগ্ৰেছ পৰা কিয় উত্ত নিদিলে। তেওঁলোকৰ ৰাজনৈতিক পৰিপক্কতাৰ ইমান অভাৱ হলনে? আজি তেওঁলোকে মানুহৰ মাজত ভেদাভেদ আনিছে আজি আমাৰ মাজত মোহিনী বসুমতাৰী নাই, নগেন শৰ্মা নাই গতিকে এনেকুৱা পৰিবেশ যাতে আৰু নাহে তাৰ বাবে চিন্তা কৰিব লাগে। ভৎসনা প্ৰস্তাৱৰ বিৰোধিতা কৰি মই কও যে, ৰাইজৰ স্বাৰ্থৰ হকে ৰাজনীতি গঢ়ক, অসমৰ ৰাইজক একত্ৰিত কৰক। অৰ্দ্ধেন্দুদেৱৰ বক্তৃতাত কোনো যুক্তি নাই, প্ৰতিপন্ন কৰিব পৰা নাই। মই তেখেতৰ বক্তৃতাৰ বিৰুদ্ধে বিশেষ কবলৈ নাযাও। মন্ত্ৰী মহোদয়ে সমুচিত উত্তৰ দিব। মই তেখেতক পুনৰ নিবেদন জনাও যে, আমাৰ মাজত কোনো ধৰণৰ বিদ্বেষৰ ভাৱ নাৰাখি সকলোৱে আগবাঢ়ি যাবলৈ চিন্তা কৰিব লাগে। এক জাতি হিচাবে কেনেকৈ আগবাঢ়ি যাব পাৰো তাৰ কথা চিন্তা কৰিব লাগে। ভৱিষ্যতৰ কথা চিন্তা কৰি কোনো উগ্ৰপন্থীৰ লগত বুজাবুজি নকৰাৰ বাবে আহ্বান জনাও। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Shri Devakanta Ramchaiary

✻ শ্ৰীদেৱকান্ত ৰামচিয়াৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি বিধান

---

**✻Speech not corrected**

সভাত কংগ্ৰেছ দলে গৃহ বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে ভৎসনা প্ৰস্তাৱ আনিছে। এই প্ৰস্তাৱটো জনাৰ কাৰণে আমি এটা কাৰণেই ভাল পাইছো যে আমি ইয়ত কিছু কথা কোৱাৰ সুযোগ পাম। অধ্যক্ষ মহোদয়, এই বিধান সভাৰ মজিয়াখন ৰাজনীতি কৰাৰ কাৰণে এখন ভাল প্লেটফৰ্ম। কিন্তু আমি সকলো কথা ইয়াতে নকৈ কিছুমান কথা বাহিৰত কলেহে ভাল হয়। আজি ভৎসনা প্ৰস্তাৱ কিয় জানিব লগা হল? আজি উগ্ৰপন্থীৰ কথা ওলাইছে। এই ক্ষেত্ৰত কংগ্ৰেছে কৈছে উগ্ৰপন্থীৰ সৃষ্টি এ.জি.পিয়ে কৰিছে আৰু এ.জি.পিয়ে কৈছে কংগ্ৰেছে কৰিছে। এই ক্ষেত্ৰত আমাৰ দলকো জড়িত কৰিছে। মোৰ কথাও কৈছে -- মই হেনো ভূটানত এন.ডি.এফ.বি.ৰ কেম্পলৈ গৈ তেওঁলোকৰ লগত কিবা আলোচনা কৰিছো। গতিকে এই কথাবিলাক বেছিকৈ নোকোৱাই ভাল। আমি প্ৰত্যক্ষভাৱে কোনেও উগ্ৰপন্থীৰ লগত জড়িত নহয়। কিন্তু আমি এটা কথা চাব লাগিব যে এই উগ্ৰপন্থী সংগঠনৰ লৰাবিলাক কোন? তেওঁলোক নিশ্চয় বেলেগ দেশৰ পৰা অহা নাই। যি কাৰণত তেওঁলোক হতাশাগ্ৰস্ত হৈ হাতত অস্ত্ৰ তুলি লবলগীয়া হ'ল তাৰ কাৰণে আমি সকলোৰে দায়ী। আজি এই চৰকাৰ চলি থকা অৱস্থাতো বহুতো ঘটনা ঘটি গৈছে। নিৰীহ মানুহৰ ঘৰত বোমা ফুটিছে। যিখন ঘৰত মানুহে শান্তিৰে দিন কটাব লাগিছিল তাত বোমা ফুটাৰ কাৰণে তেওঁলোকে তাত শান্তিৰে থাকিব নোৱাৰা হৈছে। এই কথা বিলাক আজি কোনেও অস্বীকাৰ কৰা নাই। এই ক্ষেত্ৰত আজি চৰকাৰ নিৰৱ। হলিৰাম বসুমতাৰীৰ ঘৰত বোমা ফুটিছে-- জুডিচিয়েল মেজিষ্ট্ৰেটৰ ঘৰত বোমা ফুটিছে। তেওঁ নিশ্চয় কোনো উগ্ৰপন্থী সংগঠনৰ লগত জড়িত নহয়। তেওঁৰ ঘৰত কিয় বোমা ফুটিল? ওডালগুৰিত বলোৰাম বড়োৰ ঘৰতো বোমা ফুটিছে। সৌভাগ্যবশতঃ তেওঁ নমৰিল। এই ঘটনা বিলাক আমি দেখিছো। এনে ধৰণৰ আৰু বহুতো ঘটনা ঘটি গৈছে। এইবোৰৰ প্ৰকৃত অভিসন্ধি কি তাৰ আচল কথা বিলাক আমি বিচাৰি উলিয়াব লাগিব। আজি কেইদিনমান আগতে গুৱাহাটীৰ মাজমজিয়াত বীনেশ্বৰ ব্ৰহ্মক হত্যা কৰা হ'ল। এই হত্যাকাণ্ডৰ আৰত কোন জড়িত তাক কোনেও স্বীকাৰ কৰা নাই। তেওঁৰ দুদিন পিচতে আমাৰ

माननीय सदस्य মোহিনী বসুমতাৰীকো হত্যা কৰিলে। এই হত্যা কাণ্ডবোৰ কৰিলে কোনে? এই কথাবিলাক জানিবৰ কাৰণেই আমি চি.বি.আই.ৰ তদন্ত বিচাৰিছো। আমি আশা কৰিছো এই হত্যাকাণ্ড সমূহৰ প্ৰকৃত হত্যাকাৰী বিচাৰি উলিয়াব। সেই সকল হত্যাকাৰীৰ প্ৰকৃত শাস্তি দিয়াতো আমি বিচাৰো। এইখিনিকে কৈ মোৰ ভাষণৰ সামৰণি মাৰিলো।

**শ্ৰীহীৰেন কুমাৰ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বিধান সভাত কংগ্ৰেছ দলে আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে যিটো ভৰ্ৎসনা প্ৰস্তাৱ আনিছে মই তাৰ সম্পূৰ্ণ বিৰোধীতা কৰি দুযাৰ মান কথা কব খুজিছো। আজি অসমত আইন-শৃংখলা পৰিস্থিতি বেয়া হৈছে বুলি কংগ্ৰেছ দলে ভৰ্ৎসনা প্ৰস্তাৱ আনিছে। কিন্তু মই এটা কথা কব খোজো যে কংগ্ৰেছ দলে ৰাইজৰ ভালৰ কাৰণে কি কাম কৰিছে? তেওঁলোকে ৰাইজৰ ভালৰ কাৰণে কোনো কাম কৰা নাই? এইটো বেদৰ বাক্যৰ নিচিনা কথা। আমি ৰাজ্যখনৰ বিভিন্ন ঠাইলৈ গৈছো আৰু সেই ঠাইবোৰত কংগ্ৰেছৰ দিনত কৰা কাম কাজ বিলাকৰ বুজ লৈছো। আমি সেইবোৰ ঠাইত কংগ্ৰেছৰ দিনত কোনো ভাল কাম হোৱা নমুনা দেখা নাই। মানুহক ভাল পথ দেখুওৱাৰ নমুনা নাই। তেওঁলোকে কেৱল চোৰ ডকাইতকে আৰম্ভ কৰি বেয়া মানুহৰ সৃষ্টি কৰাতহে ব্যস্ত থকা দেখা যায়। তেওঁলোকে কৰি যোৱা অপকৰ্ম বিলাকৰ কাৰণে আজি আমি নানা সমস্যাৰ সন্মুখীন হবলগীয়া হৈছে। তেওঁলোকে আজি নিজে ভয়ত বিহ্বল হৈ পৰিছে তেওঁলোকে কৰি যোৱা কামবোৰৰ ফল ভোগ কৰিব লগা হোৱাৰ কাৰণে। তেওঁলোকৰ এনে এটা অৱস্থা হৈছে 'ফাট মেলা বসুমতি পাতালে লুকাও।' তেওঁলোকে আলফাৰ কথা কৈছে। এই আলফাৰ সৃষ্টি কোনে কৰিছিল?

মোৰ মনত পৰে প্ৰয়াত হিতেশ্বৰ শইকীয়াদেৱে কৈছিল যে (১৯৯১ চনত) প্ৰয়োজন হলে আলফাৰ সহায় লৈ আমি ইলেকশ্যন খেলিম। আপোনালোকেই এই অস্ত্ৰ ধাৰী সকলৰ সৃষ্টিকৰ্তা আৰু সেই কাৰণেই আপোনালোকে কৈছে। আৰু এটা কথা কওঁ এই পবিত্ৰ সদনত যদি মোৰ শূণ্য বা পঢ়া ভুল হোৱা নাই যোৱা পাঁচটা

বছৰৰ ভিতৰত তেতিয়াৰ বিধায়ক আব্দুল জেলিল ৰাগীবিয়ে এফ. আই. আই. আৰ. ৰংই তিত এটা ভৰ্ৎসনা প্ৰস্তাৱ আনিছিল, মই যদি সকলো কথা কবলৈ যাওঁ তেন্তে আপোনালোকৰ ভৰিৰ তলৰ মাটি নোহোৱা হৈ যাব। এতিয়া অৰ্ধেন্দু দেৱে ভৰ্ৎসনা প্ৰস্তাৱ আগবঢ়াই দিছে, তেখেতক ভৰত নৰহ বা আনে আনে উচতাই দি কিবা কিবা বিপদত পেলাব খুজিছেনে কি?

এসময়ত লংকা হোজাইত সা প্ৰদায়িক সংঘৰ্ষ হৈছিল সেই কথআ সৰ্বজনবিদিত। সেই সংঘৰ্ষ কেলেংকাৰীৰ অৰ্ধেন্দু কুমাৰো জড়িত। দৰঙত মোৰ কেৰাচিন তেলৰ কোটা কাটি লৈ গৈছিল। এই বিলাক কথা আৰু কিমান কম? সমস্যা সমাধানৰ ক্ষেত্ৰত এটা সামূহিক চিন্তা ধাৰা হব লাগে, আমি যদি ভৰ্ৎসনা প্ৰস্তাৱৰ জড়িয়তে এইবিলাক কথা গাই বাই থাকো তেন্তে সমস্যা সমাধান নহয়। অসমৰ জনসাধাৰণে আমাক ইয়ালৈ পঠাইছে, আমালৈ তেওঁলোকে চাই আছে। বম দি মানুহ মৰা, গুলিয়াই মানুহ মৰা এইবিলাক মানুহ মৰা কথা তেওঁলোকে আৰু শুনিব নোৱাৰা হৈছে। এইবিলাক বন্ধ কৰাৰ কাৰণে আমাৰ সমূহীয়া দায়িত্ব আছে, উগ্ৰপন্থীৰ সমস্যা সমাধান সামূহিকভাৱে হব লাগিব।

মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত আলফাই চাৰেণ্ডাৰ কৰিছে আৰু ইয়াৰ বাবে তেওঁ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনাইছে। বৰ্ত্তমানতকৈ আগৰ কংগ্ৰেছ চৰকাৰৰ দিনত আলফাক চালফা কৰাৰ ব্যৱস্থা আছিল সেইবিলাক কোনে কৰিছিল? উগ্ৰপন্থী হাবিৰ পৰা ঘৰলৈ ঘূৰি আহিছে, মুখ্যমন্ত্ৰীয়ে যিটো ব্যৱস্থা হাতত লৈছে আপোনালোকেও সহযোগ কৰক। বন্দুক এৰি আলফাই চাৰেণ্ডাৰ কৰিছে আমি ভাল পাইছো, তাৰ কাৰণে প্ৰফুল্ল কুমাৰ মহন্তদেৱ ধন্যবাদৰ পাত্ৰ।

উগ্ৰপন্থীৰ সমস্যাটো এটা ৰাষ্ট্ৰীয় সমস্যা। যিবিলাক উগ্ৰপন্থীয়ে চাৰেণ্ডাৰ কৰিছে তেওঁলোকক ভাল কাম নিয়োজিত কৰাটো, সংস্থাপন দিয়াটোত আমাৰ সকলোৰে দায়িত্ব আছে। চাৰি পাঁচ জন লগলাগি হাতত বন্দুক লৈ বিভিন্ন উগ্ৰপন্থী দলে ৰাইজৰ ওপৰত অত্যাচাৰ কৰিব, মানুহ মাৰিব এইবিলাকত মানুহে বৰ দুখ পাইছে। এইক্ষেত্ৰত

চৰকাৰে বহুতখিনি কাম কৰিছে আৰু কৰক। তেওঁলোকক এক গোট হৈ থাকিবলৈ দিব নালাগে। চালফা সকল একগোট হৈ থাকিলে অসমৰ কাৰণে আৰু বিপদ আহিব পাৰে। তেওঁলোকক বেলেগে বেলেগে ৰাখক। প্ৰয়োজন হলে বেলেগ ৰাজ্যলৈ লৈ যাওক।

বৰ্ত্তমান চৰকাৰৰ দিনত এটা গোষ্ঠী সংঘৰ্ষ হোৱা নাই। আপোনালোকৰ দিনত বহুত হৈছিল। গোষ্ঠী সংঘৰ্ষত ১৭৩ জন নিহত হৈছিল। গতিকে এইবোৰ কথা আমি চিন্তা কৰিব লাগিব।

আই এম ডি টিৰ ক্ষেত্ৰত সঁচা কথা কব লাগিব। অকল ৰাজনৈতিক মুনাফা লাভৰ কাৰণে বাহাল ৰাখিলে নহব। গণ পৰিষদ চৰকাৰে যিটো কথা কৈছে সেই সত্য কথাটো ৰাইজে উপলব্ধি কৰিছে। কংগ্ৰেছ চৰকাৰে আজি এটা কব, কালিলৈ এটা কব ৰাইজে কোনটো মানিব? ৰাইজে সকলা বুজি পাইছে। সকলো সান্দহ খোৱা বালি। উগ্ৰপন্থীৰ সমস্যাটো আমিয়েই বনাইছোঁ, এই কথা আপোনালোকে কওক নকওক পাৰ্লিয়ামেন্টত মাত মাতক বা নেমাতক ভুল আমিও কৰিছো।

এতিয়া গণ পৰিষদ চৰকাৰে যিটো ব্যৱস্থা লৈছে আমি খুউব ভাল পাইছো। ৰাইজৰ সন্মিলিত শক্তিৰ প্ৰতি লক্ষ্য ৰাখি পৰিস্থিতি আৰু উন্মুক্ত কৰিব লাগিব। অসমৰ জনসাধাৰণৰ কাৰণে, অসমৰ ভৱিষ্যতৰ কাৰণে আইন শৃংখলাৰ পৰিস্থিতি আৰু উন্নত কৰিব লাগিব। ইয়াৰ বাবে আমি সকলোৰেই আগবাঢ়ি আহোহক, এই আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**Mr. Speaker :** Hon'ble member Shri Hamen Das

* **শ্ৰীহেমেন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কম এই কাৰণে দুটামান কথা উত্থাপন কৰিবলৈ বিচাৰিছো। মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে ভৎর্সনা প্ৰস্তাৱ আনিছে সেই কাৰণটোৰ বাবেই ভৎৰ্সনা প্ৰস্তাৱটো বিৰোধিতা কৰাৰ যোগ্য। মুখ্যমন্ত্ৰী মহোদয়ে কিবা বেয়া কাম কৰিছে তাৰ কাৰণে অনাহলে ভাবি চাব পৰা হ'লহেতেন।

*Speech not corrected

আপোনালোকে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে ভৎৰ্সনা প্ৰস্তাৱ অনাৰ মন নাছিল, কিন্তু এখন চিঠিৰ কাৰণেহে আনিছে। ব্যক্তিগত আক্ৰোশৰ কাৰণে বিধান সভাৰ সময় অপচয় কৰাৰ কাৰণে অধ্যক্ষ মহোদয়, সম্পূৰ্ণ নিন্দনীয়। ভৰ্ৎসনা প্ৰস্তাৱটো মুখ্যমন্ত্ৰীৰ বিৰুদ্ধেহে অনা হৈছে। তাত মাননীয় মন্ত্ৰী শ্ৰীজয়নাথ শৰ্মাৰ কথাহে উল্লেখ কৰা হৈছে। তেখেতৰ বিৰুদ্ধে কিয় যাব লগা হ'ল। আপোনালোকে কি কৰবলৈ বিচাৰিছে কব নোৱাৰো। এটা কথা সকলোৱে জানে ১৯৯৬ চনত কি অৱস্থা চলিছিল। চৰকাৰে যিদিনা শপত লৈছিল তেতিয়া ৰাজ্যত সংঘৰ্ষ চলিছিল। এইবিলাক ঘটনা ঘটিছিলে শপত গ্ৰহণৰ আগদিনাৰ পৰা। পিচত সেইটো বন্ধ হৈ গ'ল। বড়ো সাহিত্য সভাৰ সভাপতি শ্ৰীবিনেশ্বৰ ব্ৰহ্মাৰ আৰু শ্ৰীমোহিনী বসুমতাৰীৰ হত্যা এই বিলাক উগ্ৰপন্থীৰ কাৰ্য্য। ৰাজনৈতিক উদ্দেশ্য সফল কৰাৰ কাৰণে আলফা, এন.ডি.এফ.বি., বি.এল.টি. আদি উগ্ৰপন্থী সংগঠন সমূহে ভাৰত চৰকাৰৰ বিৰুদ্ধে অস্ত্ৰ হাতত তুলি লৈছে। এইবিলাক আইন শৃংখলাৰ কাৰণ হব নোৱাৰে। এইবিলাক ধৰিলে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনত থাকিব নোৱাৰিব। নাগালেণ্ড, ত্ৰিপুৰা, মিজোৰামেই হওক এইবিলাকত উগ্ৰপন্থী সকলে ৰাজনৈতিক উদ্দেশ্য লৈ হাতত অস্ত্ৰ লৈছে। চোৰ ডকাইতি ঘৰ জ্বলাই দিয়া এইবিলাক হৈছে আইন শৃংখলাৰ কথা। মাননীয় মুখ্যমন্ত্ৰীয়ে কলিকতাত কৈছিলে ১৯৯৬ চনত কৈ আজি অসমৰ অৱস্থা ভাল হৈছে। ভূটানৰ পৰা অহা আলফাৰ লৰাবিলাকে উভতি যাবলৈ নিবিচাৰে। তেওঁলোকে চাৰগুৱাৰ কৰিবলৈ বিচাৰে। এইবিলাক এনেয়ে হোৱা নাই। চৰকাৰৰ দৃঢ় পদক্ষেপৰ কাৰণে হৈছে। ইয়াত সকলোৰে অৱদান আছে। উগ্ৰপন্থীক লৈ যাতে ৰাজনীতি নকৰে। উগ্ৰপন্থীৰ লগত যি ৰাজনৈতিক নেতাই আপোচ কৰিছে তেওঁ বিপদত পৰিছে। সমগ্ৰ ভাৰতবৰ্ষতে এনে হৈছে। সেই কাৰণে মই কৈছো আপোচ নকৰিব। আনৰ কাৰণে যি বন্দুক টোৱাৰ পিচত নিজৰ কাৰণে আহিব। আইন শৃংখলা ভাল নোহোৱা হলে লৰাবিলাক ঘৰলৈ নাহিলহেতেন। গতিকে শান্তি ঘূৰাই অনাত সহায় কৰক সকলোৱে সহায় কৰক।

**Mr. Speaker :** Now Hon'ble Member Mr. Bimolangshu

Roy.

**Sri Bimolangshu Roy :** Hon'ble speaker Sir, I am glad to have an opportunity to ventilate our views also in this August House. The issues which have been raised by the Members of Congress today, my party also expressed the same concerns earlier, more particularly about the incidents of the killing of Bineswar Brahma, Mohini Basumatari and Nagen Sarma. The same issue was also raised by no in the House on 2nd Sept. through an adjournment motion and we demanded for immediate action against the culprit. We also demanded a CBI inquiry into these incidents. In reply to this demand during the adjournment motion the Hon'ble Chief Minister made a declaration that a CBI Inquiry has already been ordered. To that extent, we were satisfied that at least our demand have been accepted by the Govt. We know sir, the problem of insurgency in Assam or in other states of North East has raised its ugly head. This problem has not been created evernight. This problem has not been created only after this Govt. came into power. In the tenure of the provious Govt. also this type of insurgency was there and for solution of this problem an accord had been made by the provious Government but thiscould not solve the problem. We know that dialogue with the extromists is some time necessary but now one party is acquising the other. The congress is acquising the AGP party that they have centered into a nexus with the ULFA and similar allogation is being lovolled against the congress also. I think this type of dialogue with the

insurgents is sometime required in the interest of the country, in the interest of the state. That is why the central Government is also holding discussions with various insurgent groups. There is nothing wrong in it, if anyone enters into a dialogue with the insurgent group for national interest but if any party enters into dialogue for their narrow political gain or for electoral gain, we cannot support it, rather we condomn it with all emphasis at our command. Sri Ardhendu Dey of Congress (I) has referred about IMDT and dared Govt. to repeal it. Here is the order of the supreme Court dated 28.8.2000. The Court has referred the affidavit filed by the Central Government wherein it has been termed as discriminatory and informed its intention to take stops for repealing IMDT. The affidavit sworn by the state Govt. also termed the Act as discriminatory and said thus liable to be set aside. We were happy that the Centre as well as the State Govt. have expressed their intention to repeal the Act. While we want to scrap the Act we also want full protection of genuine Indian Citizens and more particularly of the displaced persons.

We know, sir, this act couldnot solve the problem of foreign nationals in Assam. We are not against any genuine citizen. This discreminatory Act should be scrapped. A provision for adequate protection of genuine citizen should be made. If this Act is not applicable in other parts fo the country why Assam alone can be singled out for application of this particular Act. So for narrow political gain congress (I) are telling that the IMDT Act cannot be repealed.

So we urge upon the Govt. that suitable legislation should be made in this regard at the same time it is our duty to see that no foreigh national can enter into our country, and remain in any part of this country, so, with this few words I conclude.

Thank you sir.

*ডঃ জয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, সদনত আজি যি বিষয়ৰ ওপৰত ভৎৰ্সনা প্ৰস্তাৱ আনিছে সেই সম্পৰ্কত এগৰাকী সদস্যই আৰ্মিয়ে দিয়া ৰাকেশ বৰুৱাৰ এফ. আই.আৰত মোৰ সম্পৰ্কত যিখিনি কথা উত্থাপন কৰিছে, এই বিষয়টোৰ ওপৰত মোৰ হাতত থকা তথ্যখিনি সদনৰ ওচৰত দাঙি ধৰিব বিচাৰিছো। আৰু মই এনেকুৱা এটা ৰুলিং বিচাৰিছিলো। মই ভাবিছিলো যে সদনত এফ. আই. আৰ. সম্পৰ্কত বাতৰি কাকতত ওলাওতে মোৰ বিৰুদ্ধে কংগ্ৰেছে ভৰ্ৎসনা প্ৰস্তাৱ আনিব নানিলেও তেওঁলোকে মোৰ পদত্যাগ দাবী কৰিব। কিন্তু নকৰিলে, কাৰণটো হ'ল যি গৰাকী মানুহ ৰাকেশ বৰুৱাৰ সম্পৰ্কে কৈছো তেওঁ কোন? এইখিনি ডকুমেন্ট আৰ্মিয়ে দিছে

FIR agaisnt Minister a mistake, says Army-The Telegraph Dt. 30.Oct. 1997

'A joint statement issued by the State Chief Secretary and the GOC of 4 Crops, said the ULFA was maligning important personalities by fabricating stories of their links with the outlawed outfit. They said the FIR against the Minister, Mr. Zoii Nath Sarma, to have links with the ULFA was based on a "malicious and baseless" story planted by an 'alleged' ULFA militant. Defence sources said the Army was planning to drop the FIR.

However, today's statement refused to acknowledge

*Speech not corrected

that the arrested person was an ULFA militant. It said the allegation against the Minister was based on a 'malicious and baseless story planted by an alleged ULFA millitant and not the Darrang Unit Cultural Secretary of the outfit.

(then continued in Assamese)

This is to certify that Shri Rakesh Baruah S/o Shri Bhabani Baruah of Pub Panery under Panery P.S. is a businessman who is a law abiding person, is known to me, and helps Police in combating criminal activities in Darrang District. His attested photograph is attached.

(Photograph of the above person, seal of Office and signature of the S.P., Darrang, Mangaldai)

(Continued in Assamese and then read out/the copy of letter from the Dy. S. P., DSB, Darrang, Mangaldai dt. 2.11.95 which is reproduced as below).

"Shri Tapan Barua (Rakesh) S/o Bhabani Barua, aged about 28 years, a resident of Mangaldai town is known to me and he is my source.

Therefore he should not be disturbed or he may be given free movement as and when he produce this certificate.

(Again started in Assamese and then read as below)

তাৰমানে আৰ্মিয়ে প্ৰমাণ পত্ৰ দিছে। এইখন বাতৰি কাকততো ওলাইছে। টেলিগ্ৰাফত ওলাইছে - অসমৰ প্ৰতিদিন, অগ্ৰদূতত ওলোৱা নাই। ১৯৯৭ চনৰ অক্টোবৰ মাহত ওলাইছে আৰ্মিৰ এগ্ৰিমেন্ট বুলি। কংগ্ৰেছ চৰকাৰৰ শাসন চলি থাকোতেই কংগ্ৰেছে প্ৰমাণ পত্ৰ দিছে। ৰাকেশ বৰুৱা

IDENTITY CARD

Indian National Congress

Mangaldai Block Congress Committee

Card No. SPI (Extra)

Name : Rakesh Barua

Father's Name : Late Bhabani Barua

Designation :

Address : Mangaldoi Town, Word No. 7

P.O. Mangaldoi, Dist : Darrang.

Sd/- Signature of President/ Gen. Secy.

Dt.14.8.97

The undermentioned SULFA are working for us as our sources. You are requested to Adjt.

তাৰ মানে এইখন তেতিয়াৰ এচ.পি.য়ে দিছিল। আকৌ এইখন এডিশ্বন্যেল ডি.এচ.পি., এচ.বি. ইংৰাজীত ইয়াৰ মুল কপি আছে। এখন হাত থকা প্ৰমাণ পত্ৰ পালো, লিখিছে 12 bihar before anyone of them is picked up:

a) Hiranya Goswami

b) Tarani Das

c) Pankaj Goswami

d) Mantu Majundar

e) Ajoy Narzari

f) Jeilany Khan

g) Rakesh Baruah

Unit : 12 Bihar — Sd/ P. C. Balwada,

Stn. C/o 99APO — Major, Offg. Adjt

Dt. : 03 Jun,/94 — for Co.

ইয়াৰ অৰিজিনেল কপি আহি গৈছে। এইখন কংগ্ৰেছৰ। এই বিষয়ে তেখেতসকলে এদিনো কৈছে নে? আৰ্মিয়ে জনা বুলি গম পাইছিল। এইখন পঢ়ি দিলো -- প্ৰতি মাননীয় মুখ্য সচিব মহোদয়, অসম, মহাশয়, সন্মানপূৰ্বক নিবেদন এই যে মই এজন ছালফা সদস্য। মই ছিপাঝাৰ কংগ্ৰেছ (ই) নেতা মাধৱ ৰাজবংশীৰ জৰিয়তে সেই সময়ৰ মন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মনৰ সহায়ত গুৱাহাটীৰ উপায়ুক্তৰ ওচৰত

আত্মসমৰ্পন কৰিছিলো। আত্মসমৰ্পন কৰাৰ পিছৰে পৰা মই সেই সময়ৰ শাসক দলৰ লগত মধুৰ সম্পৰ্ক গঢ়ি ব্যৱসায় বাণিজ্য কৰি থাকো।

দৰং জিলাৰ সেই সময়ৰ অৰক্ষীক ৰবি কান্ত সিঙৰ জৰিয়তে তলত নাম দিয়া বন্ধু কেইজনৰ লগতে আমি পুলিচ আৰু সামৰিক বাহিনীৰ লগত আমাৰ জীৱনৰ নিৰাপত্তাৰ বাবে সহযোগ কৰি থাকো।

সেই মৰ্মে আমাক আৰ্মিয়ে চাৰ্টিফিকেট দিছিল। লগতে ৰাকেশ বৰুৱাক পুলিচ অধীক্ষকেও চাৰ্টিফিকেট দিছিল। প্ৰমাণৰ বাবে প্ৰতিলিপি আপোনাৰ জ্ঞাতাৰ্থে গাঠি দিলো।

উল্লেখ থাকে যে মোক সামৰিক বাহিনীৰ দ্বাৰা হত্যা কৰিম বুলি মঙলদৈৰ জিলা কং(ই) সদস্য তথা প্ৰাক্তন সৈনিক শ্ৰীভূপেন দাসে ভাবুকি দি আছে। অন্যথাই তেওঁ মোৰ পৰা টকাও দাবী কৰিছিল। শ্ৰীদাসে লগতে মাননীয় মন্ত্ৰী ডঃ জয়নাথ শৰ্মাৰ বিপক্ষে আৰ্মিৰ আগত কিবা কিবি কৰ লাগে বুলিও হেচা দি আছিল। এই বিষয়ত মই মঙলদৈ আৰক্ষীক লিখিত ভাবে জনাইছো।

অলপতে ৰাকেশে মোৰ বিৰুদ্ধে সামৰিক বাহিনীৰ ওচৰত কেতবোৰ মিছা অভিযোগ দিছে। যাক মই বাতৰি কাকত যোগে জানিছো।

সেয়ে মহোদয়ৰ ওচৰত মোৰ জীৱনৰ নিৰাপত্তা বিচাৰি এই আবেদনখন আপোনাৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰিলো। ইতি-আপোনাৰ বিশ্বাসী, শ্ৰীহিৰণ্য গোস্বামী, পিতা ঃ শ্ৰীবলদেৱ গোস্বামী, গাওঁঃ ডেৰুৱা, থানাঃ ছিপাঝাৰ দৰং, বৰ্ত্তমান ঠিকনা ঃ ৭নং ওৱাৰ্ড, মঙ্গলদৈ।

অধ্যক্ষ মহোদয়, আৰ্মি ধৰাৰ পিচত পুলিচে কি কৈছিল, এইটো দীঘলীয়া, তথাপি শুনিবলগীয়াখিনি কওঁ। যোৱা নিৰ্বাচনৰ সময়ত মাধৱ ৰাজবংশীৰ হকে শৰৎ শৰ্মাই নিৰ্বাচনী প্ৰচাৰ চলাইছিল। এই কথা বাতৰি কাকতত ওলাই গৈছে। ষ্টেটমেন্টত ৰাকেশে তেতিয়া কৈছে। বাতৰি কাকতত এনেকুৱা কথা ওলোৱাৰ পিচত মই পেপাৰ বিলাক থৈ দিছো। টাটা কোম্পানীৰ লগত কি হৈছিল। সকলো কথা হৈ গৈছিল। (চিঠি দেখুৱায়) এইখন টাটা কোম্পানীৰ চিঠি। ইনটাৰভিউলৈ মাতিছিল। টাটা আৰু আমাৰ মাজত কিবা আছে নেকি? নগদ ধন দিছে, গাড়ী দিছে। বিভিন্ন সম্পৰ্ক আছিল। এইখিনি লগে লগে টাটালৈ গৈছে। বাতৰি কাকতৰ পৰা নহয়, এইটো কোৱা নাই। টাটা কোম্পানীৰ

লগত চিটি ডি.এচ.পি., এচ.পি.ৰ লগতো থাকে। আকৌ কংগ্ৰেছৰ লগতো থাকে। আকৌ কৈছে জয়নাথ শৰ্মাৰ বিৰুদ্ধে কৰা নাই। এই ক্ষেত্ৰত যদি ন্যায়িক ভাৱে বিচাৰে তেতিয়া হলে চেনচৰ মোচন আনিব লাগিছিল। মোক যদি ৰিজাইন দিবলৈ কয় মই দি দিম। খগেন নাথে কংগ্ৰেছক সহায় কৰিছে। মতিউৰ ৰহমান, বাপেক কংগ্ৰেছী, মোৰ লগত মিটিংঙলৈ গৈছিল। হোম মিনিষ্টাৰে দিয়া চিঠি মোৰ হাতত আছে। (চিঠি ইংৰাজীত পঢ়ি দিয়ে।)

Copy of the message received from Home (N.E.), New Delhi is reproduced below :

"Report received in this Ministry indicates that ULFA has drawn up a plan to assassinate Dr. Joynath Sarmah, Revenue Minister of Assam. The attempt would be made between Dhuni and Hatimuria areas under P.S. Sipajhar, district Darrang. Decission to carry out assassination of Assam Revenue Minister was taken by ULFA during celebration of its raising Day, April 7, 2000 in Bhutan and has been code name "operation Green". Name of Sri C. M. Patowari, Minister for Agriculture of Assam also figures in the hit list under this operation. It is requested that the State Govt. Assam may kindly be alerted immediately. All precutionary measures in this regard may be taken by State Govt. of Assam. This may be treated as most immediate.

The Chief Secretary gas already intimated you over telephone about this threat. All security measures might have already been taken for the safety and security of the Hon'ble Minister, Revenue and the Hon'ble Minister, Agriculture, Fool-proof security to protect their lives may kindly be taken including adequate briefing of the concerned S.Ps.

মাননীয় অধ্যক্ষ মহোদয়, আলফাৰ লগত যদি মোৰ লিংক আছিল তেনেস্থলত তেওঁলোকে কিয় মোক হত্যা কৰিবলৈ চেষ্টা কৰিছিল? ইতিমধ্যে মোৰ লগৰ ৪ জনক হত্যা কৰিছে। যি কি নহওক এফ. আই. ৰাজেশ বৰুৱাৰ বিৰুদ্ধে আছিল। এফ. আইৰ যিখিনি কথা সেই খিনিৰ ইনভেষ্টিগেশ্যন হওতে দেখা গৈছে তাত থকা গোটেই কথা বিলাকেই অসত্য। গতিকে মোৰ ওপৰত যিবিলাক অত্যাচাৰ উৎপীড়ন চলি আছে সেইবিলাক যাতে ধৰা পৰে সেই কাৰণে তেওঁলোকে এই ক্ষেত্ৰত চি.বি.আই. দাবী কৰক। ৰাজনৈতিক ভাৱে মোক হত্যা কৰিবলৈ চেষ্টা কৰি যেতিয়া নোৱাৰিলে তেতিয়া ফিজিকেলি হত্যা কৰিবলৈ চেষ্টা কৰিছে। খগেন নাথ, এম ৰহমান কোন? এওঁলোকক অৱশ্যে এৰেষ্ট কৰিছে। ৰাজেশ বৰুৱাই মুকলিকৈ ঘূৰি ফুৰিছে ৰাজেশ বৰুৱাৰ দ্বাৰা মোৰ ভাবমূৰ্ত্তিক নষ্ট কৰিবলৈ ষড়যন্ত্ৰ কৰিছে। মোৰ হাতত আগতে অৰিজিনেল কাগজ বিলাক নাছিল কিন্তু এতিয়া মোৰ হাতত আছে কাৰণেই আজি মই সুবিধা পাইছো। মোৰ হাতত এতিয়া অৰিজিনেল কাগজ আছে। গতিকে মই আজি অনুৰোধ কৰিছো আজি কংগ্ৰেছে যিবিলাক কথা আৰম্ভ কৰিছে সেইবিলাক এতিয়া এৰাই চলি ৰাজনৈতিক সদভাবেৰে আগবাঢ়ক। যিদিনাখনৰ পৰাই তেওঁলোক বিৰোধী পক্ষত আছিল সেইদিনাৰ পৰাই তেওঁলোকে বিহ গুটি ৰুইছিল। প্ৰয়াত মুহিনী বসুমতাৰীক কোনে হত্যা কৰিছিল সেইটোতে তেওঁলোক লাগি আছে কিন্তু এই মৃত্যুত তেওঁলোকে গৰিহনা দিয়া নাই। তেওঁলোকে কেৱল কোন জগৰীয়া সেইটোতহে লাগি আছে।

*** শ্ৰীচিলভিউচ কন্দপান** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি আমাক কবলৈ নিদিয়ে নেকি?

**মাননীয় অধ্যক্ষ** ঃ যিহেতু মুখ্যমন্ত্ৰীৰ ওপৰত মোশ্যন আনিছে এতিয়া তেখেতে উত্তৰ দিয়ক।

***ডঃ অৰ্দ্ধেন্দু কুমাৰ দে** ঃ আপুনি কলে আমাক টাইম দিব এতিয়া কৈছে সময় নাই। আপুনি ডিকটেটৰচিপ চলাইছে।

**মাননীয় অধ্যক্ষ** ঃ আপুনি উইদ্ৰ কৰক। (সদনত হুলস্থূল পৰিবেশ)

***শ্ৰীচিলভিউচ কন্দাপান** ঃ মুখ্যমন্ত্ৰীয়ে কোৱাৰ পাচত আৰু আমাৰ

---

*Speech not corrected

ফালৰ পৰা কবলৈ স্কোপ নাথাকিব। (সদনত হুলস্থূল পৰিবেশ) (কংগ্ৰেছ দলে সদনৰ পৰা ওৱাক-আউট কৰিলে)

*শ্ৰীজয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, জুডিচিয়েল এঙকুৱাৰী ডিমাণ্ড কৰক বুলি মই চেলেঞ্জ কৰিছিলো। সেই কাৰণে আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ ৰিপ্লাই ফেচ কৰিব লাগিব বুলি তেওঁলোক ওলাই গ'ল।

**মাননীয় অধ্যক্ষ** ঃ মই তেওঁলোকক ওলাই যাবলৈ নকও। মই কেৱল এইটো ইণ্ডিকেচনহে দিছিলো যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ৰিপ্লাই দিব। সেইটো মোৰ বিবেচনাধীন। মই সময় নিদিও বুলি এতিয়াও কোৱা নাই।

*শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী (শান্তি আৰু সংসদী পৰিক্ৰমা মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি যেতিয়া ইণ্ডিকেচন দিছিল তেতিয়া বিৰোধী দলৰ সদস্য সকলে লাগিছিল যে আমাক অলপ সময় দিব লাগে। সেইটো নকৈ তেখেত সকলে ডিক্টেটৰশ্বিপ চলোৱা বুলি আপোনাক কৈছে। বিৰোধী দলৰ সদস্য সকলে হাউচ চলাই নিয়াৰ ক্ষেত্ৰত সহায় কৰা নাই। ডিক্টেটৰশ্বিপ চলোৱা বুলি কিয় কৈছে তাৰ কাৰণে অহাকালি ব্যৱস্থা লব লাগে আৰু কংগ্ৰেছ দলক বহিস্কাৰ কৰিব লাগে।

*শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ডিক্টেটৰশ্বিপ চলোৱা বুলি কোৱা কথাটো উইথড্ৰ নকৰো বুলি কৈছে। গতিকে এই ক্ষেত্ৰত আপুনি ব্যৱস্থা লব লাগে। অভদ্ৰামি কিয় কৰিব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বিপ্লাই তেওঁলোকে ফেচ কৰিব নোৱাৰে। সেইকাৰণে তেওঁলোক ওলাই গ'ল।

**মাননীয় অধ্যক্ষ** ঃ ডিক্টেটৰশ্বিপ কথাযাৰ উইথড্ৰ কৰিবলৈ নকও। সেইটো কৰিলে কালি বিষয়টো উথাপন কৰিব নোৱাৰিম। I am going to takeup the matter now. এতিয়া আপোনালোকে সময় বঢ়াই লব পাৰে। মাননীয় সদস্যা শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম ডাঙৰীয়ানীয়ে এতিয়া তেখেতৰ বক্তব্য ৰাখিব।

* শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি কংগ্ৰেছ

*Speech not corrected

P. R. Brahma - ভাৰতীয় কংগ্ৰেছ

দলৰ সদস্য সকলে যিটো বিষয়ৰ ওপৰত অনাস্থা প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাই মই কিছু বক্তব্য ৰাখিব বিচাৰিছো। বড়ো সাহিত্য সভাৰ সভাপতি বিনেশ্বৰ ব্ৰহ্ম আৰু আমাৰ সদনৰ মাননীয় সদস্য মোহিনী বসুমতাৰীক হত্যা কৰাৰ কাৰণে মই সেই হত্যাকাণ্ডক তীব্ৰ ভাষাৰে গৰিহনা দিছো। আৰু আজি সদনত মই সেই হত্যাকাণ্ডৰ তীব্ৰ প্ৰতিবাদ জনাইছো। বড়ো সাহিত্য সভাৰ সভাপতি বিনেশ্বৰ ব্ৰহ্মক কোনে হত্যা কৰিলে সেইটো আজিলৈকে স্পষ্ট নহ'ল। ঠিক তেনেকৈ মোহিনী বসুমতাৰীক কোনে হত্যা কৰিলে সেইটোও আজিলৈকে স্পষ্ট নহ'ল। পুলিচৰ যিটো ভাষ্য সেই ফালৰ এজন পুলিচ বিষয়াই কৈছে যে বিনেশ্বৰ ব্ৰহ্মাৰ হত্যাকাণ্ডৰ লগত এন.ডি.এফ.বি. জড়িত আছে আৰু বেলেগ এজন পুলিচ বিষয়াই কৈছে যে এই হত্যাকাণ্ডৰ লগত বি.এল.টি. জড়িত আছে। দুই ধৰণৰ ভাষ্য আমি পুলিচৰ ফালৰ পৰা শুনিবলৈ পাইছো। কোনোবাই আকৌ কৈছে বিনেশ্বৰ ব্ৰহ্মাৰ হত্যাকাণ্ডৰ চৰকাৰৰ ষড়যন্ত্ৰ নিহিত আছে। আজিলৈকে চৰকাৰেও নিজৰ ভাৱমূৰ্ত্তি নিকা কৰি ৰাখিবৰ কাৰণে কোনো বিবৃতি দিয়া দেখা নাপালো। বি.এল.টি. আৰু এন.ডি.এফ.বি. এই দুয়োটা উগ্ৰপন্থী সংগঠনেও হত্যা কৰা বুলি স্বীকাৰ কৰা নাই। সেইকাৰণে আমাৰো সন্দেহ হৈছে যে এই হত্যাকাণ্ডৰ লগত জড়িত থকা চক্ৰটো কোন? এই হত্যাকাণ্ড সংঘটিত হোৱাৰ আগতে বি.এ.চি. এলেকাত বোমা বিস্ফোৰন হৈছিল। মাননীয় সদস্য দেৱকান্ত ৰামচিয়াৰীয়ে তেতিয়া প্ৰশ্ন কৰিছিল এই বোমা বিস্ফোৰণ কোনে কৰিছে? যিহেতু পি.ডি.এফৰ কৰ্মীসকলৰ ঘৰত বোমা বিস্ফোৰণ কৰাৰ মতলব আছে কাৰোবাৰ সেয়েহে সেই একেটা মতলব থকা ব্যক্তিয়েই এই দুজন ব্যক্তিক হত্যা কৰিছে। যিসকল লোকে বড়ো সকলৰ সমস্যাটো শান্তিপূৰ্ণ ভাৱে সমাধান হোৱাটো বিচৰা নাই সেই সকলেই একতা আৰু ভাতৃত্বৰ ভাব নষ্ট কৰিবৰ কাৰণে এই দুজন লোকক হত্যা কৰিছে। সেইটো প্ৰশ্নই মোৰ মনত উদয় হৈছে। ২২ তাৰিখে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই গৃহ বিভাগৰ বিষয়া সকলৰ লগত বৈঠক কৰি আমাৰ প্ৰয়াত মন্ত্ৰী নগেন শৰ্মাৰ

হত্যাকাণ্ডৰ তদন্তৰ ভাৰ চি.বি.আইৰ হাতত অৰ্পণ কৰিছে। কিন্তু আমাৰ যি দুগৰাকী ব্যক্তি এগৰাকী আমাৰ সদনৰ সদস্য মোহিনী বসুমতাৰী আৰু আন এগৰাকী ব্যক্তি হ'ল বড়ো সাহিত্য সভাৰ সভাপতি বিনেশ্বৰ ব্ৰহ্ম, যিজন ব্যক্তি সকলোৰে প্ৰিয়ভাজন আছিল আৰু যিজন ব্যক্তিয়ে বড়ো সমাজৰ মাজত শান্তি সম্প্ৰীতি ঘূৰাই অনাৰ কাৰণে অহৰহ চেষ্টা কৰিছিল। সেই দুজন ব্যক্তিৰ হত্যাকাণ্ডৰ তদন্তৰ ভাৰ বয়তে চি.বি.আইক দিয়া নহ'ল। অৱশ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই পবিত্ৰ সদনত জনাইছে যে এই দুটা হত্যাকাণ্ডৰ তদন্তৰ ভাৰো চি.বি.আইক দিয়া হব। তাৰ কাৰণে তেখেতক আমি ধন্যবাদ জনাইছো আৰু গোটেইবোৰ সম্প্ৰদায়ৰ লোকেই তেখেতক ধন্যবাদ জনাব। বিনেশ্বৰ ব্ৰহ্ম এজন শান্তি প্ৰেমী আৰু সমাজ সেৱক ব্যক্তি আছিল। তেখেতৰ অধ্যৱসায়ৰ কাৰনে বড়ো সাহিত্য এইট চিডুলত অন্তৰ্ভূক্ত কৰিবৰ কাৰণে আগুৱাই আহিছিল। ৰোমাণ লিপিৰ কাৰণেই নে দেৱনাগিৰি লিপিৰ কাৰণে তেওঁক হত্যা কৰা হ'ল সেইটো আমি কবলৈ নাযাও। যি সকল আততায়ীয়ে এই দুজন ব্যক্তিক হত্যা কৰিলে সেইটো পিচত স্পষ্ট হব। বড়ো সমাজে এইটো বিচাৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বড়ো সমাজে শান্তি বিচাৰে। বড়ো সাহিত্য সভাৰ সভাপতি বীনেশ্বৰ বড়ো আৰু বিধায়ক মোহিনী বসুমতাৰী হত্যাৰ তদন্ত ভালকৈ হওক ৰাইজে এইটো বিচাৰিছে। আমাৰ সমাজত দুটা উগ্ৰপন্থী আছে এন. ডি. এফ. বি. আৰু আনটো হৈছে বি. এল. টি.। উগ্ৰপন্থী সকলৰ সমস্যা বিলাক সমাধান কৰিবৰ কাৰণে বীনেশ্বৰ ব্ৰহ্মই আহোপুৰুষাৰ্থ চেষ্টা চলাইছিল। সেইজন ব্যক্তিক হত্যা কৰা লগে লগে আমাৰ সমস্যাবিলাক সমাধান হোৱাটো বিচৰা নাই। চৰকাৰে এই ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ লৈ আমাৰ ভাতৃঘাটি সমস্যাটো বন্ধ কৰিব বুলি আমি আশা ৰাখিছো। বড়ো সমাজৰ পৰা নিৰ্বাচিত হৈ যোৱা সংসদ সদস্য চাংচমা বসুমাতাৰী আছে। এই নেতা সকলক ৰক্ষণাবেক্ষণ দিয়াৰ দায়িত্ব চৰকাৰৰ আছে নে নাই? যদি আছে অতি সোনকালে বড়ো সমস্যাটো সমাধান

হয় তাৰ কাৰণে চৰকাৰে পদক্ষেপ লব লাগে। এইটো দাবী জনাই মোৰ বক্তব্য ইমানতে সামৰণি মাৰিলো।

শ্ৰীআব্দুৰ ৰৌফ ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি কংগ্ৰেছ দলে অগপ দলৰ চৰকাৰখনলৈ অনা ভৎৰ্সনা প্ৰস্তাৱৰ মাজতে আই. এম. ডি. টি. প্ৰসংগ উল্লেখ কৰি সংখ্যালঘু বিধায়ক সকলৰ স্থিতিৰ স্পষ্টিকৰণ বিচাৰিছে। মাননীয় মুখ্যমন্ত্ৰী তথা অগপ দলে মাননীয় উচ্চতম ন্যায়ালয়ত চৰকাৰৰ তৰফৰ পৰা বাতিলৰ সপক্ষে এফিডেফিত দিয়াটো আমাৰ দৃষ্টি গোচৰ হৈছে। আই এম ডি টি আইনখন অসম চুক্তিৰ আধাৰত বাতিলৰ কোনো অধ্যায় নাই অথচ এই চুক্তি কাৰ্য্যকৰী কৰাৰ কাৰণেহে দুৰ্ভাগ্য যে যি দলৰ চৰকাৰ ক্ষমতাত আছে সেই দলেই আইনখন বাতিলৰ পোষকতা কৰে। যোৱা ২৮-৮-২০০০ তাৰিখত চুপ্ৰিম কৰ্টত আই এম ডি টি বাতলি সংক্ৰান্তত বিভিন্ন কাকতত খবৰ ওলাইছে। ঠিক ৩১ আগষ্ট তাৰিখত 'দৈনিক প্ৰতিদিন' কাকতত কংগ্ৰেছ মহল উৎফুল্লিত বুলি বাতৰি পৰিবেশন কৰিছে। আজি ৬ চেপ্তেম্বৰত কংগ্ৰেছৰ সংখ্যালঘু গোটে আইনখন বাহাল ৰখাৰ কাৰণে দিশপুৰৰ লাষ্ট গেটত ধৰ্না দিছে। সৌভাগ্যক্ৰমে মহামান্য উচ্চতম ন্যায়ালয়ে এই আইন সম্পৰ্কত কোনো চূড়ান্ত ৰায় প্ৰদান কৰা নাই বা একেবাৰে নিস্পত্তি কৰা নাই। কেৱল মাত্ৰ চৰকাৰৰ স্থিতি ২০০১ চনৰ জানুৱাৰী মাহৰ ভিতৰত মহামান্য আদালতত জনোৱাৰ কথা উল্লেখ কৰিছে। প্ৰত্যেক ৰাজনৈতিক দলেই আমাৰ সংখ্যালঘু জনসাধাৰণক ভিতি প্ৰদৰ্শন কৰি ভোট বেংক হিচাপে ব্যৱহাৰ কৰি আহিছে। এই ক্ষেত্ৰত (কংগ্ৰেছ) দলৰ দ্বৈত চৰিত্ৰ সৰ্বজন বিদিত। ১৯৯১ ইং চনত কংগ্ৰেছ দলে ক্ষমতাত আহি ১৯৯২ চনৰ ২৫ জুন তাৰিখত জনসংযোগ বিভাগৰ জৰিয়তে প্ৰতিবেদনত অসম চুক্তি ৰূপায়ণ অধ্যায়ত (পৃষ্ঠা.৫৪) এই এক্ট সম্পৰ্কত লিখিছে "আই এম ডি টি আইনৰ অধীনত বিদেশী বহিস্কৰণৰ গতি অতি লেহেম আৰু বিৰক্তিকৰ। সেয়ে বহিস্কৰণ আৰু চিনাক্তকৰণৰ বাবে বৰ্ত্তমানৰ আই এম ডি টি আইনখনৰ বিশ্লেষণাত্মক পৰ্য্যালোচনা হোৱা উচিত। ৰাজ্য চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাও অবৈধ প্ৰব্ৰজনকাৰী আইনখন

বাতিল কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত উক্ত মতকেই দাখিল কৰিছে।" ইয়াৰোপৰি ৩ জুলাই ১৯৯২ ইং চনৰ তাৰিখে ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰীনৰসিংহ ৰাৱে গুৱাহাটীৰ জৰ্জ খেল পথাৰত অনুষ্ঠিত জনসভাত জনসংযোগ বিভাগে পুস্তিকা আকাৰে অসমীয়াত প্ৰকাশ কৰা "প্ৰধান মন্ত্ৰীৰ ভাষণ"ৰ ১০/১১ পৃষ্ঠাত লিখিছে" এইমাত্ৰ শইকীয়াই এটুকুৰা কাকত দি কৈছে আইনৰ কিছু সংশোধন হোৱা উচিত। য'ত সুৰক্ষা আছে, তাক বন্ধ কৰিব লাগে। মই এই সন্দৰ্ভত ইয়াকে কওঁ যে সেই সম্পৰ্কত আমি চিন্তা কৰিম।" সেইদৰে ৩ জুলাই, ১৯৯২ তাৰিখে উত্তৰ পূব মণ্ডল কংগ্ৰেছ (ই) সমন্বয়ৰক্ষী সমিতিৰ প্ৰতিবেদনত ১ কোটি মুছলিম সম্প্ৰদায়ৰ লোক উত্তৰ পূৰ্বাঞ্চলত অনুপ্ৰৱেশ ঘটিছে বুলি উল্লেখ আছে।

ঠিক সেইদৰে বিজেপি দলৰ নেতা মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীঅটল বিহাৰী বাজপেয়ীয়ে কৈছে-"এই আইনখন পক্ষপাতমূলক, এই আইন প্ৰয়োজনবোধে সাল-সলনি কৰা হ'ব।"

মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত ৮৫ চনত ৩ লাখ মানুহক মাত্ৰ একজন মানুহৰ আপত্তিত শুনানি লোৱা হৈছিল। তেতিয়াৰ পৰা আজিলৈ মই নিজে পাচবাৰ শুনানি দিছো। এই আইনখন প্ৰযোজ্য হোৱাৰ পিচত আমি সংখ্যালঘু জনসাধাৰণে শুনানিত থিয় হ'ব লগা হোৱা নাই। গতিকে দেখা যায় এই আইনখন পক্ষপাতমূলক নহয়। এই আইনখন আমি সংখালঘু জনসাধাৰণে পূৰ্ণ সমৰ্থন কৰো। এই আইনখন বিদেশীক ৰক্ষণাবেক্ষণ দিয়াৰ পৰিবৰ্ত্তে সংখ্যালঘু স্বদেশীক আইনৰ আশ্ৰয় লোৱাত সহায়ক হৈছে। মাননীয় সদস্য ড° অৰ্দ্ধেন্দু কুমাৰ দে ডাঙৰীয়াই যিখিনি কথা কৈছে কেৱল তেওঁলোকৰ ভোটৰ স্বাৰ্থত কৈছে। সংখ্যালঘু জনসাধাৰণৰ স্বাৰ্থত কোৱা নাই। কংগ্ৰেছৰ দিনত প্ৰণয়ন কৰা 'পপুলেশ্বন পেটাৰ্ন বিলত' জনসংখ্যা অনুপাতে চাকৰি দিয়াৰ কোনো শব্দই উল্লেখ নাই। এনেকুৱা আভুৱা ভৰা কথাৰে কংগ্ৰেছে আমাক ফাকি দি আহিছে। মাননীয় অধ্যক্ষ মহোদয়, সংখ্যালঘু বিধায়ক সকলক আঙুলি দেখুৱাই বক্তব্য ৰখাৰ কাৰণে উক্ত কথাখিনি কবলৈ বাধ্য হলো। যোৱা কংগ্ৰেছ চৰকাৰৰ পাঁচ বছৰৰ ভিতৰত সংখ্যালঘু মুছলমান ১০৭৩ জনে সাম্প্ৰদায়িক সংঘৰ্যত প্ৰাণ আহুতি দিব লগা

হৈছিল।

এইখিনি কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

✻ **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, যিটো বিষয়লৈ কংগ্ৰেছ দলে ভৎৰ্সনা প্ৰস্তাৱ আনিছে তাৰ কাৰণে মই ধন্যবাদ জনাইছো। মই প্ৰথমতে কওঁ যে বাঘ, সিংহ, হাতী আদি এইবিলাক ধৰিবলৈ যোৱাৰ আগতে কিছু লম্ফ জম্ফ হয় পিচত লাহে লাহে কমি যায়। আজি কংগ্ৰেছৰ দলতো এইটো অৱস্থা হৈছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া মই কেইটামান বিষয়ে কব বিচাৰিছো।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই কেইটামান বিষয়ৰ ওপৰত কব বিচাৰিছো অসম গণ পৰিষদৰ শাসন কালত আইন শৃংখলাৰ অৱনতি ঘটা বুলি কংগ্ৰেছে দাবী কৰাৰ কথা কোনো যুক্তিযুক্ততা নাই। অসম গণ পৰিষদৰ চাৰি দলীয়া মৰ্চা চৰকাৰে ১৯৯৬ চনৰ ১৫ মেত শাসনভাৰ লোৱাৰ পিছৰ পৰা আগৰ চৰকাৰৰ দিনত অৱনতি ঘটা আইন শৃঙ্খলাৰ উন্নতি সাধন কৰিবলৈ সকলো প্ৰকাৰে প্ৰচেষ্টা চলাই আহিছে আৰু আইন শৃংখলাৰ যথেষ্ঠ উন্নতি সাধন কৰিবলৈ সক্ষম হৈছে। আমাৰ চৰকাৰৰ দিনত অসমত কোনো সাম্প্ৰদায়িক সংঘৰ্ষ হোৱা নাই যদিও আগৰ চৰকাৰৰ দিনতে আৰম্ভ হোৱা গোষ্ঠীগত সংঘৰ্ষৰ প্ৰতিক্ৰিয়াই নামনি অসমৰ দুখন জিলাত আইন শৃংঙ্খলাত ব্যাঘাত জন্মায় কিন্তু আমাৰ চৰকাৰে দৃঢ় পদক্ষেপলৈ কঠোৰ ভাৱে সন্ত্ৰাসবাদীৰ দ্বাৰাই প্ৰৰোচিত গোষ্ঠীগত সংঘৰ্ষৰ দ্বাৰা উদ্ভৱ হব পৰা পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়।

এইখিনিতে উল্লেখ কৰিবপাৰি যে কংগ্ৰেছ চৰকাৰৰ দিনত ১৯৯২ চনত সাম্প্ৰদায়িক সংঘৰ্ষত মুঠ ৯৮ জন নিৰপৰাধী লোকে মৃত্যুবৰণ কৰিবলগীয়া হয়। কিন্তু অগপ চৰকাৰৰ দিনত কোনো সাম্প্ৰদায়িক সংঘৰ্ষই মূৰ দাঙি উঠিব পৰা নাই। আমাৰ চৰকাৰৰ দিনত পাকিস্থানৰ চোৰাংচোৱা সন্থা আই.এচ.আই.ৰ ৪ জন লেখতলবলগীয়া এজেন্ট গ্ৰেপ্তাৰ কৰা হৈছে আৰু তেওঁলোকৰ পৰা এই কথাও জানিব পৰা

✻Speech not corrected

হৈছে যে অসমত সাম্প্ৰদায়িক সংঘৰ্ষক উচটনি দিবৰ কাৰণে আই. এচ. আইৰ প্ৰচেষ্টা চলি আছে, কিন্তু বিদেশী শক্তিৰ আহৰণ প্ৰচেষ্টা আৰু অসমৰ গোৰা মৌলবাদী সংগঠনেৰে প্ৰচেষ্টা চলোৱাৰ পাছতো চৰকাৰে বিশেষ ব্যৱস্থা লোৱাৰ বাবে সাম্প্ৰদায়িক সংঘৰ্ষৰ বাধা দি ৰাখিব পৰা হৈছে। সেই বাবে বিৰোধী পক্ষই আমাক সমালোচনা কৰাৰ পৰিবৰ্ত্তে আমাক সহযোগ কৰি অসমত যাতে সাম্প্ৰদায়িক সংঘৰ্ষৰ সূত্ৰপাত নহয় সেই ক্ষেত্ৰত সহায় সহযোগ আগবঢ়াব লাগে।

আমাৰ চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ পিছৰে পৰা সন্ত্ৰাসবাদীৰ বিৰুদ্ধে এক জনমত গঠন কৰিবলৈ প্ৰচেষ্টা চলাই আহিছে। সন্ত্ৰাসবাদক কঠোৰ হাতেৰে দমন কৰিবলৈ প্ৰশাসনক নিৰ্দ্দেশ দিয়া হৈছে আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে এক সুসংযত অভিযান চলাবলৈ সাধাৰণ প্ৰশাসন, আৰক্ষী, অৰ্দ্ধ-সামৰিক আৰু সামৰিক বাহিনীকলৈ ইউনিফাইড কমাণ্ড ষ্টাকচাৰ প্ৰৱৰ্ত্তন কৰা হৈছে। এই খিনিতে উল্লেখ কৰিব পাৰি যে আগৰ চৰকাৰৰ দিনত ১৯৯১ চনৰ পৰা ১৯৯৬ চনৰ ১৪ মেলৈ ১১৭ জন সন্ত্ৰাসবাদী নিৰাপত্তা বাহিনীৰ লগত সংঘৰ্ষত মৃত্যু হৈছে কিন্তু আমাৰ চৰকাৰৰ চাৰে চাৰিবছৰতে ৮০৮জন সন্ত্ৰাসবাদীৰ নিৰাপত্তা বাহিনীৰ লগত হোৱা সংঘৰ্ষত মৃত্যু হয়। পৰিসংখ্যাৰ পৰা চালে এই সংখ্যা বেছি। আগৰ চৰকাৰৰ দিনত তেওঁলোকৰ শাসন কালত যিমান উগ্ৰবাদী গ্ৰেপ্তাৰ কৰিছিল তাতকৈ অধিক সংখ্যক উগ্ৰবাদী এই চৰকাৰৰ দিনত ইতিমধ্যে গ্ৰেপ্তাৰ হৈছে। ১৯৯৬ চনৰ ১৫ মে'ৰ পৰা ৩১ আগষ্ট ২০০০ চনলৈকে সৰ্বমুঠ ৫৭৮৫ জন উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰা হৈছে আৰু ১৪৬৬ টা অস্ত্ৰ আৰু ১,১৬,১৩৯৮৭ টকা সন্ত্ৰাসবাদীৰ পৰা জব্দ কৰা হৈছে। ওপৰোক্ত পৰিসংখ্যাৰ পৰা এই কথা স্পষ্ট ওলাই পৰে যে অগপ চৰকাৰৰ দিনত সন্ত্ৰাসবাদৰ বিৰুদ্ধে অভিযান তিব্ৰতৰ কৰা হৈছে আৰু ফলস্বৰূপে সন্ত্ৰাসবাদ জৰ্জৰিত অসমলৈ শান্তি ঘূৰি আহিছে। আমাৰ কাৰণে এইটো সঁচাকৈয়ে সুখবৰ যে ইতিমধ্যে ২২৮৪ জন উগ্ৰপন্থী সন্ত্ৰাসবাদ পৰিহাৰ কৰি মূলসূতিলৈ ঘূৰি আহিছে আৰু তেওঁলোকে বিভিন্ন ধৰণৰ ২৬৬ টা অস্ত্ৰ প্ৰশাসনৰ ওচৰত জমা দিছে। মূল সূতিলৈ আগৰ চৰকাৰৰ দিনতো বহুতো ঘূৰি আহিছিল কিন্তু তেওঁলোকে প্ৰশাসনৰ ওচৰত জমা দিয়া অস্ত্ৰৰ পৰিমাণ যথেষ্ট কম আছিল।

বড়ো সাহিত্য সভাৰ সভাপতি বিনেশ্বৰ ব্ৰহ্মাৰ হত্যা সম্পৰ্কে বিভিন্নজনে প্ৰশ্ন উত্থাপন কৰিছে তেখেতক নিজ ঘৰতে সন্ত্ৰাসবাদীয়ে গুলিয়াই হত্যা কৰিছে। আমাৰ মাজৰ পৰা আজি নগেন শৰ্মাও নাই, তেখেতৰ মৃত্যুৰ অনুসন্ধান চলি আছে এতিয়া আমি কেচটো চি.বি.আইক হেন্ডঅভাৰ কৰিছো। বিনেশ্বৰ ব্ৰহ্ম, মোহিনী বসুমতাৰীৰ কেচো দণ্ডাধীক্ষ পৰ্য্যায়ৰ তদন্ত পোৱাৰ পিচত আমি চি.বি.আইক হেণ্ড অভাৰ কৰিম। মাননীয় সদস্য গৰাকীয়ে কি কাৰণে সন্দেহ প্ৰকাশ কৰিছে নাজানো। মই বুজিবলৈ অসুবিধা পাইছো। ব্ৰহ্মাৰ মৃত্যু হোৱাটো সঁচাকৈয়ে দুৰ্ভাগ্যজনক কথা। ব্ৰহ্ম ডাঙৰীয়াৰ লগত ভালকৈ কথা বতৰা পাতি যোৱাৰ সময়ত সন্ত্ৰাসবাদী সকলে গুলিয়ায় থৈ যায়। পৰিচিত লোকে তেওঁৰ লগতকথাবতৰা পাতি যোৱাৰ সময়ত গুলিয়ায় থৈ যোৱাটো দুৰ্ভাগ্যজনক কিন্তু এই ঘটনাই আইন শৃংখলা অৱনতি হোৱাটো নুবুজায়। মহানগৰ আৰক্ষীয়ে ইতিমধ্যে বড়ো উগ্ৰপন্থীৰ গুৱাহাটী মহানগৰীৰ যোগাযোগ কেন্দ্ৰ ধ্বংস কৰিছে, ৩০ জনকৈও অধিক উগ্ৰপন্থীৰ গ্ৰেপ্তাৰ কৰিছে আৰু এনডিএফবিৰ চিটি একচন কমাণ্ডাৰ বি. নাঠুৰৰ আৰক্ষীৰ লগত হোৱা সংঘৰ্ষত যোৱা মাৰ্চত মৃত্যু হৈছে। বিনেশ্বৰ ব্ৰহ্মক ভেটাপাৰাত গুলিয়াই মৰাৰ বাবে চৰকাৰক ভৎৰ্সনা কৰিছে বিৰোধী পক্ষই, কিন্তু সেই ভেটাপাৰাতে দুদ্ধৰ্ষ উগ্ৰপন্থী চিটিৰ একচন কমাণ্ডাৰ এনডিএফবিৰ আগশাৰীৰ সক্ৰিয় সদস্যৰ আৰক্ষীৰ লগত হোৱা সংঘৰ্ষৰ মৃত্যুত চৰকাৰক প্ৰশংসা কৰা নাই। বিনেশ্বৰ ব্ৰহ্মাৰ মৃত্যু যেনেকৈ দুৰ্ভাগ্যজনক, তেনেদৰে মহানগৰীতে উগ্ৰপন্থীৰ হাতত নিহত হোৱা বিমল ভূঞা, লাচিত কলিতা, কনমানি শব্দনমৰ হত্যাও দুৰ্ভাগ্যজনক। কিন্তু এই হত্যাকাণ্ডবোৰৰ বাবে আমি বাৰু কাক ভৎৰ্সনা কৰিম। এইবোৰ হত্যা যিবোৰ গুৱাহাটীত হৈছে সেইবোৰটো আমাৰ চৰকাৰৰ দিনত হোৱা নাই।

ইউ পি দি এচৰ কাৰ্য্যকলাপ এই বছৰ মাৰ্চৰ পৰা বৃদ্ধি হৈছে। ইতিমধ্যে এই হিংসাত্মক কাৰ্য্যত ৫১জন লোকে প্ৰাণ হেৰুৱাইছে। উদ্দেশ্য প্ৰনোদিত ভাৱে ন্যস্ত স্বাৰ্থসিদ্ধিৰ কিছুমান অশুভ শক্তিয়ে উগ্ৰপন্থী সংগঠনক কামত ব্যৱহাৰ কৰা বাবে সাময়িকভাৱে হিংসাত্মক কাৰ্য্য বৃদ্ধি হৈছে। আগষ্ট মাহৰ পৰা দুই এটা সৰু সুৰা ঘটনাৰ বাহিৰে সামগ্ৰিকভাৱে কাৰ্বি আংলংত ডাঙৰ ঘটনা ঘটা নাই স্বাভাৱিক পৰিস্থিতি

লাহে লাহে উন্নতি হোৱা দেখা যায়। আৰক্ষী আৰু সেনাৰ অভিযান উগ্রপন্থীৰ বিৰুদ্ধে চলি আছে। এই অভিযানে ইতিমধ্যে বহুত সুফলো দিছে। এই বছৰত আৰক্ষীয়ে মুঠতে ৫০জন ইউ পি ডিএচ উগ্রপন্থীক আটক কৰিছে, ২ জনৰ সংঘৰ্ষত মৃত্যু হৈছে, ১২টা অস্ত্র উদ্ধাৰ কৰা হৈছে। আৰক্ষীয়ে ১৯৯৯ চনত ইউ পি ডি এছৰ চুপ্রিম কমাণ্ডাৰ গান্ধীৰাম টেৰাংক গ্রেপ্তাৰ কৰিছে আৰু কেপি এচৰ চেয়াৰমেন ৰামচিং হান্সেক ১৯৯৭-১৯৯৮ চনত আৰক্ষীৰ লগত সংঘৰ্ষত মৃত্যু হৈছে। ইউপিডিএচৰ ৩২জন সদস্যই এই বছৰ আৰক্ষী আৰু সেনাবাহিনীৰ ওচৰত আত্মসমৰ্পন কৰি মূলসূতিলৈ ঘূৰি আহিছে। অধ্যক্ষ মহোদয়, সন্ত্রাসবাদৰ বিৰুদ্ধে আমাৰ চৰকাৰৰ দৃষ্টিভঙ্গী স্পষ্ট।

After assuming power my Government accorded highest priority to maintain law and order, CI operation to safeguard the lives and properties of the people following very clear policy against the militants. Unified command structure was set up in the state representing the Army, CPO and the state police. In close cooperation with Army and CPO, the state police has achieved considerable success in counter insurgency operation. During the last 4 (four) years 667 hard-core militants have been killed in encounter, 5400 militants have been apprehended and huge quantity of arms, ammunition and explosives have been recovered from them. With relentless pressure on the militants, the level of the violence has been reduced and the support of the militants have dwindling and there is a palpable change in the public opinion against the militancy. The State Government has also undertaken training and gainful rehabilitation of surrendered militants. As all the members are aware the people of Assam have made a heavy sacrifice in the face of insurgency and militant activities in the state. Our security men had to lay down their lives while fighting terrorism. During the last 4 years

alone, 332 securitymen including 165 police personnel were killed in encounter. Due to State Goverment's clear policy to eliminate terrorism from the soil, several of my party men lost their lives in the militant repraisal. Shri Nagen Sarma, a seniormost Minister was assacinated recently and three other senior Ministers and myself had a narrow escapes from the terrorism. However, the State Government is determined to carry on with the fight against the terrorism despite continuous threat to my Ministers, party workers and other innocent people of the state.

অধ্যক্ষ মহোদয়, কংগ্ৰেছ দলে ভৎৰ্সনা প্ৰস্তাৱ অনাৰ আগতে তেখেত সকলে এটা বিষয় বিবেচনা কৰি চাব লাগিছিল। মই যিখন চিঠিৰ উদ্ধৃতি দিছিলো তাত তেওঁলোক আজি শংকিত হৈ পৰিছে। যোৱা নিৰ্বাচনতযে তেওঁলোকে আলফাৰ লগত বুজাবুজিত আহিছিল তাৰ যথেষ্ট প্ৰমাণ মোৰ হাতত আছে। মই মুখ্যমন্ত্ৰী হিচাবে কিছুমান ভেলিদ ডকুমেন্টৰ ওপৰত নিৰ্ভৰ কৰি সম্পূৰ্ণ দায়িত্ব লৈ এই অভিযোগ আনিছো। কংগ্ৰেছৰে এগৰাকী সদস্যই আলফাৰ লগত কংগ্ৰেছৰ সম্পৰ্ক আছে বুলি কংগ্ৰেছ সভানেত্ৰী ছোনিয়া গান্ধীলৈ চিঠি লিখিছে। তেওঁলোকে আজি কোনো কথাই লুকাই লাভ নাই কংগ্ৰেছৰ লগত আলফাৰ সম্পৰ্কৰ বিষয়ে কোনেও নজনা নহয়। আজি সেই সদস্যগৰাকীয়ে ভয়ে ভয়ে মোলৈ টেলিফোন কৰিছে। তেওঁক হেনো যুৱক কংগ্ৰেছে ভয় দেখুৱাইছে, তৰুণ গগৈয়ে এনে কথা কোৱা নাই বুলি কবলৈ তেওঁক বাধ্য কৰাব বিচাৰিছে। তেওঁলোকে আজি বাতৰি কাকতৰ যোগেদি কৈছে যে মুখ্যমন্ত্ৰীৰ হাতত কি তথ্য আছে আমাক জনাওক আনহাতে একে বাতৰি কাকততে আকৌ বিবৃতি দিছে আদালতত কেচ তৰিম বুলি। যদি আদালততে কেছ দিয়ে দিয়ক মই আদালততে সাক্ষ্য দিম তাৰ আগতে তথ্য দিয়াৰ কি দৰ্কাৰ। মাননীয় সদস্য ভৰত নৰহে আকৌ যিজনে তৰুণ গগৈলৈ চিঠি লিখিছিল তেওঁক নাই লিখা বুলি কবলৈ খাটিৰ ধৰিছে আৰু তেওঁক কংগ্ৰেছ দলৰ পৰা টিকট দিয়া হব বুলি কৈছে। তৰুণ গগৈৰ লগত লগ নালাগিলে পৰিস্থিতি বিষম হব বুলি সদস্য গৰাকীক চাৰিওফালৰ পৰা ভীতি প্ৰদৰ্শন কৰা হৈছে। মোৰ

চিকিউৰিটিৰ কথা কৈছে আৰু মই আৰক্ষীক চিকিউৰিটি দিব লাগে বুলি কৈছো। (ভইচ-তেওঁৰ কিবা হলে ভৰত নৰহ দায়ী হব)

মাননীয় সদস্য ডাঃ অৰ্দ্ধেন্দু কুমাৰ দেই মই কাৰ্বি আংলংত যোৱাৰ পাছত সংঘৰ্ষৰ সৃষ্টি হোৱা বুলি অভিযোগ আনিছে।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য অৰ্দ্ধেন্দু দে ডাঙৰীয়াই কৈছে যে, মই যোৱাৰ পিচৰে পৰা তাত ঘটনা বাঢ়িছে। আমি চালো কথাবিলাক কোনে কৈছে? তাৰ পিচত শুনা গ'ল যে, মহন্ত উভটাৰ পিচতহে কাৰ্বি আংলংত অধিক অশান্তি হৈছে। এইবিলাক কোনে কৈছে? কংগ্ৰেছে কৈছে। আনে কোৱা নাই। মুখ্যমন্ত্ৰী ভ্ৰমণে কাৰ্বি আংলঙত পৰিস্থিতি জটিল কৰিছে। কোনে কৈছে। তৰুণ গগৈয়ে কৈছে কংগ্ৰেছ সভাপতিয়ে। কিন্তু অধ্যক্ষ মহোদয়, তেওঁলোকে এটা কথা নকলে। সংসদ আৰু এ.এচ.দি.চিৰ চেয়াৰমেন ডঃ জয়ন্ত ৰংপীয়ে এটা ষ্টেটমেন্ট দিছিল যে কাৰ্বি আংলংত উগ্ৰপন্থীৰ পৃষ্ঠপোষকতা কৰিছে কংগ্ৰেছে। এইকথা তেওঁলোকে লুকুৱাই ৰাখিলে। বাতৰি কাকতৰ নিউজত তেওঁলোকে এইটো কলে আৰু কংগ্ৰেছে এইটো লুকুৱাই ৰাখিলে। মই কাৰ্বি আংলঙলৈ গৈছিলো শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জনাবলৈ আৰু তাৰ লগে লগে আৰ্মি দিপ্লয় কৰা হৈছে চি. আৰ. পি.এফ. দিপ্লই কৰা হৈছে যাতে তাত আৰু অধিক অশান্তি বিয়পাব নোৱাৰে। আৰু সেইটো বন্ধ কৰিব পৰা হল। অধ্যক্ষ মহোদয়, কিন্তু কংগ্ৰেছে তাত ভুল ধৰণে বুজাবলৈ গৈছে। অধ্যক্ষ মহোদয়, কংগ্ৰেছৰ আলফাৰ লগত বা সন্ত্ৰাসবাদীৰ লগত যি সম্পৰ্ক সেইটো নতুন কথা নহয়। ভাৰতবৰ্ষত যিদিনাই কংগ্ৰেছ অপজিচনলৈ আহিছে সেইদিনাই সন্ত্ৰাসবাদৰ জন্ম দিছে। যি ৰাজ্যতেই নহওক। অধ্যক্ষ মহোদয়, আপোনাৰ নিশ্চয় মনত আছে যে, ইন্দিৰা গান্ধী প্ৰধান মন্ত্ৰী হৈ থাকোতে পঞ্জাৱত তিনদ্ৰেনৱালাক পেট্ৰনাইজ কৰিছিল ভায়লেন্স কৰিবৰ কাৰণে আৰু তাৰ ফলত এই তিনদ্ৰেৱালা এই সন্ত্ৰাসবাদীৰ হাততেই মৃত্যু হবলগীয়া হল। ৰাজীৱ গান্ধীও প্ৰধান মন্ত্ৰী হৈ থাকোতে এল.টি.টি.ই.ক পেট্ৰনাইজ কৰিছিল আৰু সেই এল.টি.টি.ই.ৰ হাততেই দুৰ্ভাগ্যজনক আৰু আমি দুখ প্ৰকাশ কৰিছো যে, ৰাজীৱ গান্ধীৰ মৃত্যু হ'ল। উত্তৰ পূৰ্বাঞ্চলত সন্ত্ৰাসবাদৰ জন্ম দিছে কংগ্ৰেছে। আন কোনেও

দিয়া নাই। আৰু কংগ্ৰেছে তেওঁলোকক নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰিছে। অধ্যক্ষ মহোদয় মোৰ হাতত এখন ষ্টেটমেন্ট আছে অৱশ্যে মোৰ ওচৰত দিয়াৰ কথা নহয় উত্তৰ লক্ষীমপুৰৰ চি.জি.এমৰ হাতত দিছে। তাত লিখিছে কংগ্ৰেছৰ এজন ফাইনেন্স চেক্ৰেটৰিয়ে তেওঁলোকক কিমান পইচা দিছে। ষ্টেটমেন্টত ৰমাকান্ত শইকীয়া নামৰ এজন শিক্ষক আৰু আন আন বহুতো আছে। আজি সদনত কংগ্ৰেছ থকা হলে মই পঢ়ি শুনালোহেতেন। এই গোটেইখিনি কথা। অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যত সন্ত্ৰাসবাদীৰ হত্যা, কাৰ্য্যকলাপৰ প্ৰতিৰোধৰ প্ৰশ্নত কেৱল আমাৰ প্ৰশাসনেই নহয়, আনকি সৰ্বসাধাৰণ ৰাইজকো এই প্ৰতিৰোধ আন্দোলনত জাগ্ৰত কৰাত আমাৰ ফৰ পাৰ্টিৰ এলায়েন্স গৱৰ্ণমেন্ট সফল হৈছে। ৰাজ্যৰ বিভিন্ন অঞ্চলত ৰাইজে সন্ত্ৰাসবাদৰ বিৰোধিতা কৰিবলৈ আজি নৈতিক বল আহৰণ কৰিছে আৰু ৰাজপথলৈ ওলাই আহিছে। আনকি কোনো কোনো ক্ষেত্ৰত সন্ত্ৰাসবাদীক ধৰি প্ৰশাসনৰ হাতত গতাই দিয়া বহুতো ঘটনা ৰাজ্যখনত ঘটিছে। কংগ্ৰেছৰ দিনত এইবিলাক ঘটনা ঘটিছিলনে? কেইমাহ মানৰ আগতে যোৰহাটত ৰাইজে দুজন আলফাক ধৰি আৰক্ষীৰ হাতত গতাই দিয়া কথা 'দৈনিক জনমভূমি' কাকতত বাতৰিৰ শিৰোনামা লিখিছে এইদৰে "হালোৱা এচাৰিৰে কোৱাই আলফাক ফাল ফাল"। কৰাৰ কথা কংগ্ৰেছে পাহৰিলেনেকি? এইবিলাক প্ৰশ্নৰ উত্তৰ তেওঁলোকে দিব পাৰিবনে? বাতৰি কাকতৰ উদ্ধৃতি যি তেওঁলোকে যিখিনি কৈছিল মই তাকেহে কব বিচাৰিছো। আলফাৰ স্বৰ্ত্ত মানিবলৈ কংগ্ৰেছ সাজু। গগৈয়ে আলফাক ক্ষমা খুজিলে আলফাৰ ধৃষ্টতা নাই। কামপুৰত আলফাৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুজিবলৈ ৰাইজে এইদৰে নৈতিক বল ফিৰাই পোৱাতো অত্যন্ত তাৎপৰ্য্যপূৰ্ণ ৰাজনৈতিক আৰু প্ৰশাসনিক ঘটনা। অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ উন্নয়নত আতুৰ হৈ উঠা জনসাধাৰণে সন্ত্ৰাসবাদৰ বিৰুদ্ধে সংগ্ৰামত চৰকাৰৰ প্ৰশাসনক বিপুলভাৱে সহাৰি জনোৱাৰ বিপৰীতে ৰাজ্যত বিৰোধী দলে কংগ্ৰেছে সন্ত্ৰাসবাদৰ বিৰুদ্ধে সংগ্ৰামত কি ভূমিকা লৈছে সেইটো আজি ৰাজ্যৰ জনসাধাৰণৰ সন্মুখত পৰিস্কাৰ ৰূপে দাঙি ধৰাটো প্ৰয়োজন। আজি সময় উপযোগী ভাৱে বিৰোধী পক্ষই ভৎৰ্সনা প্ৰস্তাৱ আকাৰে হলেও জনসাধাৰণক বিষয়টো অৱগত কৰিবলৈ সুযোগ দিয়াত মই তেখেতসকলক পুনৰবাৰ ধন্যবাদ

জ্ঞাপন কৰিছো। যদিও সদনত এতিয়া তেওঁলোক নাই। ৰাজ্যত সন্ত্রাসবাদৰ বিৰুদ্ধে সংগ্রামত আমাৰ চৰকাৰক সহযোগিতা কৰাটো দূৰৰ কথা ৰাজ্যত তেখেতসকলৰ নিজৰ চৰকাৰ থাকোতেও নিজৰ দলৰ ভিতৰতে বিসম্বাদী কাৰ্য্য সহায় কৰিবলৈ বৰ্ত্তমান ৰাজ্য কংগ্রেছৰ সভাপতিজনে নিৰাপদৰ আশ্ৰয় আৰু যোগাযোগ নিৰাপদ কেন্দ্ৰ হিচাবে নিজৰ বাসভৱন আলফাৰ হাতত তুলি দিছিল যাতে সন্ত্রাসবাদী কাৰ্য্যকলাপৰ জৰিয়তে নিজৰ দলৰ চৰকাৰৰ পতন ঘটাতো সহজকৰি তুলিব পাৰে। এই কথা আজি বেলিৰ দৰে সত্য। যোৱা ৪ টা বছৰত আলফাই আহ্বান দিয়া বন্ধবোৰত বৰ্ত্তমানৰ কংগ্রেছ সভাপতিয়ে বাতৰি কাকতলৈ বিবৃতি দি, নিস্ক্রীয় প্ৰতিবাদ এটা নকৰি নীৰৱে থাকি বন্ধবোৰত নৈতিক সমৰ্থন থকাৰ ইঙ্গিত দি আলফাক নিজৰ সপক্ষে পাবলৈ যত্ন কৰি আহিছিল। তেখেতসকলে যোৱা ৪টা বছৰত জনসাধাৰণৰ সমস্যাসমূহ লৈ আনকি কোনো ধৰণৰ আন্দোলন কৰি নিজৰ চৰকাৰৰ বিৰুদ্ধে ভাৱমূৰ্ত্তি ৰক্ষা কৰাৰ প্ৰয়োজন বোধ কৰা নাই। কিন্তু তেওঁলোক সকলোৱে স্থিৰ কৰিছে যে, সন্ত্রাসবাদৰ মাটি চহাই ৰাষ্ট্ৰপতি শাসনৰ কঠিয়া পাৰিব আৰু খেতি চপাব আৰু আতুৰ জনসাধাৰণৰ মাজত শান্তি প্ৰতিষ্ঠা কৰিব। কিন্তু সেই কঠিয়াৰ আজি পৰালি পৰিল। ১৯৯৭ চনৰ ৩০ জুন তাৰিখে জজ খেলপথাৰত সন্ত্রাসবাদৰ বিৰুদ্ধে সৰ্বদলীয় সমাবেশ অনুষ্ঠিত হৈছিল। অধ্যক্ষ মহোদয়, এই সমাবেশত ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্রেছে সমৰ্থন দিও নিজ দায়িত্ব বোধেৰে উপস্থিত থাকিম বুলি কোৱাৰ পিচতো শেষ মুহূৰ্ত্তত তেওঁলোক তাৰ পৰা পলাই দিলে। এই বিলাক কথা ৰাজ্যৰ জনসাধাৰণে নিশ্চয় মনত ৰাখিছে। আজি সন্ত্রাসবাদ বিৰোধী সংগ্রামত জনসাধাৰণৰ মনত প্ৰতিৰোধ ক্ষমতাৰ জন্ম দিয়া শাসক দলৰ বিৰুদ্ধে আজি কংগ্রেছে ভৎৰ্সনাৰ প্ৰস্তাৱ আনি নিজকে ৰাজনৈতিক বহুৱা কৰিবলৈ আহিছে। আজি যিগৰাকী সভাপতিৰ নেতৃত্বত কংগ্রেছে ক্ষমতা দখল কৰাৰ দিবাস্বপ্ন দেখিছে সেই গৰাকী সভাপতিয়ে নিজৰ দলৰ নেতা বা কৰ্মী উগ্ৰপন্থীৰ হাতত আক্রান্ত হওতে কোনো এদিনো এটা মাত মতা নাই। ১৯৮০ চনৰ ১৯ এপ্রিল তাৰিখে আলফাই নাজিৰাত হিতেশ্বৰ শইকীয়াক হত্যা কৰাৰ কাৰণে বোমা বিস্ফোৰণ কৰিছিল। তেখেতসকলক প্ৰশ্ন কৰিব খুজিছো যে,

এই হত্যাৰ প্ৰচেষ্টা কিয়? তৰুণ গগৈয়ে এই হত্যাৰ প্ৰতিহত কৰাৰ কাৰণে কোনো ব্যৱস্থা কৰা নাছিল কিয়? লক্ষিমপুৰ জিলাত কংগ্ৰেছ সভাপতি লেখন লাহনক, বৰপেটা জিলাৰ যুৱ কংগ্ৰেছ নেতা ৰঞ্জিত বৰুৱাক হত্যা কৰা কাণ্ডক তৰুণ গগৈয়ে প্ৰতিবাদ কৰিছিলনে? আনহে নালাগে মানৱেন্দ্ৰ শৰ্মাৰ দৰে সমাদৃত লোকৰ হত্যাৰ প্ৰতিবাদ কৰা কোনো স্বাক্ষৰ তেওঁলোকে দাঙি ধৰিব পাৰিবনে? কেতিয়াও নোৱাৰে। কিয় নোৱাৰে কাৰণ বৰ্ত্তমানৰ সভাপতিজনৰ আলফাৰ সৈতে সম্পৰ্ক বহুত পুৰণি আৰু নিবিৰক যাৰ বাবে তেওঁলোকে দলীয় নেতা বা আলফাৰ হত্যাত মৃত্যু হোৱা ঘটনাৰ প্ৰতিবাদ নকৰি নিৰৱে সমৰ্থন কৰি আহিছে। কংগ্ৰেছৰ এই গৰাকী সভাপতিৰ কাৰ্য্যকালত ১৯৯৭ চনৰ নৱেম্বৰ মাহত ১৭ তাৰিখে এ.আই.চি.চি.ৰ সভাপতি সীতাৰাম কেশৰীয়েও ৰাজীৱ ভৱনত অনুস্থিত সংবাদ মেলত কংগ্ৰেছে আলফাক শ্ৰদ্ধাহে কৰে বুলি ৰাইজৰ ওচৰত ঘোষণা কৰি গৈছে। তাৰ আগতে কংগ্ৰেছে আলফাক সমালোচনা কৰিছিল। কিন্তু যেতিয়াই আলফাই ওৱাৰ্নিং দিছিল তেতিয়া তেওঁলোকে ক্ষমা খুজিলে সীতাৰাম কেশৰীৰহে। 'আমাৰ অসম কাকতত ওলাই গৈছে - আলফাক ক্ষমা খুজিলে কংগ্ৰেছৰ ধৃষ্টতা নাই। আলফাৰ প্ৰতি আমাৰ শ্ৰদ্ধা আছে। অধ্যক্ষ মহোদয় এই য়ে হৈছে কংগ্ৰেছ। বিধান সভাৰ প্ৰয়াত সদস্য সুৰেন মেধিৰ ভৱানীপুৰৰ উপ নিৰ্বাচনৰ প্ৰচাৰত কংগ্ৰেছ সভাপতি তৰুণ গগৈয়ে আলফাক মানিলম বুলি ৰাজহুৱা ভাৱে ঘোষণা কৰিছিল। ঘাগ্ৰাপাৰাত ভিক্ষা কৰাৰ কথা কংগ্ৰেছে পাহৰিলেনেকি? এইবিলাক প্ৰশ্নৰ উত্তৰ তেওঁলোকে দিব পাৰিবনে? বাতৰি কাকতৰ উদ্ধৃতি যি তেওঁলোকে যিখিনি কৈছিল মই তাকেহে কব বিচাৰিছো। আলফাৰ স্বৰ্ত্ত মানিবলৈ কংগ্ৰেছ সাজু। গগৈয়ে আলফাক ক্ষমা খুজিলে আলফাৰ ধৃষ্টতা নাই। কামপুৰত আলফাৰ লগত আলোচনাত বহিল নৃপেন ১৫-৯-৯৯ তাৰিখে। এই কথা আমাৰ অসম কাকতত ওলাইছে। যিখন কাগজত এডিটৰিয়েল তেওঁলোকে উদাহৰণ দিছে মই পঢ়ি নিদিও। তাতে সকলো কথা আছে। তেওঁলোকে কেনেধৰণে কথা বতৰা পাতিছিল। অধ্যক্ষ মহোদয় প্ৰশ্ন হৈছে অসম কংগ্ৰেছ দেশপ্ৰেমী হয়নে নহয়? সেই কাৰণে মই কৈছো যে কংগ্ৰেছক নিৰ্বাচনী নিৰ্বাচন খেলাৰ পৰা বিৰত ৰাখিব লাগে। কাৰণ আলফাৰ

লগত সম্পৰ্ক থকাৰ ওপৰিও সদনত কংগ্ৰেছৰ মাননীয় সদস্য আছে যিজন যোৱা নিৰ্বাচনত ১৯৯৮ চনতে মৰিয়নীত চাৰেণ্ডাৰ কৰা আলফাক কংগ্ৰেছ দলে কাউন্টিং এজেন্ট হিচাবে নিযুক্তি দিছিল।

অধ্যক্ষ ডাঙৰীয়া, কংগ্ৰেছ দলে কয় আমি আলফাৰ লগত জড়িত বুলি। কিন্তু কংগ্ৰেছ দলে ১৯৯৬ চনত আলফাৰ এজন সদস্যক নিৰ্বাচনত কংগ্ৰেছৰ কাউন্টিং এজেন্ট হিচাবে ৰাখিছিল। তেতিয়া কংগ্ৰেছৰ লগত চুক্তি হৈছিল আলফাই তেওঁলোকক সহায় কৰিব। এইবোৰৰ পিচতো তেওঁলোকে কোন সতে এ.জি.পি.ক আক্ৰমণ কৰিবলৈ যায়? আজি আই এছ আইৰ কথা উঠিছে। আই.এচ.আই.ৰ কুটাঘাটমূলক কাৰ্য্যকলাপ কেৱল অসমতে নহয় সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ কাৰণে এক সংকট জনক সমস্যা হৈ পৰিছে। এই ক্ষেত্ৰত সকলো মুছলমান লোকেই আই.এচ.আই.নহয়। ইয়াত হিন্দু, মুছলমান সকলো থাকিব পাৰে। এইখিনিতে মই এখন চিঠিৰ কথা উল্লেখ কৰিব খুজিছো ১৯৯৪ চনৰ ১৩ মে তাৰিখে এখন চিঠি আহিছিল আৰু তাত কোৱা হৈছিল অধ্যক্ষ ডাঙৰীয়া, এইখন চিঠিৰ ওপৰত ভিত্তি কৰি সেই সময়ৰ বৰাক ভেলী আৰু পাৰ্বত্য অঞ্চলৰ আয়ুক্ত গৰাকীয়ে কিম্বা সেই সময়ৰ কংগ্ৰেছ চৰকাৰে তৎকালীন ভাৱে ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল। কিন্তু তাকে নকৰি সেইখন গাপ দি থলে। সেইটো নকৰাহেতেন আজি উগ্ৰপন্থীৰ কাৰ্য্যকলাপ নাবাঢ়িলহেতেন। তাৰ বাহিৰেও মই সেই সময় আৰু আজিৰ এটা অভাৰঅল ক্ৰাইম ফিগাৰৰ কথা কব খুজিছো। ১৯৯৬ চনৰ জুন মাহলৈকে হত্যা, লুণ্ঠন আদি ধৰণৰ ৰুজু কৰা মুঠ কেচ আছিল ২১৮০১২টা আৰু তেতিয়াৰ পৰা যোৱা ৩১ আগষ্টলৈ ৰুজু কৰা এনে ধৰণৰ মুঠ কেচ হৈছে ১৫৮৭৮১টা। গতিকে তুলনামূলক ভাৱে এই সংখ্যা হ্ৰাস পাইছে। সেইদৰে কংগ্ৰেছৰ দিনতকৈ এতিয়া হত্যাকাণ্ডও কম হৈছে। এইকথা বিলাক বিভিন্ন ৰিপৰ্টত লিখা আছে। কিন্তু তেওঁলোকৰ এতিয়া সদনত উপস্থিত নাই কাৰণে মই আটাই বিলাক কথা বহলাই কব খোজা নাই।

অধ্যক্ষ ডাঙৰীয়া, আজি যিবিলাক বিপথগামী যুৱক মূলসূতীলৈ ঘূৰি আহিছে তেওঁলোকৰ সংস্থাপনৰ কাৰণে আমি বিভিন্ন ব্যৱস্থা হাতত লৈছো। কিন্তু কংগ্ৰেছৰ দিনত এই ক্ষেত্ৰত কোনো ডিফিলিট আঁচনি

লোৰা নাছিল। তাৰফলস্বৰূপে তেওঁলোকে এনে পুনৰ সংস্থাপনৰ নামত যি সকল লৰাক চাবচিডি ল'ন দি থৈ গৈছিল সেই ল'নৰ ৬৯কোটি টকা এতিয়া এই চৰকাৰৰ কাৰণে বোজা হৈ পৰিছে। সেই কাৰণেই মই স্পষ্ট ভাৱে ক'ব খোজো যে কংগ্ৰেছৰ অপশাসনৰ ফলতে অসমত সন্ত্ৰাসবাদৰ জন্ম হোৱাতো মূল কাৰণ। তেওঁলোকে আজি মন্ত্ৰী জয়নাথ শৰ্মাৰ বিৰুদ্ধে অভিযোগ আনিছে আৰু সেই অভিযোগ শ্ৰীশৰ্মাই স্পষ্ট ভাষাৰে খণ্ডন কৰিছে। তেওঁলোকৰ কাৰ্য্য কলাপ সেই সময়ৰ তেওঁলোকৰ অতি মৰমৰ বাতৰি কাকতবোৰত প্ৰকাশ কৰি গৈছে। অভিশষ বাৰ্মাক অপহৰণ কৰাৰ বাতৰি সেই বাতৰি কাকততে প্ৰকাশ হৈছিল। সেই ঘটনাত এজন কংগ্ৰেছ দলৰ মন্ত্ৰীও জড়িত থকা বুলি প্ৰকাশ পাইছিল। আৰু পন হিচাবে ৫ লাখ টকা দাবী কৰিছিল। তেওঁলোকে এই বিলাক ঘটনাৰ কিবা সমাধান কৰিছিলনে? মই অল ইণ্ডিয়া ভায়লেন্স, মাৰ্ডাৰ আদিৰ এটা হিচাব দাঙি ধৰিব খুজিছো। যোৱা বছৰটোত এই হিচাব মতে এনে ধৰ্ষণৰ ঘটনা অন্ধ্ৰপ্ৰদেশত হৈছে ২৯৭২ টা আৰু অসমত হৈছে ১৬৬৫টা। সেইদৰে বিহাৰত যিখন ৰাজ্যত বৰ্ত্তমান কংগ্ৰেছ দলৰ সমৰ্থনেৰে চৰকাৰ চলি আছে তাত এনে ধৰ্ষণৰ ঘটনা হৈছে ৫৩১১টা। মধ্যপ্ৰদেশতো কংগ্ৰেছ দলৰে চৰকাৰ চলি আছে, তাত হৈছে ৩২৬৬। ইয়াৰ তুলনাত আমাৰ অসমত বহুত কম হৈছে। এই হিচাব বিলাক আমি দিয়া হিচাব নহয়, স্বয়ং কেন্দ্ৰীয় গৃহ মন্ত্ৰনালয়ে কৰা হিচাব।

অধ্যক্ষ ডাঙৰীয়া, তেওঁলোকে ভৰ্ৎসনা প্ৰস্তাৱৰ কথা কবলৈ যায়। তেওঁলোকৰ শাসন কালত আতিশৰ্য্যৰ বিৱৰণ কিমান শুনিব। তেতিয়া ৩১-৫-৯২ তাৰিখৰ 'দৈনিক অসম' কাকতত বাতৰি প্ৰকাশ হৈছিল ৯৪টা লোক টাডাত এৰেষ্ট হোৱা বুলি। ইয়াৰোপৰি তেওংলোকে কৈছে যে মই পঢ়ি দিয়া চিঠি পুৰণি বুলি। কিন্তু মই ২০০০ চনৰে কথা কৈছো। আলফাত থাকোতেই তেওঁ চিঠি খন লিখিছে। তাত লিখা আছে ১৯৯৬ চনৰ সাধাৰণ নিৰ্বাচনত তৰুণ গগৈৰ হকে লিপ্ত থাকো। প্ৰচাৰ অভিযানৰ মাজত গগৈ দেৱৰ লগত চিনাকি হওঁ। মই সংযুক্ত মুক্তি বাহিনীৰ কৰ্মী বুলি কংগ্ৰেছ কৰ্মীসকলক চিনাকি দিও আৰু দিহিং আঞ্চলিক আলফাৰ পৰা গোপন নিৰ্দ্দেশ পায় কংগ্ৰেছৰ

হৈ কাম কৰিছো। ঠিক তেনেকৈ ১৯৯৮ চনৰ উপ-নিৰ্বাচনতো মই কংগ্ৰেছৰ হৈ কাম কৰিছো। তাৰ বাহিৰেও কনভাৰচেচনৰ আৰু এটা কেছেট মোৰ হাতত আছে। এইটো তেওঁলোকে শুনিব খুজিলে আৰু শুনানি অনুমতি দিলে মই বজায় শুনালো হেতেন। আৰু বহুতো তথ্য আমাৰ হাতত আছে। মই সকলো বিলাক কথা ডাঙি ধৰিব বিচৰা নাই। তেওঁলোকে আমাৰ কৰাপচনৰ বিষয়ে কয়। কিন্তু তেওঁলোকৰ কাৰ কিমান বিঘা মাটি আছে সেই সকলো বোৰৰ হিচাব মই ৰাখিছো। এজন লোকে হাই কৰ্টত কেচ কৰিছে মোৰ হেনো গুৱাহাটী, তেজপুৰ, দিল্লী আদি ঠাইত ঘৰ আছে আৰু সেই বোৰত চৰকাৰে চিকিউৰিটিৰ ব্যৱস্থা কৰিব লাগে। তেওঁলোকে আজি বীনেশ্বৰ ব্ৰহ্মৰ হত্যাৰ কথা কৈছে। কিন্তু বিহুৰাম বড়োৰ হত্যাৰ কথা কোনেও উল্লেখ কৰা নাই। মোহিনী বসুমতাৰীৰ হত্যাৰ কথা তেওঁলোকৰ আলোচনাত নোসোমাল। তেওঁলোকে কংগ্ৰেছ দল বুলি বহুতো কথা কয়। কিন্তু আজি গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, মহেন্দ্ৰ মোহন চৌধুৰীৰ কংগ্ৰেছ দল নাই। সেই কংগ্ৰেছ দল বহুতো অৱনমিত হৈছে। এই কংগ্ৰেছৰ দিনতে গিটচাংকো চাৰ্গেক অপহৰণ কৰি হত্যা কৰা হৈছিল। চি.আৰ.মহান্তি, বি.এচ. ৰাজুক অপহৰণ কৰি হত্যা কৰা হৈছিল। কমলা শইকীয়াক হত্যা কৰা হৈছিল।

অধ্যক্ষ মহোদয়, ১৯৯১ চনৰ পৰা বিভিন্ন তাৰিখত ১৯৯৬ চনলৈকে সবনম, বলীন, ক্ষিৰোদ, হেমোৰাম, লাচিত, নগেন আদি নানা জনক হত্যা কৰা হৈছে। ভূমিধৰ বৰ্মনেও আন্ধাৰ ৰাতি দৌৰি ফুৰিব লগা হৈছিল, যিজন সেই সময়ৰ মন্ত্ৰী আছিল। কংগ্ৰেছে ওপৰলৈ থুই পেলালে গাতে পৰাৰ নিচিনা কথা, সেই কথা তেওঁলোকে পাহৰি গৈছে। যিজন মানুহে ভৰ্ৎসনা প্ৰস্তাৱ আনিছে, তেওঁৰ বিৰুদ্ধে কৰ্টত কিমান কেচ আছে কলেহে বুজি পাব।

গতিকে অধ্যক্ষ ডাঙৰীয়া, এই বিলাক কথা আৰু মই বিশেষ কব বিচৰা নাই কিন্তু কংগ্ৰেছে ভৰ্ৎসনা প্ৰস্তাৱ আনি নিজৰ গাৰে লেতেৰা চাৰ্টটো ধুই নিকা কৰিব পাৰিব বুলি ভাবিছে। কংগ্ৰেছৰ লগত আলফাৰ যিটো নেস্পাচ তথ্য সহকাৰে চৰকাৰৰ হাতত আছে। আমাৰ মাজৰ পৰাও বহু জন হেৰাই হৈছে। কেবিনেট মন্ত্ৰী নগেন শৰ্মা আমাৰ মাজৰ পৰা হেৰাই গ'ল। কংগ্ৰেছে ভালকৈ জানে যে পাটোৱাৰীৰ ভায়েক,

কমলা কলিতাৰ ভায়েক হেৰাই গ'ল, বিৰাজ শৰ্মা আৰু হিৰণ্য কোৱৰৰ ওপৰত আক্ৰমণ হৈছিল, এইবোৰ কথা তেওঁলোকে নিজেতকৈ গৈছে। অধ্যক্ষ মহোদয়, এনে যত প্ৰশনত যে কংগ্ৰেছ জড়িত নেথাকিব তেনে কথা নাই। আমাৰ দেশৰ ঐক্য আৰু সংহতি অটুট থাকে, তাৰ নিমিত্তেই কংগ্ৰেছে নিৰ্বাচনত যোগ দিবলৈ দিব নালাগে বুলি মই কৈছোঁ। ক্ষমতাৰ কাৰণে তেওঁলোকে যিকোনো কাম কৰিব পাৰে। এই কথা স্পষ্ট ভাৱে কব পাৰি যে যোৱা ৫০ বছৰে কংগ্ৰেছে দেশখনৰ যিমান ক্ষতি কৰিলে তাক আৰু কোনেও অতি সোনকালে পূৰণ কৰিব নোৱাৰে। এই ক্ষতিপূৰাবৰ কাৰণে সকলোৰে কষ্ট স্বীকাৰ কৰিবলৈ আগবাঢ়ি যাব লাগিব।

অধ্যক্ষ মহোদয়, যোৱা কালি তেওঁলোকে ক্ষুদ্ৰ চাহ খেতিয়কৰ কাৰণে কান্দি দিছে আকৌ সিংহলৰ পৰা চাহ আনিবলৈও পৰামৰ্শ দিছে, কিন্তু চাফাৰ কৰিব লগা হৈছে আমি, দোষটো আমাৰ গাত জাপি দিছে। নীতি বিহীন কংগ্ৰেছে জনসাধাৰণক আভুৱা ভাবি আহিছে। এনে কংগ্ৰেছে অনা প্ৰস্তাৱৰ মৰ্য্যদা নাই। সেই কাৰণে মই কৈছো যে চাৰ্কাচৰ লাউনৰ বিষয়ে বেছি আলোচনা কৰি কি লাভ?

ইয়াকে কৈ মই সামৰণি মাৰিলো।

Mr. Speaker : I now put the censor motion before the house which is against Shri Prafulla Kumar Mahata, the Hon'ble Chief Minister, Assam. Those who are in favour of the motion say 'Ayes' and those who are against the motion say 'Nose'. Nose have it nose have it Nose have it. The censor motion in defeated and lost.

**শ্ৰীদিলীপ কুমাৰ শইকীয়া** ঃ অধ্যক্ষ মহোদয়, অহাকালিলৈ পাঠক কমিশ্যনৰ ৰিপৰ্টটো ইয়াত দিব লাগে। কাৰণ অৰ্দ্ধেন্দু দেৰ যিটো তেল হৈছে তাক চাব লাগিব।

**মাননীয় অধ্যক্ষ** ঃ ৰিপৰ্ট দিয়াৰ দায়িত্ব চৰকাৰৰ। যদি চৰকাৰে দিয়ে আমাৰ আপত্তি নাই।

I now request Hon'ble Chief Minister to lay before the House 'Vision Assam 2025'.

**Shri Prafulla Kr. Mahanta (Chief Minister):** I beg to lay before the House the 'vision Assam 2025.'

**Mr. Speaker :** The House is adjourned till 4 p.m., on Thursday, the 7th Sept. 2000.

## ADJOURMENT

The House then stood adjourned at 9.18 p.m. till 4 p.m. on Thursday, the 7th September, 2000.

Dispur
The 6th September, 2000

**D. Talukdar**
Secretary
Assam Legislative Assembly

# Annexure-I

## খাদ্য সামগ্ৰীৰ তালিকা

| | | | | | |
|---|---|---|---|---|---|
| ১। | গোৱালপাৰা | চাউল | ৩৪২২.৮৫ | কুইন্টল মূল্য | ৩৪,৫৭,৮০৭ টকা |
| | | নিমখ | ১৯৫.৯০ | | ৫৯,৭৫০ |
| | | চিৰা | .৫০ | | ১.০০০ |
| | | গুৰ | .১৫ | | ২৫৫ |
| ২। | ধুবুৰী মহকুমা | চাউল | ৪০৬.৩৮ | | ৪,১৬,৫৩৯ |
| | | নিমখ | .৪৫ | | ৯০ |
| | বিলাসীপাৰা | চাউল | ৪২৩.২৮ | | |
| | | দাইল | ৭৯.০৯ | | ৭,৪৩,৩৭৩ |
| | | নিমখ | ২৩.৭৭ | | |
| | | মিঠাতেল | ২৩.০৭ | | |
| | দক্ষিণ শালমাৰা | চাউল | ১১৫৮.৫০ | | ১১,৮৭,৪৬৩ |
| ৩। | কোকৰাঝাৰ | চাউল | ৫১০.৯৯ | | ৫,৪১,৫৯৬ |
| | | নিমখ | ২৮.১৪ | | ৫৫৯৯ |
| | | চিৰা | ২০.০৯০ | | ৪০০০০ |
| | | গুৰ | ২.০০ | | ৩২০০ |

| | | | | |
|---|---|---|---|---|
| | গোসাইগাঁও | চাউল | ৫০.০০ | ৫৩০০০ |
| | | নিমখ | ১.০০ | ১৯৯ |
| ৪। | বৰপেটা | চাউল | ৫০৩.৬০ | ৬,১৪,৩৯০ |
| | | চিৰা | ৪০.০০ | ৫২,০০০ |
| | | গুৰ | ১.০০ | ১,২৫০ |
| | | আটা | ৫.০০ | ৪,৫০০ |
| | | পশুৰ খাদ | ২৮৭.০০ | |
| ৫। | নলবাৰী | চাউল | ২১৬৭.৯৭ | ২৩,৬৩,০৮৮ |
| | | দাইল | ৪১৫.৯৯ | ৯,৬৭,১৭৭ |
| | | নিমখ | ৯৬.১৯ | ১২,১২০ |
| | | চিৰা | ২৫.০০ | ২৮,৪২৫ |
| | | গুৰ | ৫.৫০ | ৬,৫৪৫ |
| | | পশুৰ খাদ্য | ১০ ট্ৰাক | ৫,০০০ |
| | | দানা | ৭৯০ বেগ | ১,৮৯,৬০০ |
| ৬। | দৰং | চাউল | ৪,৪৬০.০২ | ৫৫,৬৩,৮০০ |
| | | দাইল | ২৩৭.৯৬ | ৫,৬৩,২০০ |
| | | নিমখ | ২১৪.৮৪ | ৩০,০৭০ |
| | | চিৰা | ৩৬.০০ | ৪১,০৪০ |

## Annexure-I



| | | | | |
|---|---|---|---|---|
| | মিঠাতেল | ৪২.০০ | লিটাৰ | ১,৪৭০ |
| | পশুৰ খাদ্য | ১১২০.০০ | | ৬,৩২,৮০০ |
| ওদালগুৰি | চাউল | ১৭৫.২৩ | | ২,১৬,৮০০ |
| | দাইল | ২৭.৭৭ | | ৬৫,৮১৪ |
| | নিমখ | ১১.৩৮ | | ১,৪৪৫ |
| | পশুৰ খাদ্য | ৬.০০ | | ৩,৩৯০ |
| ৭। যোৰহাট | চাউল | | ১১,২১,৬৪৫ | |
| | নিমখ | | ৩০০ | |
| ৮। ডিব্ৰুগড় | চাউল | ৫০৮.৪০ | | ৫,৩৭,১০৬ |
| | দাইল | ৯৪.৩৭ | | ২,০০,৩৮০ |
| | নিমখ | ২৮.৩৮ | | ৮,৫১৪ |
| | পশুৰ খাদ্য | ৫০০০.০০ | | ১,২৫,০০০ |
| ৯। কৰিমগঞ্জ | চাউল | | ৬,৬৭,০২৩ | |
| | দাইল | | ১,০৮,৮৩৬ | |
| | নিমখ | | ৮,২১৭ | |
| ১০। মৰিগাওঁ | চাউল | ৭২৪.০০ | | ৬,৫১,৬০০ |
| | ঘাঁহ | ১৬০.০০ | | ৮,০০০ |
| ১১। হাইলাকান্দি | চাউল | ৬৫৫.৯০ | | ৬,৮০,৫২৮ |

| | | | |
|---|---|---|---|
| ১২। জোনাই | চাউল | ২৮০৮.৮১ | ৩৪,৮৮,৫৪২ |
| | নিমখ | ১৫৯.৯৯ | ৭৭,৯৯৫ |
| | চিৰা | ৬.৯০০ | |
| | গুৰ | ৬.০০ | ২,০০০ |
| ১৩। বঙাইগাঁও | চাউল | ১৪৩.৯৬ | ১,৪৯,৭২৪ |
| | চিৰা | ৬.০০ | ৯,৩০০ |
| | গুৰ | ০.৬০ | ৬৯০ |
| | নিমখ | ১৬০.০০ | ১৮,১৩০ |
| উত্তৰ শালমৰা | চাউল | ১,৮২৯.০২ | ১৮,০২,৫৫৬ |
| | চিৰা | ৬৬.২১ | ১৮,৩২৮ |
| | গুৰ | ০.৬১ | ৭৯৩ |
| বিজনী | চাউল | ৯৬৮.৮৮ | ১০,০৪,৭৯৯ |
| | চিৰা | ২৪.৮৮ | ৪৪,৭৮৪ |
| | গুৰ | ২১২.০০ | ২,৯৬৮ |
| | দাইল | ১,১৯১.০০ | ২৮,৮২২ |
| ১৪। তিনিচুকীয়া | চাউল | ৫৯৪.১৪ | |
| | দাইল | ১০৪.৭২ | |
| | নিমখ | ৫০ বেগ | ১৯,১৯,২৩৯ |
| | চিৰা | ২.০০ | |
| | গুৰ | ০.৩০ | |

| | | | | | |
|---|---|---|---|---|---|
| ধেমাজী | চাউল | ৩০৯৯.৬০ | | ৩৮,৪৯,৭০৩ | |
| | দাইল | ৩৪.১১ | | ১,০২,৩৩০ | |
| | নিমখ | ২২.১৬ | | ৮,৮৬৪ | |
| ১৫। লক্ষীমপুৰ | চাউল | ১৯৭.০৭ | | ২৪,৭৪,৯৪৭ | |
| | নিমখ | ৫৪.৯০ | | ১০,৯৮০ | |
| ঢকুৱাখানা | চাউল | ৩১৭.০০ | | ৩,৬৭,৭২০ | |
| ১৬। গোলাঘাট | চাউল | ১৪৫.৫০ | | ১,৭৪,৬০০ | |
| (ধনশিৰি) | দাইল | ২৫.৯০ | | ৭২,৫২০ | |
| | নিমখ | ৭.৮০ | | ৩,৯২৫ | |
| | কেঃ তেল | ৬০ | লিটাৰ | ৩৩০ | |
| ১৭। কামৰূপ | চাউল | ১৬৮২.৫৮ | কুইন্টল | | |
| | দাইল | ২১৮.১৯ | | | |
| | চিৰা | ১৫০৮০০ | | | |
| | গুৰ | ১৫.০০ | | | |
| | নিমখ | ১.০০ | | | |
| | মিঠাতেল | ২ | টিন | | |
| | পশু খাদ্য | ৫২০.০০ | কুইন্টল | | ৮১,৮৬,৩১৫ |
| ৰঙিয়া | চাউল | ২২৭৫.০০ | | | |
| | দাইল | ৩৬০.০০ | | | |
| | চিৰা | ১৯৮.০০ | | | |
| | গুৰ | ২০.০০ | | | |
| | নিমখ | ৯৮.০০ | | | |
| | পশুৰ খাদ্য | ১১৬৬.০০ | | | |

## ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াত ভূমিহীন আৰু গৃহহীন হোৱা পৰিয়ালৰ সংখ্যাৰ তালিকা

| | জিলা | ১৯৯৬-৯৭ | ১৯৯৭-৯৮ | ১৯৯৮-৯৯ | ১৯৯৯-২০০০ | মুঠ |
|---|---|---|---|---|---|---|
| ১। | গোলাঘাট | | | | | |
| ২। | বোকাঘাট | ১৮ | | | ৭৬ | ৯৪ |
| ৩। | ধেমাজি | | | | | |
| ৪। | বৰপেটা | ১১৫২ | | ১১৮১ | ৩৩৬ | ২৬৬৯ |
| ৫। | ডিব্ৰুগড় | | | ৩৪ | | ৩৪ |
| ৬। | যোৰহাট | ২২০ | ২৭৪ | ৩২৩ | ১১৩ | ৯৩০ |
| ৭। | বঙাইগাঁও | ১৩৬ | | ৩০২ | ২২৮ | ৬৬৬ |
| ৭। | গোৱালপাৰা | ১৫৭ | ৩৩৮ | ১২৮১ | ৭ | ১৭৭৬ |
| ৯। | তিনিচুকীয়া | ১৩০ | ৫৪ | ৯৭ | ১৭ | ২৯৮ |
| ১০। | নলবাৰী | ২৫৭ | ২৮ | ১১৩৪ | ৩১৫ | ১৭৩৪ |
| ১১। | মৰিগাঁও | ২৬১ | ২০০ | ১৮১৭ | ৮৫০ | ৩১২৮ |
| ১২। | দৰং | | | ৯৮৬ | | ৯৮৬ |
| ১৩। | কামৰূপ ১৯৯৬ পৰা ২০০০ লৈকে ৪৬৬ জন পৰিয়াল গৰাখহনীয়াত ক্ষতিগ্ৰস্ত হৈছে। | | | | | |
| ১৪। | ধুবুৰী | ৫৩৭৮ | ১৪৪৯ | ৭৪২৩ | ৩৫৫৫ | ১৭৮০৫ |
| | | | | | সৰ্বমুঠ | ৩০৫৮৬ |

## YEARS BREAKUP OF FUND SANCTIONED TO DIFFERENT DEPTTS.

**1998-99**

| | | | |
|---|---|---|---|
| 1. | P. W. Deptt. | Rs. | 15,03,49,990/- |
| 2. | Flood Control Deptt. | Rs. | 22,59,23,500/- |
| 3. | Agriculture Deptt. | Rs. | 5,71,56,631/- |
| 4. | Irrigation Deptt. | Rs. | 1,98,17,393/- |
| 5. | Forest Deptt. | Rs. | 1,10,00,000/- |
| 6. | P.H.E. Deptt. | Rs. | 2,53,16,150/- |
| 7. | Guwahati Dev. Deptt. | Rs. | 68,94,000/- |
| 8. | Political (B. Deptt. for Char Areas Dev.) | Rs. | 89,97,542/- |
| 9. | Health & F. W. Deptt. | Rs. | 75,00,000/- |
| 10. | A.H.& Vety. Deptt. | Rs. | 61,61,882/- |
| 11. | Townand country planning deptt. | Rs. | 12,00,000/- |
| 12. | Municipal Administration Deptt. | Rs. | 60,00,000/- |
| 13. | Handloom & Textiles Deptt. | Rs. | 50,00,000/- |
| 14. | D.C.Kamrup (for digging of Bharalu River) | Rs. | 29,13,000/- |

**1999-2000**

| | | | |
|---|---|---|---|
| 1. | P. W. Deptt | Rs. | 38,48,92,396/- |
| 2. | Flood Control Deptt. | Rs. | 13,64,23,000/- |
| 3. | Irrigation Deptt. | Rs. | 6,34,15,421/- |
| 4. | Agriculture Deptt. | Rs. | 2,02,15,000/- |
| 5. | P.H.E. Deptt. | Rs. | 2,90,00,000/- |
| 6. | A.H. & Vety. Deptt. | Rs. | 68,00,000/- |
| 7. | Handloom & Textiles Deptt. | Rs. | 50,00,000/- |
| 8. | Minorities welfare Deptt. (for Char Areas Dev.) | Rs. | 40,00,000/- |
| 9. | Guwahati Development Deptt. | Rs. | 40,54,000/- |
| 10. | Health & F. W. Deptt. | Rs. | 20,00,000/- |

**Annexure - IV**

**GOVERNMENT OF ASSAM**
**OFFICE OF THE REGISTRAR OF COOPERATIVE SOCIETIES : ASSAM**

No. GPSS: 30/91/pt/112, Dated, Guwahati the 20th July/ 2000

From : Shri B. Das,
Jt. Registrar of Coop. Societies (G),
H. O. Assam, Guwahati

To : The Asstt., Registrar of Coop. Societies, Golaghat.

Sub : Annual General Meeting of Kaziranga S. S. Ltd.

Sir,

With referene to above subject, I am directed to say that it has been reported that the Annual General Meeting of Kaziranga S.S.Ltd. was held on 21.6.2000 where all the statutory agendas were not completed and on the above ground the proceedings of the Annual General Meeting were not completed and on the above ground the proceedings of the Annual General Meeting were not approved by you. Your action in dis-approving the proceedings of the said Annual General Meeting does not appear to be valid in as much as the society did not fail to hold Annual General Meeting within the statutory period as prescribed under law.

You are, therefore, asked to instruct the society to hold another General Meeting to transact the remaining agendas.

Action taken should be intimated at the earliest. This has the approval of the Registrar of Coop. societies.

Yours faithfully,

Sd/- Jt. Registrar of Cooperative Societies
H.Q. Assam, Guwahati

**Copy to :**

1. The under Secy. to the Govt. of Assam, Cooperation Deptt. Dispur with reference to his letter No. COOP. 62/99/pt dt.

13.7.2000 for information.

2. The Zonal Joint R.C.S. Jorhat, Constitution one man Adhoc Committee of Kaziranga S.S. Ltd. under section 32(5) of the Act is not legally tenable. He should vacate his order No. CZJG. 11/38/pt-IV/139, dt. 5.7.2000 forthwith under intimation to this office.

Joint Registrar of Coop. Societies,
H.Q. Assam, Guwahati

## Annexure-V

**STATEMENT SHOWING THE DEPTT'S DISTRICT & SUB-DIVISION WISE RELEASE OF G.R. FROM HEAD OF ACCOUNT '2245' RELIEF ETC. THE YEAR 2000-2001 FOR RELIEF ON ACCOUNT OF FLOOD, DROUGHT, STROM ETC. CALAMITIES AS ON 22-8-2000.**

| Dist/Sub-Divn | G.R. |
|---|---|
| 1. Kamrup | 25,50,000 |
| 2. Rangiya | 15,30,000 |
| 3. Bongaigaon | 12,50,000 |
| 4. Bijni | 15,30,000 |
| 5. North Salmara | 12,30,000 |
| 6. Goalpara | 11,50,000 |
| 7. Barpeta | 16,00,000 |
| 8. Bajali | 15,30,000 |
| 9. Nalbari | 27,50,000 |
| 10. Sibsagar | 1,50,000 |
| 11. Charaideo | 30,000 |
| 12. Nazira | 30,000 |
| 13. Dhemaji | 21,00,000 |
| 14. Jonai | 12,30,000 |
| 15. Sonitpur | 12,50,000 |

| Dist/Sub-Divn | G.R. |
|---|---|
| 16. Biswanath | 30,000 |
| 17. Morigaon | 8,50,000 |
| 18. Nagaon | 2,50,000 |
| 19. Hojai | 2,30,000 |
| 20. Kaliabor | 30,000 |
| 21. Tinsukia | 7,50,000 |
| 22. Mergherita | 30,000 |
| 23. Sadiya | 1,30,000 |
| 24. Dibrugarh | 2,50,000 |
| 25. Jorhat | 2,50,000 |
| 26. Majuli | 5,00,000 |
| 27. N. Lakhimpur | 12,50,000 |
| 28. Dhakuakhana | 30,000 |
| 29. Darrang | 30,50,000 |
| 30. Udalguri | 30,000 |
| 31. Kokrajhar | 5,50,000 |
| 32. Gossaigaon | 30,000 |
| 33. Golaghat | 10,50,000 |
| 34. Bokaghat | 8,30,000 |
| 35. Dhansiri | 3,30,000 |
| 36. Dhubri | 8,50,000 |
| 37. South Salmara | 13,30,000 |
| 38. Bilasipara | 2,30,000 |
| 39. Karimganj | 3,50,000 |
| 40. Hailakandi | 9,50,000 |
| 41. Cachar | 50,000 |
| 42. Lakhipur | 30,000 |
| 43. Karbi-Anglong | 50,000 |
| 44. Hamren | 30,000 |
| 45. Bokajan | 6,30,000 |
| 46. N. C. Hills | 50,000 |
| 47. Maibong | 30,000 |
| **Total Rs.** | **3,50,20,000** |

## Annexure-VI

### STATEMENT SHOWING YEREWISE AND DISTRICTWISE SANCTIONED AMOUNT OF BADP (SCA) 1996 TO 1999-2000

| Year-wise alocation and release of fund by Govt. of India | | | Amount released by Govt. of Assam | District-wise sanctioned amount | | | |
|---|---|---|---|---|---|---|---|
| Year | Allocation | Realease | | Dhubri | Karimganj | Cachar | Remarks |
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 |
| 1996-97 | 412.00 | 412.00 | No release of fund | | | | |
| 1997-98* | 412.00 | 206.00 | 220.00 lakhs (against the arrear of 1995-96) | 1,18,34,603/- | 67,85,397/- | 33,80,000/- | |
| | | | 174.00 lakhs against 50.00 the schemes of 1996-97 | 91,74,000/- | 71,26,000/- | 11,00,000/- | * BADP (SCA) has been marged with Annual plan from 1997-98. |
| | | | Rs. 444.00 lakhs | | | | |
| 1998-99 | 427.00 | 427.00 | 412.00 lakhs against schemes of 1997-98 | 258.26 | 117.28 | 36.46 | |
| | | | 417.00 lakhs against schemes of 1998-99 | 238.92 | 136.33 | 41.75 | |

## Annexure-VI



| Year-wise alocation and release of fund by Govt. of India | | | Amount released by Govt. of Assam | District-wise sanctioned amount | | | |
|---|---|---|---|---|---|---|---|
| Year | Allocation | Realease | | Dhubri | Karimganj | Cachar | Remarks |
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 |
| 1999-2000 | 720.00 | 720.00 | 720 lakhs | 247.06 | 132.44 | 30.00 | * Rs. 60.50 lakhs fro 2nd |
| | | | **(Fund is being (+) | 16.50 | 33.00 | 11.00 | line of Defence i.e. BDPs |
| | | | drawn) *** | | | | etc in three districts |
| | | | 100 lakhs against scheme | 23,00,000/- | 77700,000/- | | ** Out of Rs. 720 lakhs |
| | | | of 1996-97 | | | | Rs. 470 lakhs for indo |
| | | | | | | | Bangladesh Border |
| Total | 1971.00 | 1765.00 | Rs. 1373 lakhs already drawn | | | | ***Rs. 250 lakhs for |
| | | | Rs. 720 lakhs being drawn against in 1999-2000 | | | | Indo-Bhutan sanction |
| | | Rs. 2093 lakhs | | | | | made, ceiling received, |
| | | | | | | | amount being drawn. |

## Annexure-VII

### গৰাখহনীয়া আৰু বানত উঠাই লোৱা পৰিয়ালৰ সংখ্যাৰ তালিকা

| জিলা/মহকুমা | গৰাখহনীয়া পৰিয়াল | বানত ক্ষতিগ্ৰস্থ লোকৰ সংখ্যা |
|---|---|---|
| ১। ধেমাজী | ৮৯৯ | ১,৫০,০০০ |
| ২। জোনাই | ৬৫৬ | ৯২,০০০ |
| ৩। শোনিতপুৰ | - | ১,৬০,০০০ |
| ৪। বঙাইগাঁও | ১৯০ | ১,৭৭৪ |
| বিজনী | ৬৯৮ | ১,৫০,০০০ |
| অভয়াপুৰী | ৬৮৪ | ২,০৫,০০০ |
| ৫। গোৱালপাৰা | ১,৩৩৫ | ২,৫০,০০০ |
| ৬। গোলাঘাট | ২৭ | ৬,৪৩২ |
| ধনশিৰি | ১ | ৯,০০০ |
| বোকাখাট | ১২ | ২২,৮১৬ |
| ৭। ধুবুৰী | ৩,৪৫৫ | ২,৮৩,০০০ |
| দক্ষিণ শালমৰা | ৩,৯০০ | ৭০,০০০ |
| বিলাসীপাৰা | ৭৬২ | ১,৪৯,১০৫ |
| ৮। কৰিমগঞ্জ | - | ৩০,০০০ |
| ৯। লক্ষীমপুৰ | ৫,৬০০ | ১,৮৩,৬৪৩ |
| ১০। হাইলাকান্দি | ৫ | ২৩,৫০৯ |
| ১১। নলবাৰী | ৪২৮ | ১,৬৮,৮৭১ |
| ১২। বৰপেটা | ১,৬০৮ | ২,৩৪,৭০০ |
| ১৩। কাৰ্বি আংলং | - | ১,০৭৮ |
| ১৪। বোকাজান | ১৫০ | ৩০,০০০ |
| ১৫। যোৰহাট | ৪২৭ | ১১,৬৯২ |
| ১৬। মাজুলী | ৬,০০০ | ৬৫,০০০ |
| ১৭। ডিব্ৰুগড় | ১৬২ | ৩৫,০০০ |
| ১৮। কোকৰাঝাৰ | ২০৫ | ৪৫,৪৫০ |
| গোসাইগাঁও | - | ৪৫,৯৬১ |
| ১৯। ঢকুৱাখানা | ৭০ | ৩,২১১ |
| ২০। কামৰূপ | ২০ | ৮০,০০০ |
| গুৱাহাটী | - | ৩,৫৬,২৫৩ |
| ৰংগীয়া | ৬ | ১,৬৫,০০০ |
| ২১। দৰং | ৬৫৪ | ৩,০০,০০০ |
| ২২। মৰিগাঁও | ৪৪৫ | ১,৪০,৭২০ |
| ২৩। তিনিচুকীয়া | ১৯৬ | ১৪,৩৯৮ |
| শদিয়া | ২৮৭ | ১,৪০০ |